EDITORIAL BOARD

*for*

**the College Magazine**

*Miss N. Baruah*
**Principal-in-charge,**

*Prof. H. Rohman,*
**Vice Principal-in-charge**

*Prof, S. Barua,*
**Prof-in-charge, Magazine.**

*Miss Aniali Chutia,*
**General Secy. Students Union,**

*Miss Dipali Baruah,*
**Editor.**

*Published on behalf of the Sibsagar Girls' College Students Union by Miss Anjali Chutia, General Secretary, edited by Miss Dipali Baruah and Printed at* **Printworks, Shankar Mandir Road, Sibsagar.**

# শিৱসাগৰ ছোৱালী কলেজ আলোচনী

॥ নৱম প্ৰকাশন ॥
১৯৮৪-৮৫ চন

সম্পাদনাত
॥ দীপালি বৰুৱা ॥

তমসো মা জ্যোতিৰ্গময়

শিৱসাগৰ ছোৱালী কলেজ

শিৱসাগৰ
ছোৱালী
কলেজ
আলোচনী

॥ নৱম প্ৰকাশন ॥

১৯৮৪-৮৫ চন

সম্পাদনাত

॥ দীপালি বৰুৱা ॥

॥ শিৱসাগৰ ছোৱালী কলেজ আলোচনী ॥
॥ নৱম প্ৰকাশন ॥
॥ উনৈশ শ চৌৰাশী-পঁচাশী চন ॥
॥ সম্পাদিকা ঃ শ্ৰীদীপালি বৰুৱা ॥

প্ৰকাশক ঃ শ্ৰীঅঞ্জলী চুতীয়া,
সাধাৰণ সম্পাদিকা,
ছাত্ৰী একতা সভা,
শিৱসাগৰ ছোৱালী কলেজ।

প্ৰকাশ ঃ আগষ্ট '৮৫

মুদ্ৰণত ঃ প্ৰিন্টৱৰ্কস,
শংকৰ মন্দিৰ পথ,
শিৱসাগৰ-৭৮৫৬৪০

# ॥ শিৱসাগৰ ছোৱালী কলেজ আলোচনী ॥

নৱম প্ৰকাশন ঃ ১৯৮৪/৮৫ বছৰ

অসমীয়া শাখা

## সূচী

### প্ৰবন্ধ


অপৰাধ প্ৰৱণতা ঃ অধ্যাপিকা কুসুম ফুকন ॥ পৃ ১ ॥

ৰজণীকান্ত বৰদলৈৰ উপন্যাস ঃ জ্যোতি প্ৰভা দাস ॥ পৃ ১১ ॥

শ্ৰীমন্ত শঙ্কৰদেৱৰ অসমীয়া সাহিত্যলৈ অৱদান ঃ অঞ্জনা বৰা ॥ ১৬ ॥

প্ৰাচ্যৰ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ঃ ৰুমা গোস্বামী ॥ ৩১ ॥

পদ্মনাথ গোহাঞিবৰুৱা ঃ দীপালি বৰুৱা ॥ ৩৭ ॥

কবিতা আৰু নতুন কবিৰ কবিতা ঃ ইন্দিৰা ফুকন ॥ ৪৩ ॥

সমন্বয়ৰ প্ৰতীক জ্যোতিপ্ৰসাদ আগৰৱালা ঃ অঞ্জলী চুতীয়া ॥ ৫৬ ॥

প্ৰাপ্ত-বয়স্ক শিক্ষাৰ আঁচনিত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা ঃ অঞ্জনা গগৈ ॥ ৬২ ॥

দুৰৱা, নিয়তি আৰু তেওঁৰ কবিতা ঃ বন্তী গগৈ ॥৬৪ ॥

কবিতা আগবঢ়াইছে—( পৃ ঃ ১৯—৩০ )

চালেহা চুলতানা ৰহমান, দীপালি বৰুৱা, ৰঞ্জিতা কোঁৱৰ, বৰ্ণালী কলিতা, ৰানুৰাণী শইকীয়া, শোভাক্ষী গগৈ, বিনীতা দত্ত, আৰতি গগৈ, জুৰি কোঁৱৰ, দীপামণি গগৈ, ৰূপজ্যোতি গগৈ, ছামছুন নাহাৰ, ৰূপাঞ্জলী বৰগোহাই, ভাৰতী গগৈ, মিনু গগৈ, তৰুৰাণী ঘোষ, ঝুনু কোঁচ, অৰুন্ধতী সান্যাল।


### গল্প ঃ


আশাৰ শেষত ঃ মিতালী দত্ত ॥ ৩৪ ॥

স্বীকৃতি ঃ বন্তি বৰা ॥ ৪০ ॥

প্ৰত্যয় ঃ মিনতি বড়া ॥ ৪৯ ॥

এটি হমুনিয়াহ ঃ মৃদুলা দত্ত ॥ ৫৩ ॥

ছাত্ৰী একতা সভাৰ কাৰ্য্য নিৰ্বাহক সমিতিৰ পৰিচিতি

পৰিশিষ্ট ঃ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা, বিভাগীয় সম্পাদিকাসকলৰ প্ৰতিবেদন আৰু সম্পাদকীয়।



অধ্যক্ষ বীৰেন বৰকটকী

ত্যাগ আৰু গৰিমাৰে জীৱন ৰঙাই তোলা, শান্ত, সৌম্য কৰ্ম্মযোগী-ঋষি, যাৰ অফুৰন্ত প্ৰেৰণাৰ বলত সমগ্ৰ দেশতে জাকত জিলিকা ছোৱালী মহাবিদ্যালয়ৰূপে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে মূৰ তুলি চাইছে স-গৌৰৱে। সত্তৰৰ দশকৰ পৰা এইজনা গুণীপুৰুষ এইখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদত থাকি দক্ষতাৰ পৰিচয় দিয়াৰ লগতে মহাবিদ্যালয়খনিৰ প্ৰাণপ্ৰতিষ্ঠা কৰাৰ সঞ্জীৱণী মন্ত্ৰ হৈ আছিল আৰু থাকিব।



ড০ সুৰেন্দ্ৰ কুমাৰ গোস্বামী ঃ এটি অৰ্ঘ্য ঃ

মিঠামুখৰ অমায়িক ৺সুৰেন্দ্ৰ কুমাৰ গোস্বামীদেৱে নৰতনু সামৰি আমাৰ মাজৰ পৰা আঁতৰি গ'ল যোৱা ১৩ মাৰ্চ তাৰিখে। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জীবিভাগৰ মূৰব্বী অধ্যাপকৰূপে মহাবিদ্যালয়ৰ প্ৰতি থকা তেখেতৰ আন্তৰিকতা আৰু মৰম চিৰস্মৰণীয় হৈ থাকিব। তেখেত নিজে এটি জীৱন্ত কবিতা ঃ

পাণ্ডিত্য আৰু গবেষণাৰ পূৰ্ণপাত্ৰ উপচি পৰোতেই
কাল ধুমুহাই হায় দিলেহি জগাই ঃ
ধূলিৰ মৰমে হায় আকুলি মাতিলে
নোৱাৰিলা তুমিতো আৰু দিব দলিয়াই।

জন্ম ঃ ৩১ মে' ১৯২৯ চন ॥ মৃত্যু ঃ ১৩ মাৰ্চ, ১৯৮৫ চন



৺গোস্বামীৰ অন্তিম যাত্ৰাত কলেজৰ শিক্ষক, ছাত্ৰী আৰু কৰ্ম্মীবৃন্দৰ একাংশ।

# অপৰাধ প্ৰৱণতা (Delinquency) : বৈশিষ্ট্য, প্ৰকাৰ, সংখ্যা, কাৰণ আৰু প্ৰতিকাৰ

অধ্যাপিকা কুসুম ফুকন

সকলোবিলাক ল'ৰা-ছোৱালীয়ে শাৰীৰিক আৰু মানসিক ভাৱে সমানে বিকাশ লাভ কৰিব নোৱাৰে। আমি যিকোনো সামাজিক অনুষ্ঠান উপভোগ কৰোঁতে, যিকোনো ঠাইত ফুৰা-চকা কৰোঁতে, যিকোনো খেলা-ধূলা উপভোগ কৰোঁতে সততে এনে কিছুমান ল'ৰা-ছোৱালী লগ পাওঁ যি বিলাকৰ চাল-চলন, আচাৰ-ব্যৱহাৰ তথা কথা-বতৰা শুনিলে অস্বাভাৱিক তথা অসামাজিক যেন লাগে। মনোবিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ই এটা বৰ আকৰ্ষণীয় বিষয় কিয়নো মনোবিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে সহজেই ধৰিব পাৰে যে তেনে আচৰণ প্ৰদৰ্শন কৰা ল'ৰা-ছোৱালীক অপৰাধ প্ৰৱণ বুলি কোৱা হয়। কিন্তু ই অতি সাধাৰণভাৱে কোৱা কথাহে। প্ৰকৃততে অপৰাধ প্ৰৱণতাৰ সম্পৰ্কে বিভিন্ন মনোবিদে নিজ নিজ সংজ্ঞা আগবঢ়াইছে।

কৈশোৰৰ বিষয়ে অধ্যয়ন কৰা মনোবিদ লিউৱেল্লা ক'ল (Luella Cole)ৰ মতে অপৰাধ প্ৰৱণ ব্যক্তিৰ প্ৰৱণতা প্ৰৱল, কিন্তু বিবেক দুৰ্বল। এওঁলোকৰ অহম্ (ego) ভাৱে সামাজিক লিস্ বা আদৰ্শ বিবেচনা নকৰি দৈহিক প্ৰয়োজন অবাধে পূৰণ কৰিবলৈ বিচাৰে। মনোবিদ Hadfield এ অপৰাধ প্ৰৱণতাক সমাজ বিৰোধী আচৰণ হিচাপে ব্যাখ্যা কৰিছে। Hadfield ৰ এই ব্যাখ্যা মতে অপৰাধ প্ৰৱণতাৰ প্ৰকৃতি হৈছে সমাজ বিৰ্গহিত আচৰণ। অৰ্থাৎ অপৰাধ প্ৰৱণতা হৈছে কিশোৰ-কিশোৰীৰ নিজ নিজ সামাজিক পৰিবেশত অপসমাযোজনৰ পৰিণতি। এনে ল'ৰা-ছোৱালীয়ে সমাজৰ প্ৰচলিত নীতি-নিয়ম আৰু স্বাভাৱিক জীৱন পদ্ধতিত সুস্থ ভাৱে খাপ খাব নোৱাৰে।

Valendine ৰ মতে কিছুমান আইন ভঙ্গ কৰাটোকে বহল অৰ্থত অপৰাধ প্ৰৱণতা বুলি ক'ব পাৰি। যি বিলাক ল'ৰা-ছোৱালীক সমাজ বিৰ্গহিত কাৰ্য্য-কলাপৰ বাবে আইনৰ জৰিয়তে শাস্তি বিহিব লগা হয় সেইবিলাক কিশোৰ-কিশোৰীক অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰী বোলা হয়। এই কিশোৰ-কিশোৰীবিলাক দৈহিক আৰু মানসিক প্ৰয়োজন পূৰণত ব্যৰ্থ হৈ তেওঁলোকৰ মনত সংঘাট, অসন্তুষ্টি আৰু আৱেগিক উত্তেজনাৰ সৃষ্টি হয়। ইয়াক ধ্বংসাত্মক ক্ৰিয়া আচৰণৰ দ্বাৰা প্ৰকাশ কৰে আৰু তাৰ যোগেদি নিজকে এক অসামাজিক পদ্ধতিৰে সমাযোজনৰ বৈৰী কৰে। এওঁলোকক বিদ্ৰোহী মনৰ ব্যক্তি বুলিও কব পাৰি। কাৰণ

প্ৰতিশোধ পৰায়ণ মনোভাব, ধ্বংস আৰু হিংসাত্মক ক্ৰিয়া-কলাপ আৰু অনুশাসন অমান্য কৰাৰ প্ৰবৃত্তি এওঁলোকৰ ক্ষেত্ৰত পৰিলক্ষিত হয়।

সাধাৰণতে অপৰাধ প্ৰৱণতা সকলো স্তৰৰ লোকৰ মাজতে দেখিবলৈ পোৱা যায় যদিও কৈশোৰ কালৰ ল'ৰা-ছোৱালীত এনে প্ৰবৃত্তি বিশেষভাবে পৰিলক্ষিত হয়। ১৮ বছৰ বয়সৰ ভিতৰৰ ল'ৰা-ছোৱালীৰ মাজতেই এই অপৰাধ প্ৰৱণতা বেছি পৰিলক্ষিত হয় বাবেই ইয়াক কৈশোৰ অপৰাধ প্ৰৱণতা ( Invcuile delinquency ) বুলি কোৱা হয়।

অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীয়ে স্বাভাবিকতে নৈতিকতা বিহীন ক্ৰিয়া-কলাপ প্ৰদৰ্শন কৰে। তেওঁলোকে ভুল আৰু শুদ্ধৰ মাজত থকা পাৰ্থক্য বিবেচনা কৰিব নোৱাৰে। সেয়েহে এওঁলোকৰ কাৰ্য্যকলাপবোৰ বিশেষ মন কৰিবলগীয়া। আনৰ বস্তু চুৰ কৰাটো এওঁলোকৰ বাবে সচৰাচৰ ঘটনা। ইয়াৰ উপৰিও সিন্ধি দিয়া, ডকাইটি বা মাৰধৰ কৰা, জুৱাখেলা, মদপান কৰা, শিলগুটি দলিওৱা, ৰেলগাড়ীত বিনা টিকেটে ভ্ৰমণ কৰা, অনাধিকাৰ প্ৰবেশ কৰা, বেশ্যালয়লৈ গমণ কৰা, অশ্লীল চিত্ৰৰ আৰু কথা পতা আৰু যৌন সমন্ধীয় অপৰাধ কৰা আদিয়েই বিশেষভাৱে উল্লেখযোগ্য। মনোবিদসকলৰ মতে যৌন অপৰাধৰ বাহিৰে সাধাৰণতে ল'ৰাতকৈ ছোৱালীৰ সংখ্যা কম।

অপৰাধ প্ৰৱণতাৰ কেইটামান বিশেষত্ব ঃ
( Characteristics of Delinquency )

অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালী হৈছে এক অস্বাভাৱিক আৰু অসামাজিক ব্যক্তি। এওঁলোকৰ চিন্তা-চৰ্চ্চা কাৰ্য্য আৰু আচৰণত অস্বাভাৱিকতাৰ পৰিচয় পোৱা যায়। ইয়াৰ উপৰিও অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীৰ কিছুমান দৈহিক, মানসিক বিশেষত্ব পৰিলক্ষিত হয়।

১। দৈহিক অৱস্থা (Physical Condition) ঃ

কোনো কোনো মনোবিদে অস্বাভাৱিক দৈহিক গঠনে ব্যক্তিৰ অপৰাধ প্ৰৱণতাৰ পৰিচয় দিয়ে বুলি ক'ব খোজে যদিও ই বিজ্ঞান সন্মতভাৱে সমৰ্থন যোগ্য নহয়। Luella Cole ৰ মতে মনোবিদে ব্যক্তিৰ দৈহিক গঠনৰ অস্বাভাৱিকতা অপৰাধ প্ৰৱণতাৰ উল্লেখযোগ্য কাৰণ নহয় বুলি কৈছে। অৱশ্যে অস্বাভাৱিক স্নায়বিক উত্তেজনা এই ক্ষেত্ৰত দৈহিক অস্বাভাৱিকতাৰ বৈশিষ্ট্য হিচাপে উল্লেখ কৰিব পাৰি। দৈহিক অৱস্থাৰ আকৃতি, ৰসশক্তি, বেমাৰ আদি ৰোধকৰা শক্তি আদি স্বাভাৱিক লোকতকৈ বেছি।

২। মেজাজ ( Temperament ) ঃ

অপৰাধ প্ৰৱণ ব্যক্তি সচৰাচৰ বিৰামহীন ভাৱে উদ্যোগী, মনৰ বেগত কাম কৰে, বহিৰ্মুখী, আক্ৰোশমূলক মনোভাব প্ৰকাশ কৰে আৰু ধ্বংসাত্মক স্বভাৱৰ হয়।

৩। মনোভাব ( Attitude ) ঃ

অপৰাধ প্ৰৱণ ব্যক্তি সদায় ডেমাকী বা মতগৰ্ব্বী, যুদ্ধ প্ৰিয় বা বিৰোধী, আক্ৰোহী, সন্দেহবাদী, কোনো যুক্তি মানি লব নিবিচাৰে আৰু কোনো কৰ্তৃপক্ষৰ ওচৰত শৰণাগত হব নিবিচাৰে।

৪। মনোবৈজ্ঞানিক ( Psycholosical ) ঃ

অপৰাধ প্ৰৱণ ব্যক্তিয়ে কোনো সমস্যা সমাধানৰ

বাবে বৌদ্ধিক আৰু পদ্ধতিমূলক পন্থা অবলম্বন কৰাতকৈ প্ৰত্যক্ষ আৰু বাস্তৱিক দৃষ্টিভংগী প্ৰয়োগ কৰে।

৫। সমাজ সাংস্কৃতিক (Socio-Cultural)ঃ

অপৰাধ প্ৰৱণ ব্যক্তিয়ে মৰম বিহীন, অস্থিৰতা, আৰু তেওঁলোকক নিৰ্দেশনা দিবৰ বাবে বা পৰিচালনা কৰিবৰ কাৰণে অভিভাৱকসকল নৈতিক মানদণ্ডৰ অনুপযুক্ত বুলি বিবেচনা কৰে।

৬। বৌদ্ধিক অৱস্থা (Intellectual) ঃ

অনুসন্ধানৰ দ্বাৰা জানিব পৰা গৈছে যে অপৰাধ প্ৰৱণ ব্যক্তিৰ বুদ্ধ্যাংক ৬০ ৰ তলৰ পৰা ১২০ ৰ ওপৰলৈকে থাকে। ইয়াৰ মধ্যমা হৈছে ৮২। এই ফালৰ পৰা চাবলৈ গলে বুদ্ধিহীনতা ব্যক্তিৰ অপৰাধ প্ৰৱণতাৰ কাৰণ নহয় বুলি ক'ব পাৰি।

৭। শৈক্ষিক (Educational) ঃ

অপৰাধ প্ৰৱণ ব্যক্তি শিক্ষাৰ প্ৰতি একেবাৰে আগ্ৰহহীন। স্কুলৰ নীতি-নিয়ম আৰু অনুশাসন মানি শিক্ষা লাভ কৰাটো এওঁলোকে সমূলি ভাল নেপায়। শিক্ষাৰ ক্ষেত্ৰত অমনোযোগিতা অবাধ্যতা, অশিষ্ট আচৰণ আৰু পলায়ন প্ৰবৃত্তি সচৰাচৰ পৰিলক্ষিত হয়। শিক্ষা ব্যৱস্থাৰ প্ৰতি ঘৃণা আৰু বিদ্ৰোহ ভাব পোষণ কৰে।

৮। আবেগিক (Emotional) ঃ

অপৰাধ প্ৰৱণ ব্যক্তিৰ আটাইতকৈ উল্লেখযোগ্য বিশেষত্ব হৈছে আবেগিক অস্বাভাৱিকতা আৰু অপৈণতা। এওঁলোকৰ আবেগিক অনুভূতি অতি প্ৰবল আৰু নিয়ন্ত্ৰণহীন। বাধা বা সংঘাটে সহজেই উত্তেজিত কৰি তোলে। এওঁলোক স্বাভাৱিকতেই দায়িত্বহীন, সন্দেহবাদী, বিমৰ্ষ, কল্পনাহীন আৰু উদাসীন স্বভাৱৰ হয়। তদুপৰি এওঁলোকে নিজকে সমাজ তথা ঘৰৰ পৰিয়ালবৰ্গৰ দ্বাৰা ত্যজিত, নিৰাপত্তাহীন, মৰমবিহীন, নিকৃষ্ট আৰু দোষী বুলি বিবেচনা কৰে। ইয়াৰ ফলত এওঁলোক প্ৰায়ে মানসিক ৰোগত ভোগে।

৯। মনোৰঞ্জনাত্মক (Recreational) ঃ

অপৰাধ প্ৰৱণ ব্যক্তিৰ মনোৰঞ্জন কৰা পদ্ধতিও বেলেগ। এওঁলোকে ঘৰৰ পৰা আঁতৰত থাকি অভিলাশমূলক কাম কৰিবলৈ বিচাৰে। আজৰি সময়ত চিগাৰেট খোৱা, চিনেমা চোৱা, জুৱা খেলা, বস্তু চুৰি কৰা, আৰু দলৰ ব্যক্তিৰ লগ বিচৰা আদিয়েই এওঁলোকৰ প্ৰিয় কাম বা Hobby পৰিলক্ষিত হয়। ভাৰতীয় অপৰাধ প্ৰৱণ ব্যক্তিৰ এনে বিশেষত্বসমূহ অপৰাধ প্ৰৱণতাৰ কাৰণ।

ব্যক্তিৰ অপসমাযোজন আৰু শৈশৱৰ দোষযুক্ত ব্যক্তিৰ গঠনৰ পৰিণতিয়েই হৈছে অপৰাধ প্ৰৱণতা। বিশেষজ্ঞসকলে অপৰাধ প্ৰৱণতাৰ কাৰণ সম্পৰ্কে অধ্যয়ন কৰি এই সিদ্ধান্তলৈ আহিছে যে অপৰাধ প্ৰৱণতা ব্যক্তিৰ অভিজ্ঞতা লব্ধ, জ্ঞানলব্ধ নহয়। মনোবিদ Cyril Burt এ তেওঁৰ The young-Delinquents' ত উল্লেখ কৰিছে যে মাক বাপেকৰ অপৰাধ প্ৰৱণতা সন্তানৰ অপৰাধ প্ৰৱণতাৰ প্ৰধান কাৰণ নহয়। তেওঁৰ মতে অশিষ্ট আচৰণ আৰু অপৰাধ প্ৰৱণতা আদি শিশুৰ অৰ্জিত অভিজ্ঞতাহে মাথোন।

মনোবিদসকলে অপৰাধ প্ৰৱণতাৰ কাৰণসমূহক দুটা ভাগত বিভক্ত কৰিছে। প্ৰথমটো হৈছে ব্যক্তি-

গত ( Individualistic ) আৰু দ্বিতীয়টো হৈছে সমাজিক আৰু পাৰিপাৰ্শ্বিক (Social and Environmental) । ব্যক্তিগত কামবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল—

১। শৰীৰিকভাবে অক্ষম শিশুৱে যি কোনো ক্ষেত্ৰতে অভাৱ অনুভব কৰা পৰিলক্ষিত হয় । এনেক্ষত্ৰত কোনোবাই তেওঁৰ শাৰীৰিক অক্ষমতাৰ প্ৰতি কটাক্ষপাত কৰা বুলি জানিলে তেওঁলোকে স্বাভাৱিকতেই সমাজৰ আইন-কানুনৰ বিপৰীতে সমাজ বিৰ্গহিত কামত লিপ্ত হোৱা প্ৰয়াস কৰে । তেনেক্ষেত্ৰত কিশোৰে সমাজখনেই তেওঁৰ অক্ষমতাৰ বাবে জগৰীয়া বুলি বিবেচনা কৰি সমাজৰ ধ্বংস আনিবলৈ চেষ্টা কৰে ।

২। দ্ৰুত শিশুৰ দৈহিক বিকাশ আৰু সঞ্চালন সাধাৰণ বুদ্ধিৰ ল'ৰাতকৈ বিকাশ কম হলেও সমাযোজনৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হয় ।

৩। প্ৰায় ক্ষেত্ৰত নিম্ন বা কম বুদ্ধিয়েও শিশুক সমাজ বিৰোধী আচৰণ কৰিবলৈ উৎসাহ যোগায় । একেবাৰে কম বুধিয়ক ল'ৰা-ছোৱালীক সমাজবিৰোধী আচৰণ কৰিবলৈ সহজেই আকৰ্ষণ কৰিব পাৰি । Burt এ লণ্ডনৰ একেটা অঞ্চলৰ একেধৰণৰ ঘৰৰ বা পৰিবেশৰ ৩০০ অপৰাধ প্ৰৱণ আৰু ৪০০ স্বাভাৱিক ল'ৰা-ছোৱালীক অধ্যয়ন কৰে । এইবিলাকৰ প্ৰায় $\frac{8}{9}$ অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীয়েই নিম্ন বুদ্ধিৰ অধিকাৰী । এওঁলোকৰ বুধ্যাংক ১০০ ত কৈও কম । স্বাভাৱিক ল'ৰা-ছোৱালীৰ ভিতৰত মাত্ৰ $\frac{1}{2}$ ভাগৰহে বুধ্যাংক ২০০ ত কৈও কম ।

এইখিনিতে উল্লেখযোগ্য যে Burt য়ে অধ্যয়ন কৰা শতকৰা ৮ ভাগ অপৰাধ প্ৰৱণ ব্যক্তিৰ বুধ্যাংক ১০৫ তকৈ বেছিও আছিল । গতিকে নিম্ন পৰ্য্যায়ৰ বা কম বুদ্ধিয়েই অপৰাধ প্ৰৱণতাৰ একমাত্ৰ কাৰণ নহবও পাৰে ।

৪। কিছুমান ল'ৰা-ছোৱালী দৈহিক বেমেজালিৰ কাৰণেও অপৰাধ প্ৰৱণ হয় । Hadfield এ এনেধৰণৰ অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীক স্বাভাৱিক বা মেজাজী অপৰাধ প্ৰৱণতাৰ শাৰীত অন্তৰ্ভুক্ত কৰিছে । উদাহৰণ স্বৰূপে কিছুমান ছোৱালীয়ে ঋতু শ্ৰাৱৰ সময়ত অপৰাধ প্ৰৱণ আচৰণ প্ৰদৰ্শন কৰে ।

সামাজিক আৰু পাৰিপাৰ্শ্বিক কাৰণসমূহ ঃ

শিশুৰ শিক্ষাত বংশগতি আৰু পৰিবেশৰ ভূমিকা যিদৰে গুৰুত্বপূৰ্ণ সেইদৰে ব্যক্তিৰ বিকাশ সাধনতো এই দুই শক্তিৰ প্ৰভাৱ সুস্পষ্ট । ভাল পৰিবেশ আৰু বংশগতিয়ে যিদৰে শিশুৰ বিকাশ সাধনত সহায় কৰে সেইদৰে অৱস্থাই শিশুক ধ্বংসও কৰিব পাৰে । এই দৃষ্টি কোণৰ পৰাই বিশ্লেষণ কৰি চালে অনুপযুক্ত ঘৰুৱা পৰিবেশৰ কি কি বিলাক উপাদানে কিদৰে অপৰাধ প্ৰৱণতাত ইন্ধন যোগাব পাৰে সহজেই অনুমান কৰিব পাৰি ।

১। মাহীমাক বা দেউতাকৰ উপস্থিতি
২। ভাই-ককাইৰ মাজত হাই-কাজিয়া
৩। পিতৃ-মাতৃ স্নেহৰ অভাৱ
৪। অভিভাৱকে অধিক লাই দিয়া
৫। দৰিদ্ৰতাৰ বাবে শিশুৰ প্ৰয়োজনসমূহ অসম্পূৰ্ণ হোৱা ।
৬। অভিভাৱকে ল'ৰা-ছোৱালীৰ ভৱিষ্যতে উচ্চ অভিলাশ পূৰণ কৰা ।
৭। ল'ৰা-ছোৱালীৰ কৃতকাৰ্য্যতাক লৈ কাজিয়া কৰা ।
৮। বেলেগ পৰিয়ালৰ ল'ৰা-ছোৱালীৰ লগত

তুলনা কৰি নিজকে হীনমন্যতা বুলি বিবেচনা কৰাৰ ফলতো অপৰাধ প্ৰৱণতাই গা-কৰি উঠে ।

৯। বহুত মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালীৰ এটিক প্ৰশংসা কৰে আৰু বাকী বিলাকক গালি-শপনি পাৰে । ই এটা মৰাত্মক ভুল । এই ভুলৰ বাবেই বহুত ল'ৰা-ছোৱালীয়ে সমাজ বিৰ্গ-হিত আচৰণ প্ৰদৰ্শন কৰে । অতি ঢিলা আৰু অতি কঠোৰ ঘৰুৱা শাসনেও অপৰাধ প্ৰৱণতাত ইন্ধন যোগায় ।

১০। মাতৃ যৌন দোষযুক্ত বা চৰিত্ৰহীনতাও অপৰাধ প্ৰৱণতাৰ আন এটা কাৰণ হব পাৰে ।

১১। অভিভাৱকৰ মানসিক অস্বাভাৱিকতা ।

১২। মাক দেউতাকৰ মাজত হোৱা বিবাহ-বিচ্ছেদ ।

১৩। পিতৃ বা দেউতাক চাকৰিয়াল হোৱাৰ বাবে ল'ৰা-ছোৱালী উপযুক্তভাবে চোৱা-চিতাৰ অভাৱত তথা শাসনহীনতাত ।

ঘৰৰ বাহিৰৰ বা চাৰিও ফালৰ পৰিবেশৰ বিভিন্ন উৎসবোৰ হ'ল ঃ

১। ঘৰৰ চাৰিওফালৰ অনুকূল পৰিবেশ যেনে বেশ্যালয়, অসৎলোকৰ আড্ডাস্থান ইত্যাদি ।

২। যৌন উত্তেজনামূলক চিনেমা ।

৩। অপসমাযোজন কৰা ল'ৰা-ছোৱালী আৰু অন্যান্য অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীৰ সৈতে সংগ লোৱা ।

৪। কমবয়সীয়া ল'ৰা-ছোৱালীক কাৰখানা আৰু উদ্যোগ আদিত চাকৰিত অন্তৰ্ভুক্ত কৰা ।

৫। শিক্ষাৰ্থীক শিক্ষকে কৰা বেয়া ব্যৱহাৰ ।

৬। অনাকৰ্ষণীয় শিক্ষণ পদ্ধতি ।

৭। স্কুলত অনুশাসনহীনতা ।

৮। মনোৰঞ্জক সা-সুবিধাৰ অভাৱ ।

অপৰাধ প্ৰৱণতাৰ বাবে উপৰুক্ত কাৰণসমূহ যিদৰে জগৰীয়া ঠিক সেই দৰে তাতোতকৈও কেইটামান বৰ গুৰুত্বপূৰ্ণ ভূমিকাই অপৰাধ প্ৰৱণতাত ইন্ধন যোগায় আৰু সেইবাবেই এই বিলাকৰ বিষয়ে আলোচনা কৰিব বিচৰা হৈছে ।

ব্যক্তিৰ মানসিক আৰু আবেগিক বিকাশৰ ক্ষেত্ৰত ঘৰখনৰ ভূমিকা বিশেষ ভাৱে গুৰুত্বপূৰ্ণ । অসুস্থ পৰিবেশৰ ঘৰখনে অতি সহজেই শিশুৰ অপৰাধ প্ৰৱণতাত প্ৰভাৱ পেলায় । বিশেষজ্ঞসকলৰ মতে মাক বাপেকৰ প্ৰত্যাখান আৰু সন্তানৰ প্ৰতি তেওঁলোকৰ আদৰ যত্নৰ উদাসীনতা এই ক্ষেত্ৰত বিশেষ ক্ষতিকাৰক । অতিমাত্ৰা অনুশাসনশীলতা বা অনুশাসনহীনতা, পৰিয়ালৰ পৃথকীকৰণ বা ভগ্ন পৰিয়াল আদিত শিশুৰ অপৰাধ প্ৰৱণ মন গঢ়ি উঠিব পাৰে । তদুপৰি পৰিয়ালৰ লোকৰ মদ্যপান আৰু অনুশাসনহীনতা, অপৰিকল্পিত পৰিয়াল, অবাঞ্ছিত ল'ৰা-ছোৱালী আৰু নৈতিক মানহীনতা আদিকো ঘৰখনে যোগোৱা অপৰাধ প্ৰৱণতাৰ উল্লেখযোগ্য কাৰণ বুলিব পাৰি । মাক দেউতাকে অবাঞ্ছিত বুলি ভৱা ল'ৰা-ছোৱালী সদায় পিতৃ-মাতৃস্নেহৰ পৰা বঞ্চিত বুলি ভাবি বিদ্ৰোহী আৰু প্ৰতিশোধ পৰায়ণ হয় ।

ঘৰখনৰ লগত স্কুল বা বিদ্যালয়ো এই ক্ষেত্ৰত কম জগৰীয়া নহয় । স্কুলৰ অসুস্থ পৰিবেশে ছাত্ৰৰ অপৰাধ প্ৰৱণতা শক্তিশালী কৰি তোলে । অপৰাধ প্ৰৱণ ঘৰুৱা পৰিবেশৰ পৰা অহা ছাত্ৰই শিক্ষক আৰু শিক্ষানুষ্ঠানৰ কাৰ্য্যসূচীক সহজ ভাবে গ্ৰহণ কৰিব নোৱাৰে । এই ক্ষেত্ৰত শিক্ষকৰ সহানুভূতিহীনতা বা উদাসীনতাই ছাত্ৰৰ মনত সন্দেহ আৰু অসুস্থ মানসিকতাৰ সৃষ্টি কৰিব পাৰে । তদুপৰি স্কুলৰ কঠোৰ অনুশাসন শিক্ষকৰ নিৰ্ম্মম অত্যাচাৰ তথা শাস্তি প্ৰদান ব্যৱস্থাই অপৰাধ প্ৰৱণতাৰ বাবে যথেষ্ঠ ইন্ধন যোগায় ।

বিদ্যালয়ত ছাত্ৰৰ নিৰাপত্তাহীন বোধ অপৰাধ প্ৰৱণতাৰ আন এটা কাৰণ। তাৰোপৰি শিক্ষকৰ ছাত্ৰৰ প্ৰতি অসৎ ব্যৱহাৰ বা কঠোৰ সমালোচনা, পাঠ্যক্ৰমৰ অনাকৰ্ষণীয়তা, গতানুগতিক পাঠদান ব্যৱস্থা, খেলাধূলাৰ সা-সুবিধাৰ অভাৱ, অপৰিস্কাৰ অপৰিচ্ছন্ন নিয়মানুবৰ্ত্তিতাহীনতা, শিক্ষকৰ দায়িত্ব হীনতা আদিয়ে শিক্ষানুষ্ঠানক অপৰাধ প্ৰৱণ পৰিবেশত পৰিণত কৰে। বহু ছাত্ৰ-ছাত্ৰীয়ে বিশেষকৈ মাক বা দেউতাক নোহোৱা ছাত্ৰ-ছাত্ৰীয়ে শিক্ষক শিক্ষয়িত্ৰীৰ ওচৰতে মাক দেউতাকৰ মৰম বিচাৰে। তেনেক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী শিক্ষকৰ মৰমৰ পৰা বঞ্চিত হলেও নিৰাপত্তাহীনবোধ অনুশাসন-হীনতাবোধ কৰে আৰু ফলত স্কুলত মন নবহি পলায় আহিবলৈ বিচাৰে আৰু এইদৰেই অপৰাধ প্ৰৱণতাই গা কৰি উঠে।

আধুনিক সমাজৰ দ্ৰুত অগ্ৰগতিয়েও অপৰাধ প্ৰৱণতাত যথেষ্ট ইন্ধন যোগাইছে। নগৰ চহৰসমূহত শিল্পউদ্যোগ গঢ়ি উঠাৰ লগে লগে জনসংখ্যাৰ কামো বৃদ্ধি পাইছে। অপৰাধ প্ৰৱণতা সম্পৰ্কে কৰা অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে শিল্প উদ্যোগ আৰু বাণিজ্য প্ৰধান অঞ্চলৰ অস্বাস্থ্যকৰ ঠাইবোৰত অধিক সংখ্যক অপৰাধ প্ৰৱণ শিশুৰ সৃষ্টি হৈছে। এনে অঞ্চলত বাসকৰা অৰ্থনৈতিক দুৰৱস্থা পীড়িত লোকৰ অধিক জন্ম আৰু মৃত্যুৰ হাৰ, চিকিৎসা আৰু শিক্ষা ব্যৱস্থাৰ অভাৱত মাক-দেউতাক বা পৰিয়ালৰ লোকৰ মানসিক মানদণ্ডহীনতা, জীৱিকা উপাৰ্জনৰ বাবে দিনে-ৰাতিয়ে ঘূৰি ফুৰা বা ব্যস্ত থাকিব লগাত সন্তানৰ প্ৰতি চকু দিব নোৱাৰা আদি শিল্প উদ্যোগ আৰু বাণিজ্য ব্যৱসায় প্ৰধান চহৰ বোৰত এশ এবুৰি কাৰণে অপৰাধ প্ৰৱণতাৰ মাত্ৰা বৃদ্ধি পাইছে। আনহাতে বৰ্ত্তমান সন্তানৰ শিক্ষিত যুৱকৰ নিৱনুৱা সমস্যা, লেতেৰা ৰাজনৈতিক বাতাবৰণেও যুৱক-যুৱতীৰ মনত অপৰাধ প্ৰৱণতা ভাবৰ সৃষ্টি কৰা দেখা যায়। তেওঁলোকে জীৱনৰ অনিশ্চয়তা, ব্যৰ্থতা, হতাশ লক্ষ্যহীনতা আদিৰ ফলত ধংসাত্মক আৰু অপৰাধমূলক কাম কৰিবলৈ সংকোচ নকৰে।

অপৰাধ প্ৰৱণতাৰ আন এটা উল্লেখযোগ্য কাৰণ হিচাপে বংশগতিৰ অৱদানো সৰ্ব্বস্বীকাৰ্য্য। মনোবিজ্ঞান সন্মতভাবে ব্যক্তিয়ে বহুখিনি দৈহিক-মানসিক আৰু আবেগিক দোষ-ত্ৰুটি মাক-বাপেকৰ পৰা উত্তৰাধিকাৰ হিচাপে লাভ কৰে। ইয়াৰ ভিতৰত নিকৃষ্ট বংশৰ পৰিয়ালৰ পৰা পোৱা নিম্ন মান বিশিষ্ট বুদ্ধি বৃত্তি, আৰু দৈহিক যোগ্যতা, শিক্ষা অভিজ্ঞতা আহৰণৰ অক্ষমতা আদি উল্লেখযোগ্য। তদুপৰি কিছুমান ব্যক্তিত্বৰ সংলক্ষণ যেনে অত্যাধিক আবেগিক উত্তেজনা, অতিমাত্ৰা যৌন লালসা আৰু গভীৰ বিদ্ৰোহৰ মনোভাব আদি বংশ গতিৰ এনেবোৰ প্ৰভাৱ বহু সময়ৰ ব্যক্তিৰ অপৰাধ প্ৰৱণতাৰ কাৰণ হৈ উঠিব পাৰে।

কিন্তু এই সকলোবিলাক প্ৰভাৱৰ ভিতৰত পৰিবেশৰ প্ৰভাৱ অধিক শক্তিশালী। পৰিবেশৰ সুস্থ প্ৰভাৱে বংশগতিৰ কুপ্ৰভাববোৰ বহু পৰিমাণে হ্ৰাস কৰিব পাৰে। কাৰণ অপৰাধ প্ৰৱণতা এবিধ শিক্ষা লব্ধ প্ৰতিক্ৰিয়া ইয়াক গঢ় দি তোলা হয় ই জন্ম লব্ধ নহয় যেনেকৈ কোৱা হয় Delinquency is made and not born.

সৰ্ব্বশেষত নিৰ্দ্দেশনাৰ অভাৱও অপৰাধ প্ৰৱণতাৰ আন এটা উল্লেখযোগ্য কাৰণ হিচাপে ধৰিব পাৰি।

অপৰাধ প্ৰৱণতাৰ শ্ৰেণীকৰণ :—

মনোবিদসকলে অপৰাধ প্ৰৱণ লোকসকলৰ চাৰিটা ভাগত বিভক্ত কৰিছে। প্ৰথম— মুক্ত

অপৰাধী, দ্বিতীয়— অত্যন্ত স্থাপিত ধৰ্ম্মমত বিৰোধী, তৃতীয়— কমপৰিমাণে স্থাপিত ধৰ্ম্মমত বিৰোধী অপৰাধী আৰু চতুৰ্থ— অসৎ আচৰণ যুক্ত অপৰাধী ।

প্ৰথম শ্ৰেণীৰ অপৰাধী পৰিয়ালৰ দ্বাৰা ত্যজিত বিদ্যালয়ৰ পৰা বহিস্কৃত আৰু তেওঁলোক প্ৰায়ে সংশোধক বিদ্যালয়ৰ সৈতে সমন্ধ স্থাপন কৰিব বিচাৰে । তেওঁলোকে কৰা অপৰাধসমূহৰ প্ৰকৃতি ভয়ঙ্কৰ ডকাইটি, ধৰ্ষণ, সিন্ধি দিয়া, মাৰ-পিট, অসভ্যালি আদি উল্লেখযোগ্য । সমাজে এই অপৰাধী সকলক একেবাৰে গ্ৰহণ নকৰে । ইয়াৰ ফলত এই শ্ৰেণীৰ অপৰাধীবিলাকে বিশ্বখনকে ভাল নেপায়, অপৰাধমূলক কাম কৰি গৌৰৱ বোধ কৰে, সমাজখনক দুৰ্ব্বল বুলি ত্যচ্ছিল্য কৰে ।

স্থাপিত ধৰ্ম্মমত বিৰোধী অপৰাধীসকলে নৈতিক মূল্যায়ণ কৰিব নোৱাৰে আৰু সকলো ক্ষেত্ৰতে তেওঁলোকৰ দোমোজা বা আঁউল লাগে আনকি তেওঁলোকে নিজৰ বিষয়েও শুদ্ধ ধাৰণা কৰিব নোৱাৰে । তেওঁলোকে কৰা প্ৰধান অপৰাধসমূহ হৈছে চুৰি, ডকাইটি আৰু কেতিয়াবা নৰহত্যাৰ দৰে অপৰাধো কৰে । ঘৰ আৰু স্কুলৰ বাবে তেওঁলোক কেতিয়াও নিৰ্ভৰযোগ্য বা বিশ্বাসী হব নোৱাৰে কিন্তু সেই বুলি ঘৰৰ পৰা একেবাৰে পৰিত্যজও নহয় । এনেলোকলৈ সঘনেই পুলিচৰ ৱাৰ্নিং আহে স্কুলৰ পৰা বৰ্খাস্ত কৰে আৰু কিছুমান অনুষ্ঠানে এওঁলোকৰ চিকিৎসা কৰিব পাৰে । এওঁলোক মানসিক, আবেগিক আৰু সামাজিক ভাবে গতাইত ।

তৃতীয় শ্ৰেণীৰ অপৰাধীৰ স্থাপিত ধৰ্মমত বিৰোধীতা কম পৰিমাণৰ । এওঁলোকে কোনো স্কুল, গীৰ্জ্জা বা পৰিয়ালৰ পৰা পৃথক হৈ থাকিব নিবিচাৰে আৰু নিজকে অপৰাধী বুলি গণ্য নকৰে । তেওঁলোকে কৰা অসৎ আচৰণবোৰৰ ভিতৰত চুৰি, বিনা অনুমতিত গাড়ীত ভ্ৰমণ কৰা, চিগাৰেট খোৱা, অসভ্যালি কৰা আৰু সাধাৰণ গুণ্ডামী আদি উল্লেখযোগ্য । তেওঁলোক সহনশীল কিন্তু স্বীকৃত নহয় । তেওঁলোকে স্কুল আৰু মাক দেউতাকৰ দ্বাৰা অনুশাসিত আৰু সাধাৰণতে নৈতিক মূল্যায়ণ গ্ৰহণ কৰে । তেওঁলোকে নিজকে কম বেচি পৰিমাণে দোষী বুলি বিবেচনা কৰে ।

চতুৰ্থ শ্ৰেণীৰ অপৰাধীসকলে বেয়া ব্যৱহাৰ বা আচৰণ কৰে যদিও এওঁলোকে পৰিয়াল, গীৰ্জ্জা, স্কুল আৰু কৃতু পক্ষৰ সৈতে সমন্ধ ৰাখে । এওঁলোকে ধৰ্মালম্বী লোকৰ সৈতে বন্ধুত্ব স্থাপন কৰে কিন্তু প্ৰথম তিনিটা শ্ৰেণীৰ অপৰাধীয়ে অপৰাধ প্ৰৱণলোকৰ লগত বন্ধুত্ব স্থাপন কৰে ।

অপৰাধীৰ সংখ্যা ঃ

অপৰাধীৰ সংখ্যা নিৰ্দ্ধাৰণ কৰোঁতে সহজে কৰিব নোৱাৰি । কাৰণ বিভিন্ন ৰাজ্যত বিভিন্ন পদ্ধতিৰে অপৰাধীৰ সংখ্যা নিৰ্ণয় কৰি অভিলেখ স্থাপন কৰে আনকি একেখন ৰাজ্যতে সময়ে সময়ে পদ্ধতিৰ সলনি কৰা হয় যাতে বিভিন্ন বয়সৰ অভিলেখসমূহ তুলনা কৰা নহয় । যি কি নহওক বিভিন্ন সূত্ৰ বা উৎসৰ পৰা অভিজ্ঞসকলে এক বৌদ্ধিক অভিলেখ নিৰ্দ্ধাৰণ কৰি উলিয়াইছে । নিম্নোক্ত লেখচিত্ৰত (১৯৪০-১৯৬০) সমগ্ৰদেশৰে দুটা দশকৰ অপৰাধীৰ সংখ্যা নিৰ্ণয় কৰিছে । উক্ত চিত্ৰত পোন ৰেখাই অপৰাধীৰ সংখ্যা বুজাইছে আৰু ১৯৪০ চনৰ পৰা ৰেখাডালক দুটা ভাগত বিভক্ত কৰা হৈছে ।

1. Traffic violations included




2. Traffic violations excluded
বয়স—১০—১৭ বছৰ ।

১৯৪৬ চনত অপৰাধীৰ সংখ্যা পোৱা হৈছিল ৩০০,০০ সেইদৰে ১৯৫৪ চনত প্ৰায় ২০ মিলিয়ন অপৰাধীৰ সংখ্যা পোৱা হৈছিল । গতিকে এইটো স্পষ্ট হৈ পৰিছে যে কৈশোৰৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে অপৰাধীৰ সংখ্যা তীব্ৰ গতিৰে আগবাঢ়িছে । দ্বিতীয় মহাযুদ্ধৰ ঠিক আগা-পিছাকৈ এই সময়ছোৱাতে প্ৰথম অপৰাধ প্ৰৱণতাই দেখা দিছিল যদিও যুদ্ধৰ পৰা ঘূৰি অহা সৈনিকসকলৰ ক্ষেত্ৰত এই পৰিৱৰ্তন তীব্ৰ হোৱা নাছিল । সম্ভৱত যুদ্ধ সম্পৰ্কীয় গল্প আৰু চিনেমা, সঘনে ঠাই সলাই ফুৰিব লগা অৱস্থাই কম পৰিমাণে সৈন্যসকলক পৰিদৰ্শন কৰা আৰু অবিৰত ভাৱে জিৱণি বিহীন অৱস্থাই সেই স্তৰৰ পুৰুষসকলক প্ৰভাৱ বিস্তাৰ কৰিছিল । সেয়েহে হয়তু ১৯৪০ আৰু ১৯৫০ চনলৈকে অপৰাধৰ হাৰ কমি আছিল কিন্তু পুনৰ এই হাৰ যথেষ্ঠ বৃদ্ধি পায় । যুদ্ধৰ শেষৰ ফালে অপৰাধৰ হাৰ প্ৰায় ৫ বছৰৰ বাবে কমি গৈছিল যদিও ই পুনৰ বৰ্দ্ধিত হাৰত আগবাঢ়ে আৰু বৰ্ত্তমানে তীব্ৰ গতিত আগবাঢ়িছে । দেখা যায় যে এই শতিকাৰ মাজ ভাগতেই মুঠ জনসংখ্যাৰ প্ৰায় ২০% অপৰাধীয়ে বিচাৰৰ সম্মুখীন হব লগা হৈছিল । গতিকে অপৰাধ প্ৰৱণতা এটা সাধাৰণ ঘটনা হিচাপে পৰিগণিত হৈছে ।

অপৰাধ প্ৰৱণতাৰ প্ৰতিৰোধ ঃ—

ব্যক্তিৰ অপৰাধ প্ৰৱণতা কাচিৎহে আৰোগ্য হয় । প্ৰমাণ স্বৰূপে বহু বছৰৰ আগতে কৰা অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে ১০০০ অপৰাধীক অধ্যয়ন কৰোতে প্ৰায় ১৫ বছৰ প্ৰয়োজন হৈছিল । তেওঁলোকক যথাক্ৰমে তিনিটা ৫ বছৰীয়া স্তৰত ২৫৫১, ২১৯৪ আৰু ১৪১৯ তিনিটা ভাগত ভাগ কৰা হৈছিল । সৰ্ব্বস্থ তিনিওটা পিৰিয়দতে

প্ৰত্যেক ব্যক্তিৰ বিষয়ে শতকৰা ২·৫ ভাগকৈহে জানিব পৰা গৈছিল। এইদৰেই অপৰাধ প্ৰৱণতাক প্ৰতিৰোধ কৰাটো যথেষ্ট কষ্টসাধ্য।

অপৰাধী ব্যক্তিক সংশোধন কৰাটো অসম্ভৱ এই কাৰণেই যে অপৰাধীজনৰ কাৰণে তেওঁৰ জীৱন ধাৰণৰ প্ৰক্ৰিয়াটো অধিক সন্তোষজনক। ব্যক্তিৰ সেই আচৰণে নিজে বিচৰা মতে প্ৰয়োজনীয় সকলো পায়, ই বন্ধুবৰ্গৰ মাজত তেওঁলৈ সন্মান কঢ়িয়াই আনে, ই তেওঁৰ প্ৰবৃত্তিসমূহ সন্তোষিত কৰি তোলে, ই তেওঁক অবহেলা আৰু অগ্ৰাহ্য কৰা সকলক প্ৰতিশোধ লবলৈ অনুমতি দিয়ে আৰু ই তেওঁৰ ব্যক্তিত্বৰ লগত মিলি যায়। তেওঁৰ বাবে এই জীৱনেই আটাইতকৈ সুন্দৰ আৰু সেয়েহে আনৰ সুন্দৰ জীৱনবোৰ তেওঁৰ ভাল নেলাগে। বিশেষ ধৰণৰ অপৰাধীবোৰে সেই কাৰণেই কেতিয়াও সংশোধন হব নিবিচাৰে। তাৰবাবে এনে ব্যক্তিয়ে কাৰো ওচৰত ধৰা নিদিয়ে। এনে ব্যক্তিক কাচিৎহে মৰমেৰে বশ কৰিব পাৰি, কিয়নো ইতিমধ্যে তেওঁৰ মৰম দিয়া-লোৱাৰ ক্ষমতা হেৰাই গৈছে। স্কুল আৰু শিক্ষাৰ প্ৰতি থকা ঘৃণা ভাৱে তেওঁক শিক্ষা আহৰণৰ পৰা পৰিত্ৰাণ কৰে।

আগতেই উল্লেখ কৰি অহা হৈছে যে ব্যক্তিৰ অপৰাধ প্ৰৱণতাৰ প্ৰতিকাৰ কৰাটো যথেষ্ট কঠিন কাম। ইয়াৰ প্ৰতিকাৰৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ অসুবিধা হৈছে যে অপৰাধ-প্ৰৱণ ব্যক্তিয়ে নিজকে সম্পূৰ্ণ স্বাভাৱিক বুলি ভাবে আৰু সেয়েহে কোনো চিকিৎসাৰ প্ৰয়োজনীয়তা বোধ নকৰে। এনে জটিল মানসিকতাৰ পৰিপ্ৰেক্ষিতত অপৰাধ প্ৰৱণ ব্যক্তিৰ চিকিৎসাৰ পৰিবৰ্তে এওঁলোকৰ অপৰাধ প্ৰৱণ পৰিবেশৰ উন্নতি সাধনৰ প্ৰচেষ্টা চলোৱাটোহে অধিক ফলদায়ক ব্যৱস্থা বুলি ক'ব পাৰি। পৰিবেশৰ সুস্থতাই অপৰাধ প্ৰৱণতাৰ মাত্ৰা যথেষ্ট হ্ৰাস কৰিব পাৰে। এই ক্ষেত্ৰত গৃহ, শিক্ষানুষ্ঠান আৰু অন্যান্য সামাজিক পৰিবেশৰ পৰিবৰ্তন আৰু আৱশ্যকীয় উন্নতি সাধন কৰিবৰ বাবে কেতবোৰ পৰামৰ্শ আগবঢ়াব পাৰি।

১। গৃহ পৰিবেশত অপৰাধ প্ৰৱণ শিশুৰ প্ৰতি মাক বাপেকৰ দৃষ্টিভংগী আৰু মনোভাব সহানুভূতিশীল আৰু আন্তৰিকতাপূৰ্ণ হোৱা উচিত। তেওঁলোকৰ ৰূঢ় আচৰণে যাতে সন্তানৰ আবেগিক ক্ষতিসাধন কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

২। মৰম স্নেহ ভাল পোৱা, নিৰাপত্তা, স্বাধীনতা, আত্মসন্মান বোধ আদি শিশুৰ আবেগিক প্ৰয়োজনীয়তাবোৰ গৃহ পৰিবেশত ভালদৰে পূৰণৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। এইবিলাকৰ স্বাভাৱিক পূৰণত ব্যৰ্থ হৈ সংঘাত আৰু মানসিক জটিলতাৰ উদ্ভৱ হবলৈ দিব নেলাগে।

৩। শিশুক কোনো সময়তেই মাক-বাপেকে অকলশৰীয়া হবলৈ দিব নেলাগে।

৪। পৰিয়ালৰ বিভিন্নলোকৰ মাজত আবেগিক বুজা পৰা আৰু পাৰস্পৰিক প্ৰীতিভাৱ অক্ষুণ্ণ ৰখা দৰ্কাৰ। পৰিয়ালৰ এনে ভাবৰ অভাৱে শিশুক অতি সোণকালে বিপদগ্ৰস্ত কৰি তোলে।

৫। সময়ে সময়ে জন্মোৎসৱ পালন, পাৰিবাৰিক বনভোজ, চুটিৰ দিনত দূৰ ঠাই ভ্ৰমণ, উৎসৱ আদিত যোগদান, সংগীত চৰ্চা, খেলা-ধূলা আদিৰ ব্যৱস্থা ঘৰখনেই কৰিব পাৰে।

৬। পৰিয়াল বৰ্গৰ চাল-চলন, আচাৰ-ব্যৱহাৰ, শিষ্টাচাৰে শিশুক যথেষ্ট আদৰ্শ দেখুৱাব পাৰে।

৭। ঘৰখনৰ দৰে শিক্ষানুষ্ঠান তথা শিক্ষকৰো বহুখিনি দায়িত্ব আছে। প্ৰত্যেক ল'ৰা-ছোৱালীয়েই যাতে কৃতকাৰ্য্যতামূলক কামত লিপ্ত থাকিব পাৰে সেই উদ্দেশ্যে বিভিন্ন ধৰণৰ বিভিন্ন অভিজ্ঞতা মূলক কাম-কাজ যেনে শিল্প, কলা, সংগীত খেলা-ধূলা আদি ভিন্ন ৰুচিৰ কাৰ্য্যসমূহ আগবঢ়াব লাগে।

৮। প্ৰত্যেক ল'ৰা-ছোৱালীৰ শাৰীৰিক, মানসিক শক্তিৰ বৃদ্ধি লৈ এইবিলাকে বিকাশ সাধন আৰু স্বীকৃতি পোৱাত সহায় কৰাকৈ সামাজিক, আবেগিক, কলাত্মক আৰু বৌদ্ধিক গুণ সমূহৰ বিকাশ লাভৰ বাবে প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিব লাগে।

৯। অনাৱশ্যকীয় পৰাজয় নোহোৱাকৈ কৌশল আৰু জ্ঞান লাভৰ বাবে শিক্ষা ব্যৱস্থাই সহায় কৰিব লাগে। তদুপৰি কোনো শিক্ষাৰ্থীয়ে যাতে নিজকে হীনমন্য আৰু অনুপযুক্ত বুলি ভাবিবলৈ সুবিধা নেপায় তাৰ বাবে সচেতন হ'ব লাগে।

১০। সামাজিক সৃষ্টিমূলক দিশত লিপ্ত হোৱা শিক্ষাৰ্থীয়ে যাতে বিজ্ঞান সম্মত ভাৱে মানৱ সম্পৰ্ক স্থাপনত সন্তোষ লাভ কৰিবলৈ সুবিধা পায় এই ক্ষেত্ৰত উপযুক্ত নিৰ্দ্দেশনাৰ প্ৰয়োজন।

১১। শিক্ষাৰ্থীৰ স্বাভাৱিক আবেগিক প্ৰতিক্ৰিয়াৰ প্ৰতি সুবিধা প্ৰদান কৰিব লাগে আৰু সৰুসুৰা কু-আচৰণৰ বাবে কোনোধৰণৰ মন্তব্য প্ৰকাশ কৰিব নেলাগে।

১২। শ্ৰেণীত কোনো ধৰণৰ প্ৰকাশ কৰা অপৰাধ প্ৰৱণ আচৰণৰ বাবে কোনো ধৰণৰ আমনি দিব নেলাগে বৰং উদ্দেশ্য প্ৰণোদিত ভাবে আৰু বুজা-বুজিৰ মাজেৰে অপৰাধীৰ দৃষ্টিভংগীৰে বিষয়টো লক্ষ্য কৰি সমস্যা সমাধানৰ চেষ্টা কৰিব লাগে।

১৩। শিক্ষানুষ্ঠানৰ স্বাভাৱিক অনুশাসন ব্যৱস্থা আৰু নীতি নিয়ম আদি অপৰাধ প্ৰৱণ ছাত্ৰ ছাত্ৰীৰ বাবে কিছু শিথিল কৰি দিব লাগে। এওঁলোকৰ ক্ৰিয়া আচৰণ স্বাভাৱিক ছাত্ৰসকলৰ মান দণ্ডৰে বিচাৰ কৰিব নেলাগে।

১৪। এনে ছাত্ৰৰ বাবে শৰীৰ শিক্ষা, যৌন শিক্ষা আৰু নৈতিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। পাঠ্যক্ৰমৰ গতানুগতিকতা পৰিহাৰ কৰি নতুনত্ব দান কৰিব লাগে।

১৫। এনে ছাত্ৰৰ গৃহ পৰিবেশ আৰু অভিভাৱকৰ লগত শিক্ষকে ঘনিষ্ট সম্বন্ধ ৰাখিব লাগে।

১৬। অপৰাধ প্ৰৱণ সামাজিক পৰিবেশৰ যাতে সৃষ্টি হব নোৱাৰে তাৰ বাবে চৰকাৰে প্ৰয়োজনীয় আইন প্ৰণয়ণৰ ব্যৱস্থা কৰিব লাগে।

১৭। ৰাগীয়াল বস্তু পাণ কৰা, বেশ্যা বৃত্তি অবলম্বন কৰা, অসুস্থ উত্তেজনামূলক কথাছবি প্ৰদৰ্শন কৰাত বাধা দিব লাগে। অস্বাস্থ্যকৰ ঘনবসতিপূৰ্ণ আৰু নিম্ন মানবিশিষ্ট শ্ৰেণীৰ লোকৰ জনস্বাস্থ্য আৰু শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

১৮। জনসংখ্যা নিয়ন্ত্ৰণ আন এটা উল্লেখযোগ্য পৰামৰ্শ।

১৯। শিক্ষিত যুৱক, ছাত্ৰ, কৰ্ম্মচাৰী, গৃহিনী, শিক্ষাবিদ, সমাজ-সংস্কাৰক সকলে সামাজিক অনুষ্ঠানৰ

( ১২ পৃষ্ঠাত চাওঁক )

# ৰজনীকান্ত বৰদলৈৰ উপন্যাস ঃ
## বৈশিষ্ট্য আৰু কলা-কৌশল

শ্ৰীমতী জ্যোতি প্ৰভা দাস
স্নাতক ২য় বাৰ্ষিক

বৈশিষ্ট্য ঃ—

বৰদলৈৰ উপন্যাসৰাজিৰ কিছুমান বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যবিলাক মন কৰিবলগীয়া। 'মিৰিজীয়ৰী' আৰু 'থাম্বা থোইবীৰ সাধুকথা''ৰ বাদে বাকী কেইখন উপন্যাস বুৰঞ্জীমূলক। সিও অসম বুৰঞ্জীৰ ঘটনালৈহে লিখা, আৰু তাৰ ভিতৰতো সৰহ-খিনিয়েই মানৰ দিনৰ ঘটনা সম্পৰ্কীয়। "ৰাধা ৰুক্মিণীৰ ৰণ" আৰু 'দন্দুৱা দ্ৰোহ'ৰ বাহিৰে বাকী কেইখন বুৰঞ্জীমূলক উপন্যাসৰ প্ৰায়বোৰ প্ৰধান চৰিত্ৰ কাল্পনিক, কেৱল পটভূমিহে ঐতিহাসিক। অসমৰ প্ৰসিদ্ধ বুৰঞ্জীমূলককাহিনী কেইটামানৰ লগত কাল্পনিক চৰিত্ৰবোৰৰ ঘনিষ্ঠ সম্পৰ্ক দেখুৱাই প্ৰায়কেইখন উপন্যাসৰে কাহিনী ৰচনা কৰা হৈছে। উদাহৰণ স্বৰূপে, মানৰ অসম আক্ৰমণৰ পটভূমিত ৰচিত "মনোমতী" উপন্যাসৰ লক্ষ্মীকান্ত, শান্তিৰাম, মনোমতী, পদুমী আদি প্ৰধান চৰিত্ৰ কেইটিমান কাল্পনিক। সেইদৰে 'নিৰ্ম্মল ভকত''ৰো প্ৰায় কেইটা চৰিত্ৰ কাল্পনিক। কেৱল উপন্যাসৰ পট-ভূমি বুৰঞ্জীমূলক হোৱা বাবে আৰু সেই পট-ভূমিৰ লগত প্ৰধান চৰিত্ৰসমূহৰ ঘনিষ্ঠ সম্বন্ধ থকা হেতুকেই উপন্যাস কেইখনক বুৰঞ্জীমূলক বুলি ক'ব পাৰি। বৰদলৈ হৈছে প্ৰেম আৰু সৌন্দৰ্য্যৰ উপাসক। গতিকে প্ৰেমেই উপন্যাস কেইখনৰ মূল বিষয় বস্তু। বৰদলৈ ভাওৰীয়াই তেওঁৰ উপন্যাসৰ নায়ক-নায়িকাক অকপট আৰু পবিত্ৰ ভাৱে অঙ্কন কৰিছে আৰু লগতে তাত একোজনকৈ প্ৰতিদ্বন্দী অৱতাৰণা কৰিছে। প্ৰতি-দ্বন্দী অৱতাৰণা কৰিছে যদিও শেষত প্ৰেমৰেই জয় হৈছে। নায়ক নায়িকাৰ দেহজ-প্ৰেমে হয় মিলনত পৰিণতি লাভ কৰিছে, নহয় আধ্যাত্মিক স্তৰলৈ গতি কৰিছে। কেইবাখনো উপন্যাসত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱ পৰা দেখা যায়। আনহাতে দেশ-প্ৰেম বৰদলৈ উপন্যাসৰ অন্যতম প্ৰধান উৎস। উপন্যাসত যতেই যেনেকৈ সুবিধা পাইছে তাতেই তেওঁ অসমীয়া জীৱনৰ বিভিন্ন চিত্ৰ, বিহুৰ নিচিনা বিভিন্ন উৎসৱৰ কথা বৰ্ণনা কৰিছে। বৰদলৈ-দেৱৰ উপন্যাসৰ চৰিত্ৰবোৰ সহজ-সৰল আৰু পুৰুষ চৰিত্ৰতকৈ নাৰী চৰিত্ৰইহে বেছিকৈ প্ৰাধান্য লাভ কৰিছে। চৰিত্ৰৰ দৰে সংলাপবিলাকো পোন-পটীয়া ধৰণৰ। উপন্যাস কেইখনত চৰিত্ৰৰ অন্ত-দ্বন্দতকৈ ঘটনাৰ বহিঃসংঘাতেই প্ৰাধান্য লাভ কৰিছে আৰু এনে হোৱাত চৰিত্ৰৰ বিকাশত সহায় কৰিছে। কাহিনীৰ আকৰ্ষণ বঢ়াবৰ কাৰণে ঔপন্যাসিকে মাজে মাজে নাটকীয় পৰিস্থিতিৰ সৃষ্টি

কৰিছে। উপন্যাস কেইখনত এনেবিলাক গুণ থকাৰ কাৰণে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই বৰদলৈ ডাঙৰীয়াক "the most large-hearted and the most felicitious of our novelists" বুলি প্ৰশংসা কৰিছে।

উল্লেখিত উপন্যাসবাজিৰ ওপৰিও "ভেলাই শৰ্মা" নামেৰে এখনি হাস্য-ব্যঙ্গাত্মক ৰচনাৰ পুথি আৰু ভালেমান গল্প প্ৰবন্ধ প্ৰকাশ কৰে। তেওঁ "অসম প্ৰদীপিকা" নামেৰে এখন আলোচনীও এবছৰৰ অধিক কাল সম্পাদনা কৰে। বৰদলৈৰ ঐতিহাসিক উপন্যাস সমূহলৈ লক্ষ্য কৰি কোনো কোনো লোকে তেওঁক 'উপন্যাস সম্ৰাট' বুলি আখ্যা দিছে। আকৌ অসমীয়া উপন্যাসৰ বংকিমচন্দ্ৰ বা স্কট্ (Scott) আদি উপাধিৰেও বিভূষিত কৰিছে। সঁচাকৈয়ে তেওঁ অসমীয়া উপন্যাসৰ পিতা স্বৰূপ। কিয়নো বৰদলৈয়ে অতীত অসমৰ প্ৰসিদ্ধ ঘটনা, গৌৰৱময় কাহিনী, বিশেষকৈ মানৰ দিনৰ ৰাজনৈতিক বিপৰ্য্যয়ত জুৰুলা হোৱা অসমীয়া ৰাইজ আৰু তেওঁৰ পূৰ্ব্ব-পুৰুষসকলৰ দুখ-দুৰ্গতিৰ কাহিনী ৰূপায়িত কৰিবলৈ প্ৰধানকৈ ঐতিহাসিক উপন্যাস ৰচনাত মন দিছিল।

বৰদলৈদেৱৰ উপন্যাসবোৰ বিভিন্ন সময়ত ৰচিত হোৱা দেখা যায়। সেই উপন্যাসবোৰে তেওঁৰ জীৱনৰ ভিন-ভিন অভিজ্ঞতাৰ স্বাক্ষৰ বহন কৰি আহিছে। তেওঁৰ ৰচিত উপন্যাসসমূহ হ'ল "মিৰি জীয়ৰী" (১৮৯৫), "মনোমতী" (১৯০০), "দন্দুৱা দ্ৰোহ" (১৯১৯), "তাম্ৰেশ্বৰী মন্দিৰ" (১৯২৫), "নিৰ্ম্মল ভকত" (১৯২৬), "ৰহদৈ লিগিৰী" (১৯৩০) আৰু "ৰঙিলী" (১৯৩৫)।

"খাম্বা-থোইবী" মূলতঃ এখন সাধুকথা বুলি জনা গলেও অথবা ইয়াত অলৌকিকতাৰ সুস্পষ্ট ছাপ থাকিলেও কাহিনীটোত উপন্যাসৰ লক্ষণো বিৰাজ কৰিছে। মণিপুৰীসকলৰ পৌৰাণিক আখ্যান এটিৰ অৱলম্বনত লিখা "খাম্বা-থোইবী" ১৯৩২ চনত আৱাহনত প্ৰকাশ পায়।

বৰদলৈৰ প্ৰথম আৰু একমাত্ৰ সামাজিক উপন্যাসখন হ'ল "মিৰি জীয়ৰী"। এটি অঞ্চল তথা সোৱণশিৰীৰ পাৰৰ মিৰিসকলৰ সামাজিক আৰু ধাৰ্মিক জীৱনৰ চিত্ৰ অঙ্কন কৰা বাবে এইখন

---

( ১০ পিঠিৰ শেষৰ অংশ )

জৰিয়তে এই ক্ষেত্ৰত বহুতো কৰিব লগীয়া আছে।

অপৰাধ প্ৰৱণতা যিহেতু এক সামাজিক ব্যাধি, গতিকে ই কেৱল ঘৰখনকেই অশান্তিময়, ধ্বংসমুখী কৰি নোতোলে, ই গোটেই সমাজ তথা জাতিটোৰ বাবে ধ্বংসাত্মক, ব্যাপক ব্যাধি যাৰ প্ৰাথমিক অৱস্থাতেই প্ৰতিকাৰ কৰিব নোৱাৰিলে এখন আদৰ্শ প্ৰগতিশীল সমাজৰ প্ৰগতিৰ প্ৰতি পদক্ষেপতে বাধাৰ সৃষ্টি কৰি থাকিব। সেয়েহে চৰকাৰৰ প্ৰচাৰযন্ত্ৰ, বাতৰি কাকত, কথাছবি, টেলিভিছন, শিক্ষাবিদ, মনোবিদ, শিক্ষক, সমাজ সংস্কাৰক আৰু অভিভাৱকৰ সহযোগিতা আৰু সচেতনতা, দায়িত্ব আৰু কৰ্ত্তব্য অপৰাধ প্ৰৱণতাৰ প্ৰতিকাৰ আৰু নিবাময়ৰ মহৌষধ। □


সহায়ক গ্ৰন্থপঞ্জী

(1) Advanced Educational Psychology — S.S. Chauhan

(2) Educational Psychology — Dr. S.S. Mathur.

(3) Psychology of Adolescence — H. Cole.

(4) শিক্ষা মনোবিজ্ঞান— ডিব্ৰুগড় বিশ্ব বিদ্যালয়ৰ ডিগ্ৰী পাঠ্যক্ৰম।

(5) শিক্ষা মনোবিজ্ঞান — সুশীল ৰায়।

পন্যাসক আঞ্চলিক উপন্যাস (Regional-ovel) বুলিও আখ্যা দিয়া হয়। বৰদলৈৰ এই চনা কেইখনত হেমচন্দ্ৰ বৰুৱাৰ ৰচনাৰ দৰে ঙ্গৰ তীব্ৰতা নাইবা বেজবৰুৱাৰ দৰে হাস্য-ৰসাত্মক সবলতা নাই যদিও সম সাময়িক অস-মীয়া সমাজ খনৰ কেইটিমান হুবহু চিত্ৰ আৰু লেখকৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা ৰচনা কেই-খনত স্পষ্টভাৱে প্ৰকাশ পাইছে।

বৰদলৈৰ উপন্যাসৰ অন্যতম প্ৰধান বৈশিষ্ট্য হ'ল—তেওঁৰ ভাষা আওপকীয়া নহয়। সহজ সৰল তেওঁৰ বাক্যৰ গঠন ৰীতিত কেতিয়াবা কেতিয়াবা কামৰূপী ঠাঁচ পৰিলক্ষিত হয়।

বৰদলৈদেৱে কলিকতাত পঢ়ি থকা অৱস্থাতে উপ-ন্যাস লিখাত মন মেলিছিল। তেওঁৰ মনৰ খোৰাক যোগাইছিল বঙালী ঔপন্যাসিক বংকিম চন্দ্ৰ চট্টোপাধ্যায় আৰু ইংৰাজ ঔপন্যাসিক চাৰ ৱাল্টাৰ স্কট্‌ৰ বুৰঞ্জীমূলক উপন্যাসৰাজিয়ে। বৰদলৈদেৱে অসমৰ নদ-নদী, নিজৰা, বিল, পুখুৰী, পাহাৰ, জাবণি এই সকলো দৃশ্য দেখি চাৰ ৱাল্টাৰ স্কট্‌ৰ আৰু বংকিম চন্দ্ৰ চট্টো-পাধ্যায়ৰ high land, low land, hills, dales, lakes আদিলৈ মনত পৰিছিল। ঔপ-ন্যাসিকক ঔপন্যাস ৰচনাত অসমৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বুৰঞ্জীমূলক ঘটনা আদিয়েই যে সম্বল যোগাইছিল এনে নহয়, পৰ্ব্বত পাহাৰ, গাঁৱ-ভূঁই, হাবি-বন ইত্যাদি বিলাকেও সৌন্দৰ্য্যৰ ৰূপ দিয়াত সহায় কৰিছিল। "দন্দুৱা দ্ৰোহ" এই ক্ষেত্ৰত প্ৰণিধান যোগ্য।

আধুনিক যুগত ঘটনাৰ চমৎকাৰিতাতকৈ মানসিক বিশ্লেষণৰ ওপৰত অধিক গুৰুত্বদান কৰাত সাধাৰণ কথাও উপন্যাসৰ বিষয়-বস্তু হিচাপে বাস্তুহাৰ হৈছিল। ৰোমাণ্টিক লেখকসকলৰ অতীত প্ৰীতি আছিল এক বৈশিষ্ট্য। দূৰ দিগন্তৰ জিলি মিলি ৰূপ-সৌন্দৰ্য্য, প্ৰকৃতিৰ আদিম অৱস্থাৰ জীৱন যাপন পদ্ধতি, অস্পষ্ট জীৱন ধাৰাৰ ৰহস্যাবৃত দিশৰ প্ৰতি তেওঁলোক বাৰুকৈয়ে আকৰ্ষিত হৈছিল। কিয়নো, কল্পনাই এনে পৰিবেশত স্বাধীনভাৱে বিচৰণ কৰিব পাৰে। আমাৰ উপন্যাস সম্ৰাট বৰদলৈও ঘটনাৰ বৈচিত্ৰ আৰু চমৎকাৰিত্ব বিচাৰি অতীতমুখী হৈছিল। কেৱল ঘটনাৰ বৈচিত্ৰৰ কাৰণেই তেওঁ অতীতমুখী হৈ বুৰঞ্জীৰ পাত লুটিওৱা নাছিল, আন কেইবাটাও উদ্দেশ্য লৈহে তেওঁ বুৰঞ্জীৰ পৰা উপন্যাসৰ উপযোগী সম্বল জুকিয়াই কাহিনী ৰচনা কৰিছিল। সেই উদ্দেশ্য হ'ল :— অতীত অসমীয়া জাতিৰ সাহস, শৌৰ্য্য-বীৰ্য্যৰ নিদৰ্শন দাঙি ধৰি সমসাময়িক মুমূৰ্ষ, ভীৰু অসমীয়াৰ প্ৰাণত দেশাত্মবোধ জগাই মৃত-প্ৰায় প্ৰাণত আদৰ্শৰ সঞ্জীৱনী ঢলা।

বৰদলৈ উপন্যাসৰ কলা-কৌশল :—
প্ৰত্যেকটো চৰিত্ৰই কাহিনীৰ ওপৰত আৰু প্ৰত্যেকটো কাহিনীয়ে চৰিত্ৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে সি নাটকীয় উপন্যাস হয়। ঔপন্যাসিকে উপন্যাস লিখাৰ অন্তৰালত অন্যতম কৌশল আছিল এই যে-

(১) এসময়ৰ স্বাধীনচিতীয়া বীৰ অসমীয়া জাতিৰ স্বাধীনচিত লুপ্তপ্ৰায় হোৱাৰ কাৰণ নিৰ্দ্দেশ কৰা।

(২) ইংৰাজ ৰাজত্বৰ পতনৰ সময়ত পূৰ্ববৰ্ত্তী অসমীয়া সমাজৰ ৰীতি নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্ম সংস্কাৰ আদিৰ বাহ্যিক তথা সামাজিক ব্যৱস্থাৰ চিত্ৰ দাঙি ধৰা।

(৩) ঐতিহাসিক বা ৰাজনৈতিক ধুমুহাৰ অন্ত-ৰালত অতিবাহিত জীৱন ধাৰাৰ চিৰন্তন সহজাত প্ৰবৃত্তিবোৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰা।

স্কট্‌ৰ উপন্যাস বৰদলৈদেৱৰ আদৰ্শ আছিল যদিও সকলো সময়তে তেওঁ স্কট্‌ৰ আহি গ্ৰহণ কৰা নাছিল। অসমৰ পৰিবেশ পৰিস্থিতিৰ লগত খাপ খুৱাই চৰিত্ৰবিলাক অংকণ কৰিছে। বৰদলৈৰ বৰ্ণনাৱলীত স্কট্‌ৰ চৰিত্ৰ বিচিত্ৰতা আৰু জটিলতা নাই। তেওঁৰ ৰচনা ৰীতিৰ উপস্থাপন সহজ-সৰল।

বৰদলৈদেৱে বুৰঞ্জীৰ ঘটনাৱলী উপন্যাস ৰাজিত কেনে ধৰণে প্ৰয়োগ কৰিছে সেই বিষয়ে কাহিনীত ঐতিহাসিক ঘটনা আৰু নায়ক নায়িকাৰ স্থান অনুসৰি তেওঁৰ উপন্যাস কেইখন তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি ঃ—

(১) বুৰঞ্জীৰ ঘটনাৱলী আৰু নায়ক-নায়িকাই সেই কাহিনীৰ উপজীব্য।
(২) বুৰঞ্জীৰ ঘটনা বিলাক নায়ক-নায়িকাৰ জীৱন তৰীৰ অগ্ৰগতিও জলস্ৰোত স্বৰূপ।
(৩) বুৰঞ্জীৰ ঘটনাৱলী য'ত নায়ক-নায়িকাৰ জীৱন তৰীৰ অনুকূল বায়ু স্বৰূপ।

প্ৰথম শ্ৰেণীত আমি 'দন্দুৱা দ্ৰোহ' আৰু 'ৰাধা ৰুক্মিণীৰ ৰণ' অন্তৰ্ভুক্ত কৰিব পাৰোঁ। এই দুখন পূৰ্ণ মাত্ৰাই ঐতিহাসিক উপন্যাস।

মনোমতী, ৰঙিলী, নিৰ্ম্মল ভকত, দ্বিতীয় শ্ৰেণীৰ উপন্যাস। 'তাম্ৰেশ্বৰী মন্দিৰ', 'ৰহদৈ লিগিৰী', 'মনোমতী', 'ৰঙিলী', 'নিৰ্ম্মল ভকত' আদি উপন্যাসত মানৰ আক্ৰমণৰ কথা উল্লেখ কৰা হৈছে। 'মনোমতী' উপন্যাসত পদুমীৰ চৰিত্ৰই মানহঁতৰ নৃশংস অত্যাচাৰৰ কাহিনী বাস্তৱ ৰূপত তুলি ধৰিছে।

'মনোমতী', 'ৰঙিলী', 'নিৰ্মল ভকত' আদিত উপন্যাসৰ নায়ক-নায়িকাৰ জীৱন তৰী ঐতিহাসিক স্ৰোতে টানি লৈ যায়। এই শ্ৰেণী উপন্যাসৰ মূল বিষয়-বস্তু ঐতিহাসিক নহয়। সংৰাম (ৰঙিলী), ৰূপহী (নিৰ্মল ভকত), শান্তি ৰাম (পদুমী), লক্ষ্মীকান্ত (মনোমতী) আদিত সংৰাম আৰু ৰঙিলী, নিৰ্ম্মল আৰু ৰূপহী, শান্তিৰাম আৰু পদুমী, লক্ষ্মীকান্ত আৰু মনোমতী আদিৰ প্ৰেমেই উপন্যাস কেইখনৰ প্ৰধান বিষয় বস্তু। মানৰ আক্ৰমণ নোহোৱাহেঁতেন নিৰ্মল-ৰূপহীৰ বিচ্ছেদ আৰু মনোমতী-লক্ষ্মীকান্তৰ মিলন নহ'ল হেঁতেন।

তৃতীয় শ্ৰেণীত 'তাম্ৰেশ্বৰী মন্দিৰ' আৰু 'ৰহদৈ-লিগিৰী' ক স্থান দিব পাৰি। এই দুখন উপন্যাসৰ কাহিনী বিকাশত ঐতিহাসিক ঘটনাৰ পোনপটীয়া প্ৰভাৱ নাই। ঔপন্যাসিকসকলে সাধাৰণতে বুৰঞ্জী প্ৰসিদ্ধ চৰিত্ৰ বিলাকক কাহিনীত স্থান দিব নোখোজে। মাত্ৰ ঐতিহাসিক চৰিত্ৰসমূহ কেৱল পৰিবেশ পটভূমি আৰু বৰ্ণ বৈচিত্ৰ্যৰ কাৰণে প্ৰয়োগ কৰিছে।

'দন্দুৱা দ্ৰোহ' আৰু 'ৰাধা ৰুক্মিণীৰ ৰণ' ৰ বাহিৰে বাকী কেইখন উপন্যাসৰ জুমুঠিটো কাল্পনিক। কিন্তু তাৰ ওপৰত ঔপন্যাসিকে সৌন্দৰ্য্যৰ প্ৰলেপ সানি সমসাময়িক সমাজ আৰু ইতিহাসৰ যোগসূত্ৰ স্থাপন কৰিছে। যি বিলাক স্ব-কল্পিত কাহিনী যুগুতাইছে, সেই সকলোবোৰেই প্ৰণয়াত্মক। ডেকা গাভৰুৰ যৌৱন-সুলভ প্ৰেমে প্ৰতিকূল অৱস্থাৰ মাজেদি কেতিয়াবা পৰিণতি লাভ কৰিছে আৰু কেতিয়াবা বৈবাহিক মিলনৰ পৰা আঁতৰি গৈ শোকাবহ অৱস্থাৰ সন্মুখীন হৈছে, কিন্তু ঔপন্যাসিকে আকৰ্ষণ-বিকৰ্ষণ আদি প্ৰদৰ্শন কৰোঁতে সামাজিক বন্ধন আৰু পৰম্পৰাগত প্ৰথাৰ প্ৰতি সচেতন।

কাহিনীৰ বিকাশত প্ৰণয়ৰ প্ৰতিবন্ধক ৰূপে ঔপন্যা-

ক প্ৰধানকৈ তিনিটা উপায় অৱলম্বন কৰা া যায় ।

প্ৰেমৰ প্ৰতিদ্বন্দী সৃষ্টি কৰি,

ঐতিহাসিক দুৰ্যোগ অৱতাৰণা কৰি, আৰু

নায়ক-নায়িকাৰ পৰিয়ালৰ মাজত বংশগত মৰ্য্যদাবিৰোধ প্ৰদৰ্শন কৰি ।

দলৈৰ উপন্যাসসমূহত ঘটনা পৰিণতিৰ ঞ্য দুই প্ৰকাৰৰ দেখা পাওঁ । উদাহৰণ পে, 'মিৰি জীয়ৰী' আৰু 'দন্দুৱা দ্ৰোহ'ৰ কাহিনী ত গভীৰ আৰু অতি শোকাবহ অৱস্থাত শেষ ছ । সেই ট্ৰেজেডিৰ (Tragedy) মন অন্ধকাৰত াক-নায়িকাই জীৱনৰ সোঁত কেনি গতি কৰিব ৰ প্ৰতি অকনো আলোক পাত কৰিব পৰা । কিন্তু একেজনা ঔপন্যাসিকৰ উপন্যাস 'ৰহদৈ গিৰী' আৰু 'নিৰ্ম্মল ভকত' ৰ প্ৰেমৰ করুণ ৰণতি দেখুৱাই নায়ক-নায়িকাক অৱশেষত গৱত প্ৰেমত লিপ্ত কৰাই শোকাবহতা কিছু ৰৱ কৰিছে । আনহাতে, 'ৰহদৈ লিগিৰী' ত গ বলত ৰূপহী গাভৰুৰ পৰা বৃদ্ধা বৈষ্ণৱীলৈ পান্তৰিত কৰিছে । আকৌ 'মিৰি জীয়ৰী' ত মি দেখা পাওঁ পৰৱৰ্তীয়া মিৰিয়ে জংকি আৰু নইক অমানুষিক ভাৱে হত্যা কৰাৰ আগ তি পানেইয়ে স্বপ্ন দেখিছে । ৰৰদলৈৰ উপন্যাসত ত্যৰ প্ৰতীক স্বৰূপে বিপদৰ আগ জাননীত স্বপ্নৰ য়াগ ঘটাইছে । এনেকৈ 'নিৰ্ম্মল ভকত', ৰহদৈ গিৰী' আৰু- 'তাম্ৰেশ্বৰী মন্দিৰ' ত ঔপন্যাসিকে ভিন্ন উদ্দেশ্যসমূহত স্বপ্নৰ সহায় লৈছে ।

দলৈদেৱে কাহিনীসমূহত ৰাজনৈতিক ঘটনা- নীৰ লগে লগে সামাজিক ৰীতি-নীতি,, ধৰ্ম াচাৰ-ব্যৱহাৰ, অনুষ্ঠান আদিৰ সংযোগ কৰি াহিনীৰ কলেৱৰ পুষ্ট কৰিছে । ইয়াৰ নিদৰ্শন ৰূপে উল্লেখ কৰিব পাৰি যে— উত্তৰ লক্ষীমপুৰত াকৌতে সোৱনশিৰীৰ পাৰত থকা মিৰিসকলৰ ৰ্ম-কৰ্ম আৰু সামাজিক আচাৰ-অনুষ্ঠানৰ বিষয়ে অনুসন্ধান কৰি 'The Religion of the Miris' নামে এটি প্ৰবন্ধ লিখে । 'ৰঙিলীত' অসমীয়া বিহু আৰু সমাজত প্ৰচলিত ছোৱালী অনাৰ বিভিন্ন প্ৰথা, 'মিৰি জীয়ৰী' ত মিৰি সমাজৰ নৰাছিগা বিহু, মৰংঘৰত হোৱা পূজাৰ বিৱৰণ, 'তাম্ৰেশ্বৰী মন্দিৰ'ত তাম্ৰৰ ঘাই বিৱৰণৰ পূজা—আৰু নৰবলি প্ৰথা, 'ৰহদৈ লিগিৰী' ত যোগ আৰু কায়া সাধনা, 'নিৰ্মল ভকত'ত বৈষ্ণৱ সাধনা, 'মনোমতী' ত বৰপেটাৰ ফাকুৱা উৎসৱ আদিৰ বিৱৰণ দি সমাজৰ বিভিন্ন দিশৰ ওপৰত পোহৰ পেলায় । নীলমণি ফুকনদেৱৰ ভাষাত ক'বলৈ গ'লে— 'সাহিত্যই জাতিৰ দাপোন স্বৰূপ' । সেই দাপোনত জাতীয় জীৱন প্ৰতিফলিত কৰিবলৈ হলে, সেই জাতিৰ আচাৰ, নীতি, ধৰ্ম বিশ্বাস, সামাজিক প্ৰথা আৰু জাতীয় চৰিত্ৰৰ ভেটিত কাহিনীৰ বিকাশ দেখুৱাব লাগিব । ঐতিহাসিক ঔপন্যাসিকৰ মুখ্য কৰ্ত্তব্য ঐতিহাসিক কল্পনাবোধৰ দ্বাৰা বিশেষ যুগৰ সকলো স্তৰৰ স্ত্ৰী-পুৰুষ আৰু তেওঁলোকৰ সামাজিক আৰু ব্যক্তিগত জীৱনৰ গতিবেগ আৰু ঘটনাক জীৱন্ত কৰি তোলা । তাকে কৰিবলৈ যাওঁতে ঔপন্যাসিকে সামাজিক ৰীতি-নীতি, ধৰ্ম্মীয় আচৰণ আদি সংযোগ কৰিব লগা হৈছে ।

ৰৰদলৈদেৱৰ উপন্যাসৰ গঠন-ৰীতি কিছু পৰিমাণে গতানুগতিক । শৈশৱকালৰে পৰা পৰিচিত নায়ক-নায়িকাৰ ভুঁইতলি, বিহুতলী নাইবা আন সামাজিক উৎসৱৰ প্ৰেমকেই বাস্তৱত পৰিণত কৰাইছে । ৰাজনৈতিক ধুমুহাই প্ৰেমিক-প্ৰেমিকাৰ জীৱন বিপৰ্য্যস্ত কৰি শেষত হয়তো মিলন ঘটাই ছেন নতুবা চিৰদিনৰ বাবে বিচ্ছেদ ঘটাইছে । সেই বিচ্ছেদৰ পিছত নায়ক-নায়িকাক ভাগৱত মুখী কৰি ধৰ্মত আশ্ৰয় কৰি শান্তি লাভ কৰাই ৰৰদলৈৰ উপন্যাসৰ থুলমূল গঠন প্ৰকৃতি । □

# প্ৰবন্ধ

## শ্ৰীমন্ত শঙ্কৰদেৱৰ অসমীয়া সাহিত্যলৈ অৱদান

শ্ৰীমতী অঞ্জনা বড়া
উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক

জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম,
তোহাৰি চৰণে ৰেণু শত কোটি
বাৰেক কৰোহো প্ৰণাম ॥

পৃথিবীত যেতিয়া ধৰ্মৰ গ্লানি হয় আৰু ধৰ্মৰ ওপৰত সাহিত্য-সংস্কৃতিৰ আকাশ কলীয়া ডাৱৰে ছানি ধৰে তেতিয়াই একো একোজন মহাপুৰুষে জন্ম গ্ৰহণ কৰে। এনে এজন মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। অসমদেশ প্ৰকৃতিৰ লীলাভূমি, সৌন্দৰ্য্যৰ আকৰ আৰু সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। এনেহেন অসম মাতৃক কলঙ্কিত কৰিবৰ মানসেৰে এচাম অসমীয়াই ধৰ্মক জলাঞ্জলী দি নিজৰ ভোগ সুখৰ বাবে ব্যস্ত হৈ পৰিছিল। অসমৰ সমাজ, সংস্কৃতি, ভাষা সাহিত্যৰ সম্পূৰ্ণ আন্ধাৰ যুগ অসমৰ আকাশলৈ নামি আহিছিল। আনহাতে ঋষি মুনিয়ে লিখি থৈ যোৱা বেদ উপনিষদৰ কথা পাহৰি পেলালে, দেৱ দেৱতাৰ নামত পূজা কৰি জীৱ বলিদান কৰি দেৱতাক তুষ্ট কৰিবলৈ বিচাৰিছিল। এনে এক চৰম দুৰ্যোগৰ সময়তে ১৩৭১ শক, ইংৰাজী ১৪৪৯ খৃষ্টাব্দত শ্ৰীমন্ত শঙ্কৰদেৱ নগাঁৱৰ আলিপুখুৰীৰ কুসুম্বৰ ভূঞাৰ ঔৰসত সত্যসন্ধাৰ গৰ্ভত অৱতাৰ হ'ল। ঠিক তেনেদৰে মক্কাৰ মানুহবিলাক যেতিয়া অত্যাচাৰী হৈ উঠিছিল তেতিয়া ভগৱানৰ এক অংশ অৱতাৰ ৰূপে জন্ম গ্ৰহণ কৰে হজৰত মহম্মদে। আনহাতে ইহুদী মানুহ বিলাকৰ মাজত যেতিয়া পাপৰ সংখ্যা বৃদ্ধি পাইছিল আৰু ধৰ্মৰ নামত কালিমা সানিছিল, সেই সময়তে জেৰুজালেম নামৰ ঠাইত যীশুৰ আবিৰ্ভাৱ হৈছিল।

বহুদেৱতাৰ ঠাইত এক দেৱতাৰ উপাসনাৰ প্ৰৱৰ্তন, নানা ধৰ্মমতবাদৰ সলনি সৰল বিশুদ্ধ ভাগৱতী ধৰ্মৰ মতবাদ স্থাপন কৰাৰ উদ্দেশ্যে তেৰাই সংস্কৃত বৈষ্ণৱ গ্ৰন্থৰাজিক অৱলম্বন কৰি জনসাধাৰণৰ ভাষাত কাব্য, নাটক, গীত আদি নিজেও ৰচনা কৰে আৰু আনকো ব্ৰতী কৰায়। অচিৰেই ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত এক নৱজাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হয়।

গুৰুজনাৰ সাহিত্য প্ৰতিভা সম্পৰ্কে কবলৈ গলে

প্ৰথমে স্বীকাৰ কৰিবই লাগিব যে অসমীয়া সাহিত্য মন্দিৰত তেৰাৰ স্থান সবাৰো ওপৰত। বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবেই হওক অথবা অসমীয়া সাহিত্যক জাকত জিলিকা কৰিবৰ বাবেই হওক তেৱাঁৰ স্বতস্ফুতঃ সাহিত্য অৱদান অভুতপুৰ্ব। এশ বিশ বছৰীয়া জীৱন কালত অসমীয়া সাহিত্যৰ ক্ষেত্ৰত তেৰাই অমৰত্ব লাভ কৰি গ'ল।

"জালিকটা যি কিডালি আছে পুষ্পহাৰ
সিয়েহে মাথোন ভাষা কৰিছে পোহৰ।"

ৰচনাৰ ৰীতি আৰু ৰাপ অনুসৰি তেওঁৰ সাহিত্যিক অৱদানসমূহক মুঠতে ছয়টা ভাগত ভাগ কৰা হৈছে। যেনে ঃ— অনুবাদমুলক, কাব্য, নাট, গীত, নাম প্ৰসঙ্গ সম্বন্ধীয় আৰু ভক্তিমুলক। শঙ্কৰ গুৰুৰ ৰচিত গ্ৰন্থসমূহ হ'ল। কাব্য ঃ— হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ কাব্য, বলিছলন, অমৃত মন্থন, গজেন্দ্ৰ উপাখ্যান, অজামিল উপাখ্যান আৰু কুৰুক্ষেত্ৰ। ভক্তিমুলক পুথি ঃ— ভক্তি ৰত্নাৱলী ভক্তি প্ৰদীপ, নিমিনৱসিদ্ধ সংবাদ আৰু অনাদি পতন। নাম প্ৰসংগ— কীৰ্ত্তন আৰু গুণমালা, অনুবাদমুলক ঃ— ভাগৱত ১ম, ২য়, ১০ম, ১১শ, আৰু ১২শ স্কন্ধ আৰু উত্তৰাকাণ্ড ৰামায়ণ। গীত ঃ— বৰগীত আৰু ভটিমা, অঙ্কীয়া নাট ঃ— পত্নী প্ৰসাদ, কালীয় দমন, কেলি গোপাল, ৰুক্মণী-হৰণ, পৰিজাত হৰণ আৰু ৰামবিজয়।

অসমীয়া সঙ্গীত সাহিত্যত শঙ্কৰদেৱৰ বৰগীত সমূহে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছিছে। তেৰাই মুঠতে বাৰকুৰি বৰগীত ৰচনা কৰে। সেই বৰগীতসমূহ ঘৰত আওঁৰাবলৈ কমলাবায়ন নামৰ ভকত এজনে নিয়ে। দুৰ্ভাগ্যবশতঃ বনপুৰা জুয়ে কমলা বায়নৰ ঘৰ পুৰোতে এই বহুমুলীয়া বৰগীত সমুহো জুইত জাহ গ'ল। বায়নৰ মনত একুৰি চৈধ্যতাহে মনত আছিল। এই কাৰ্য্যত গুৰুজনাই মনত বৰ আঘাট পাইছিল আৰু তেওঁৰ প্ৰিয় শিষ্যৰ ওপৰত বৰগীত লিখিবলৈ দায়িত্ব ভাৰ অৰ্পন কৰে। তেৰাৰ সঙ্গীত সাহিত্যৰ অৱদান আজিও অসমৰ ঘৰে ঘৰে সেয়েহে আমাৰ কবিয়েও গাইছে—

"মধুৰ ঝঙ্কাৰ তাৰ গভীৰ উদাৰ সুৰে
আজিও উঠিছে বাজি অসমৰ ঘৰে ঘৰে।

মাধবদেৱ আছিল শঙ্কৰদেৱৰ প্ৰিয় শিষ্য। 'মাধৱ বান্ধৱ' শঙ্কৰদেৱৰ ১৫২২ খৃঃ ত ধোকাহাট বেল গুৰিত সত্ৰ প্ৰতিষ্ঠা কৰা কালত পৰম ধীৰ শক্তি সম্পন্ন উদ্যোগী পুৰুষ, মাধৱদেৱক লগ পায়। মাধৱদেৱ পূৰ্বতে শাক্ত আছিল। আৰু শঙ্কৰৰ লগত এই বিষয়ে তৰ্কত লিপ্ত হৈ শেষত তেওঁৰ একান্ত ভক্ত হয়। বেজবৰুৱাদেৱে এই মিলনক মাণিক্য-ৰত্নৰ সংযোগ বুলি অভিহিত কৰিছে।

বৰগীতৰ লগে তেৰাৰ অন্যান্য ৰচনাৱলীত আমি বিশ্লেষণ কৰি চালে এটা কথা স্পষ্টকৈ ধৰিব পাৰো যে কাব্য, নাট, ভক্তিমুলক পুথি, অনুবাদ পুথি আদিও আজি অসমীয়াৰ চিৰ পৰিচিত। তেৰাই এটা নতুন যুগৰ সুচনা কৰিলে। এইখিনিতে আমি এটা কথা সোঁৱৰাই দিব খোজো যে মহাপুৰুষজনৰ কীৰ্ত্তন পুথিখন অসমীয়া সাহিত্যৰ কীৰ্ত্তিস্তম্ভ। কীৰ্ত্তনত হৰ্ষ, বিষাদ, প্ৰেম-বিবাহ আদি নৱৰসৰ সোৱাদ আছে। শাস্ত্ৰ সাগৰ মথি, শ্ৰৱণ, কীৰ্ত্তন ভক্তিৰে আমি সকলোৱে পৰমেশ্বৰক ধ্যান কৰি, ৰসময়ী কীৰ্ত্তনৰ ভাল ভাল অমৃত পান কৰিবলৈ মহাপুৰুষে কীৰ্ত্তনত আমাক উপদেশ দিছে।

মানুহৰ জীৱন কচুপাতৰ পানী আৰু এই বিশাল

জগতখন হ'ল স্বপ্নময়। তথাপি তেৰাই পলায়নবাদী নীতি গ্ৰহণ কৰি সন্যাসী হৈ কেৱল ধৰ্ম চৰ্চা বা সাহিত্য চৰ্চা কৰিয়েই মানৱক জীৱন কটাবলৈ কোৱা নাই। মাথোন সংসাৰিক কামৰ মাজতে এটা আধ্যাত্মিক নন্দন তাত্ত্বিক বিষয়ত কেনেদৰে সাৰ্থক কৰিব পাৰি তাৰ আদৰ্শ দাঙি ধৰিছে।

মুঠৰ ওপৰত গুৰুজনাই পঞ্চদশ আৰু ষোড়শ শতিকাত অসমীয়া সাহিত্যত এটি নতুন যুগৰ সূচনা কৰিলে। কেৱল সাহিত্যৰ ক্ষেত্ৰতেই নহয়, সামাজিক, সাংস্কৃতিক, শিক্ষা-কলা, ধৰ্মচৰ্চা আদি সকলো ক্ষেত্ৰত তেৰাৰ উল্লেখনীয় অৱদান দি গ'ল। গুৰুজনাৰ পৰশত অসমীয়া সাহিত্যৰ গা-গছ ডালি ফলে ফুলে জাতিষ্কাৰ হৈ উঠিছিল। অসমৰ সাহিত্য আকাশত শঙ্কৰ সূৰ্য্যৰ প্ৰতিভা চিৰদিন অম্লান হৈ ৰ'ব।

ৰাজমাই হাটৰ পৰা গৰু এহাল কিনি এজন খেতিয়ক আহি থাকোঁতে হঠাৎ এজনে সুধিলে— হেৰি, কিমান পৰিলে ?
খেতিয়ক— এতিয়ালৈকে এবাৰো পৰা নাই। নপৰাকৈ ঘৰ পালেগৈয়ে হয়।



[illegible] হ'ব [illegible]।" তথাপি [illegible] [illegible]

[illegible]

[illegible] নতুন যুগৰ [illegible] সাহিত্যৰ ক্ষেত্ৰতেই নহয় [illegible], শিল্প-কলা, [illegible] আদি [illegible] উল্লেখনীয় অৱদান দি [illegible] অসমীয়া সাহিত্যৰ [illegible] উঠিছিল। [illegible] সূৰ্য্যৰ প্ৰতিভা [illegible]।

[illegible]

[illegible]

# কবিতা



# কবিতা

## সময় আৰু দুঃসময়

চালেহা চুলতানা ৰহমান
প্ৰাক স্নাতক ১ম বাৰ্ষিক

আলফুলে শুৱাই থলে
বুকুত
থুনুকা হৃদয় ;
তেতিয়াই, স্বদেশৰ কেঁচামাটি
জেকি থাকে
সময় আৰু দুঃসময় ॥

## নিঃসঙ্গ

কি দিম তোমাক ?
উদং বুকুত পোহৰৰ অভাৱ ।
পিছলৈ ঘূৰি চালে
বুকু কুৰুকি কুৰুকি
সাৰপায় কালসাপ ॥

## স্বদেশ

আঙুলি মূৰত
নাচি থাকে
চিনাকি নদী,
বাটবুলি আগুৱালে
বুকু ভেদি পাৰ হয়
চিনাকি সুহৰি ।

# শেৱালী

শ্ৰীদীপালী বৰুৱা
স্নাতক ১ম বাৰ্ষিক

নিশাৰ শেৱালী তুমি
ফুলি থাকা জোনাকত
থুপি থুপি তৰাৰ সতে
উমলি থাকা অলস নয়নত ।
তোমাৰ ছবিটি
চাই ৰওঁ জোনাকত
চিকিমিকি জোনাকীয়ে
তোমাৰ পাহিত চুমা খায়
স্নিগ্ধ কৰি তোলে সহস্ৰ জোনাক ।
স্নিগ্ধ জোনাক নিৰ্মল আকাশ
জিলিকি থকা মুকুতা পাহি
নাই তাত কলুষ কালিমা
মৃদু মৃদু বতাহত
হালি জালি থাকা তুমি
মিচিকি হাঁহিৰে ।
সুৰুযৰ মুখতে
তুমি সৰি পৰা বননিত ।
হাঁয়—
বেয়া লাগে তোমালৈ
নিশাতে ফুলি তুমি
পুৱাতে থাকা সৰি
এয়েই নেকি
তোমাৰ জীৱন বিস্তৃতি ।

# দুটি কবিতা

শ্ৰীৰজিতা কোঁৱৰ
স্নাতক মহলা ২য় বাৰ্ষিক

(১)

যুগৰ বন্দীশালত বন্দী
আছোঁ মই মুক্তিৰ ক্ষণ গণি
প্ৰত্যুত্তৰ আহে মাথো
নিষ্প্ৰাণ দেৱালৰ প্ৰতিধ্বনি,
ঘৃণা, লাঞ্চনা, গ্লানি
মোৰ সন্তানৰ বাণী ।

(২)

আহোবাত্ৰ মই সংগ্ৰাম কৰি
ক্লান্ত, নিৰ্ব্বাক, নিষ্পন্দ;
ভয়ঙ্কৰ দেৱালৰ বিদ্ৰুপৰ ইঙ্গিতে
কৰি তোলে মোক উদভ্ৰান্ত
মোৰ হৃদয়ৰ স্পৃহা নিবদ্ধ
ৰেলগাড়ীৰ ধোঁৱা আৰু শব্দত,
তথাপিও বৈ আছোঁ ৰঙীন আশাত
দিন আহিব নিশ্চয় নতুন যুগত ।

# আহ্বান

শ্ৰীবৰ্ণালী কলিতা
স্নাতক ২য় বাৰ্ষিক

অসম মাতৃৰ যদি সন্তান হোৱা
আঁহা, ওলাই আঁহা, হে'ৰা অসমীয়া,
বিদেশী দস্যু দৈত্য দানৱে
আই মাতৃক আজি কৰে বলাৎকাৰ ।

অসম মাতৃৰ সোণৰ ভঁড়াল দেখি
বিদেশী আহিছে সীমা ঠেলি ঠেলি,
নিজ দেশতো আছে হাঁয় শত্ৰু অগণন
দুমুখীয়া দস্যু, স্বাৰ্থপৰ ঘৰ-বিভীষণ ।

সেয়েহে আজি জাগা গাঁওবাসী,
জাগা দেশবাসী নিদ্ৰা পৰিহৰি,
ওলাই আঁহা ঝান্সী ৰাণী
আঁহা ওলাই ৰাধা ৰুক্মিণী ।
দিয়াহি তোমালোকে ৰণাঙ্গণ সজাই
আঁহা যাঁও সবে পতাকা উৰাই,
"তৰিলে দেশ মাৰিলে স্বৰ্গ"
লৈ মহামন্ত্ৰ সবে চৌদিশ কঁপাই ।

# সুভাস, তুমি ধন্য

শ্ৰীবাণ্‌বাণী শইকীয়া
স্নাতক ২য় বাৰ্ষিক ।

সুভাস, তুমি ধন্য
ধন্য তোমাৰ জীৱন,
দেশৰ কাৰণে প্ৰাণ উছৰ্গি
জীৱনটো কৰিলা কিমান মহান ।

সুভাস তুমি ধন্য
ধন্য তোমাৰ নাম,
নামৰ সুভাসেৰে কামো কৰিলা
কৰিলা জীৱন দান ।

দেশৰ হকে কতনো যুৱকে
প্ৰাণ দিলে বিসৰ্জন,
তথাপি তোমাৰ নিৰ্মম কাহিনী
শুনি উঠে শিহৰণ ।

এই নিৰ্মম কাহিনী বুৰঞ্জীৰ পাতত
থাকিব যুগ যুগ ধৰি
এই নিৰ্য্যাতিত কাহিনী পঢ়ি
টুকিব সকলোৰেই চকুৰ পানী
তোমাৰ দৰে কোনো যুৱকে
লোৱা নাই মৃত্যুক আঁকোৱালি
নোৱাৰে কোনেও কৰিব সহ্য
বৰ্বৰইতৰ এনে অসভ্যালি ।

সুভাস, তোমাক কিহেৰে পুজিম
কিহেৰে কৰিম মান,
যাচিছো একাজলী অশ্ৰু অঞ্জলি
থাকিবা গাই স্বৰ্গৰ পৰা
আই অসমীৰ জয়ৰ গান ।

## তোমাৰ স্বাগতম

মিছ বিনীতা দত্ত
স্নাতক, দ্বিতীয় বাৰ্ষিক

হে কম্‌ৰেড,
তোমাক আমি বিচাৰোঁ
এটা মিঠা কবিতাৰ দৰে।
যি কবিতাত থাকে
অন্ন, বস্ত্ৰ আৰু বাসস্থান
দাবী কৰাৰ তীক্ষ্ণ তৰোৱাল।

হে কমৰেড,
তুমি আহা শোষিতৰ ত্ৰাণকৰ্ত্তা হৈ
নিষ্পেষিত জনৰ বুকুৰ বান্ধৈ হৈ
য'ত নিহিত থাকে —
ঘোৰ তমসা নিশাৰ অসীম শকতি।

হে কমৰেড,
তুমি দিয়া এই মন্ত্ৰ
নিৰ্মল আকাশ, পবিত্ৰ পানী
আৰু স্বদেশক নিজৰ বুলি দাবী জনোৱাৰ।

## আই

শ্ৰীশোভাক্ষী গগৈ
একাদশ মান শ্ৰেণী

শোকাতুৰ আইৰ
কাতৰ কান্দোনে
মোৰ অন্তৰৰ
বিপ্লৱৰ অগনি কুৰা
দপ্‌দপ্‌কৈ জ্বলাই তুলিছে।

হাতত লাচিতৰ তৰোৱাললৈ
তেজী ঘোঁৰাৰ পিঠিত উঠি
চাৰখাৰ কৰিবৰ মন গৈছে
মাতৃবৈৰী বিষাক্ত শক্তিক।

মন গৈছে মোৰ
আগুৱাই নিবলৈ
জাগ্ৰত বিপ্লৱী দলক।

# সংগ্ৰাম

শ্ৰীমতী আৰতি গগৈ
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

প্ৰাপ্য বিচাৰি কৰিম সংগ্ৰাম
নহওঁ হতাশ, নহওঁ ব্যৰ্থ
নতুন প্ৰভাত আহিছে নামি
হৈছে উদয় নতুন সূৰ্য্য।

শদিয়াৰ পৰা ধুবুৰীলৈকে
বাজিছে ৰণৰ মৃদঙ্গ
বঞ্চিত জনতাৰ প্ৰাণত আজি
উঠিছে উথলি বিপ্লৱ তৰঙ্গ।

স্বপ্ন আমাৰ নহয় ভঙ্গ
আছে যদিহে ধৰাত সত্য
প্ৰাপ্য বিচাৰি যাম আগবাঢ়ি
সংগ্ৰাম কেতিয়াও নহয় ব্যৰ্থ
এটি মাথো ন্যায্য দাবী
বহিষ্কাৰ কৰা বিদেশী।

অসম মাতৃক উদ্ধাৰ কৰা
লাঞ্ছিত আজি আই অসমী
তাকে নলয় চৰকাৰে মানি
গাতে যজ্ঞ শত নৰনাৰীৰ
শত শ্বহীদৰ কেঁচা তেজ লাগে
লাগে লাচিতৰ উচ্চ শিৰ।

কিদৰে বাৰু থাকো চাই
মাতৃৰ বুকুৰ অমৃত যদি
বিদেশী শত্ৰুৱে কাঢ়ি লৈ যায়।

কিদৰে থাকো নীৰৱে সহি
বিদেশী দস্যু দানৱে আজি
মুখৰ অন্ন লৈ যায় কাঢ়ি
এনে হাঁয় আজি অসম ভূমি,
নিজৰ দেশতে নিজে আলহি
নেপাওঁ আমাৰ প্ৰাপ্য খিনি
তথাপি আমি কৰিম সংগ্ৰাম
নহওঁ হতাশ ব্যৰ্থ
প্ৰাপ্য আমাৰ আনিম উদ্ধাৰি
সংগ্ৰাম কেতিয়াও নহয় ব্যৰ্থ
দিয়ক চৰকাৰে নিষ্ঠুৰ দণ্ড
সাহসেৰে আমি কৰিম সহ্য
লাগে যদি কেঁচা তেজ দিম
সন্তান আমি বীৰ লাচিতৰ॥

# শত্ৰুৰূপী বন্ধু

মিচ জুৰি কোঁৱৰ
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

শত্ৰুৰূপী বন্ধু
তোমাৰ শত্ৰুতাৰ আলোকৰে
মই আজি আলোকিত।
তুমিয়েই
মোৰ বৰ্ত্তমান প্ৰগতিৰ পথত
তোমাৰ বিপৰীতে
আগুৱাবলৈ —
এইয়া সুবিধা দিছা।
বন্ধুৰূপী শত্ৰু
তুমি যিদৰে
সকলোতে আছা বিয়পি
মোৰ অন্তৰত
তাৰ বিপৰীতে
হোৱা ভোটা তৰা
গৈ আছা আগুৱাই
মইও —
তোমাৰ প্ৰতিহিংসাৰ বিপৰীতে
তুমি যদি বৈ যোৱা
মোৰ পথত নপৰিবনে বাধা ?
শত্ৰুৰূপী বন্ধু
তুমি গৈ থাকা;
তোমাৰ পিছে পিছে
মইও ·········।
মই।।
জগাই তুলিম নিদ্ৰিত বন্ধুক
পোহৰাই তুলিম
তোমাৰ শত্ৰুতাৰ আলোকেৰে। ●

যি জন মানুহে নিজে কোনো কাম কৰি স্বীকৃতি আৰ্জন কৰিব পৰা নাই তেওঁৰ পক্ষে আনৰ কামৰ সমালোচনা কৰাটো অকণো শোভা নাপায়।

জোচেফ এডিচন

## আহ্বান

শ্ৰীদীপামণি গগৈ
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

মুক্তি যুঁজাৰুৰ ৰক্তৰ বিন্দুৱে
বওঁক আজি শোণিতৰ সিন্ধু।
অচেতন জনতাক জগাই তোলা আজি
মুক্তিৰ সংগ্ৰাম চলাই যোৱা
গঢ়ি তোলা-জন্ম স্বতন্ত্ৰ।
জনতাৰ শক্তিৰ একত্ৰ বলেৰে
গঢ়ি তোলা
এক মহান অস্ত্ৰ।
সিংহৰ গৰ্জনে, বজ্ৰৰ আঘাটেৰে
তোলপাৰ হওক আজি বিশ্ব।
জনতাৰ শক্তিক একত্ৰ কৰি লৈ
ভাঙি যোৱা ৰুদ্ধ দ্বাৰ—
মুক্তিৰ সংগ্ৰাম চলাই যোৱা
জাগ্ৰত হওক আজি বিশ্ব॥

## বিহগী

শ্ৰীৰূপজ্যোতি গগৈ
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

বনৰ বিহগী তই গাই যা বনে বনে গীত
কালৈকো নাচাবি একোকে নাভাবিবি
মুকলি মনেৰে
গাই যা বনে বনে গীত।
ধুমুহাই টানিব বেতাল ৰাগিণী
ভাবৰে শুনাব বে-সুৰা গুঞ্জৰণি
তথাপি নৰ'বি বনৰ বিহগী তই
গাই যা বনে বনে গীত।
বিজুলীয়ে বাধা দিব, বিষ্টিয়ে তিয়াই দিব
শুনিও নুশুনিবি বনৰ বিহগী তই
গাই যা বনে বনে গীত।
গছৰ পাতে তাল দিব, ঝাৰণীয়ে সুৰ দিব
সেয়ে তোৰ সহায়, মুকলিমুৰীয়া ঐ
বনৰ বিহগী তই
গাই যা বনে বনে গীত।

## বসন্ত

মিছ ছামছুন নাহাৰ
উচ্চতৰ মাধ্যমিক স্তৰ

বজ্ৰপাতৰ আলোকেৰে —
মুখৰিত হ'ল তৃষ্ণাতুৰ পৃথিৱীখন
গছ লতিকাই মেলিলে কুঁহিপাত
সেউজী আইয়ে পিন্ধিলে
সেউজী সাজ।
কুলি চৰাইৰ মিঠা কল্লোলেৰে —
মুখৰিত হ'ল সেউজী বন
ফলে-ফুলে হ'ল জাতিষ্কাৰ
বাসন্তী আইয়ে আনি দিলে
বাতৰি বিহুৰ।
সহস্ৰ জনতাৰ কল্লোলেৰে —
মুখৰিত হ'ল মানৱৰ প্ৰাণ
বিহুগীতে মুখৰিত কৰিলে বিহুতলী
আনন্দৰ অমৃত ময়
অমিয়া মধুতল ॥

## এইখন পৃথিৱীতে

শ্ৰীৰূপাঞ্জলী বৰগোহাই
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

ৰঙা যোগ চিনেৰে চিহ্নিত
'এম্বুলেন্‌সে' কঢ়িয়াই নিয়া
আমি এক অচিন ৰোগী,
চালকৰ হাতলৈ চাই চাই
আমি গৈ আছোঁ
লক্ষ্য আমাৰ
বগা বিচনাখন।
ৰোগ শয্যাত পৰি
চিঞৰি আছোঁ —
মাজে মাজে —
চেলাইন, ইনজেক্‌চন —
কেপচুল আৰু বহু কিবা কিবি।
দুদিনৰ পাছতেই 'ৰিলিজ'ৰ অৰ্ডাৰ।
আদেশ মানি ল'লোঁ
অনুমান হ'ল বাহিৰত
আন বহু ৰোগী অপেক্ষাত ॥

---

এজন গাঁৱলীয়া হোজা মানুহে বাৰে বাৰে টিকট কিনা দেখি ক্লাৰ্কে সুধিলে
—হেৰি আপুনি বাৰে বাৰে টিকট কিনি আছে কিয়?
হোজা মানুহ জনে ক'লে—
—নকব হেৰি, এই যে গেটত থকা মানুহজন দেখিছে তেওঁ দেখোন বাৰে বাৰে মোৰ টিকেটটো ফালি পেলায়।

## এনেকৈয়ে

শ্ৰীভাৰতী গগৈ
স্নাতক ১ম বাৰ্ষিক,

এনেকৈয়ে সিহঁতে কান্দে
এনেকৈয়ে সিহঁতে হাঁহে
জীৱনৰ সুখ দুখ নামানি ।
আৰু মই ?
যেতিয়াই সাৰ পাওঁ
তেতিয়াই শুনো
সিহঁতৰ আৰ্তনাদ
সিহঁতৰ কান্দোন
কিন্তু, এনেকৈয়ে, সিহঁতৰ চেতনাত
সময়ৰ জোৱাৰ আহে
প্লাবিত হয় চেতনাৰ দুয়ো পাৰ ।
শোষণকাৰীহঁতৰ তীক্ষ্ণ বিষদাঁতত
এনেকৈয়ে সিহঁত খাদ্য হয় ।
এটা তেজ ৰঙা পুৱতিৰ স্বপ্ন দেখি
সিহঁত এনেকৈয়ে লাঞ্ছিত হয় ।
এনেকৈয়ে সিহঁতে কান্দে
এনেকৈয়ে সিহঁতে হাঁহে
জীৱনৰ আৰ্তনাদ গেৰি ॥

## 'কোন পথে যাম'

শ্ৰীমিনু গগৈ
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

ধূসৰ মোৰ জীৱন পথ
তথাপিও মই আগুৱাইছো
কিহৰ আশাত ?
মোৰ জীৱন পথ অন্ধকাৰময়
মোৰ ভয় লাগে
কাৰণ মই অন্ধ ।
মই মূৰ্খ কাৰণ মই নিৰ্ভীক
দুৰ্নীতিক ঘিণ কৰোঁ
সেয়ে কেৱল মই কুৎসিত ।

আজি মোৰ বাট কুসুম কোমল
কাৰণ মই দৰিদ্ৰৰ অন্ন কাঢ়ি ললো
সিহঁতৰ সত্বাক হত্যা কৰিলোঁ ।
আজি মই সুগন্ধি ফুলৰ মালা পিন্ধিছো
কাৰণ ? মই দুৰ্নীতিৰে ধন ঘটিছো
আৰু ? সিহঁতক ঘিণ কৰিছোঁ ।
মোৰ বাহুৰ বল সিহঁতৰ ওপৰতেই ন্যস্ত
সেইবাবেই মই নেতা
মই পূজ্য ।

## দুর্ভগীয়া মগনীয়া

শ্ৰীঝুনু কোঁচ
স্নাতক ১ম বাৰ্ষিক

এখোজ দুখোজ কৰি
কেনি আগুৱাবা,
নিকৰুণ নিমাত দৃষ্টি
সকলো বেলাত ।
তিনি ভৰি দুই চকুৰে
সজিলে তোমাক,
কান্ধত জোলোঙাৰ
নিৰুৰুণ সাজ ।
জপৰা জপৰ চুলি
শুকান কৈ মুখ,
ঘৰে ঘৰে ফুৰি ফুৰা
কিমান যে দুখ ।
কতনা যাতনা ভোগা
তুমি মগনীয়া,
তোমাৰ বাহিৰে নাই
আৰু দুৰ্ভগীয়া
তুমিয়েই চোৱা প্ৰভু
কেনেকৈ উদ্ধাৰা,
দুখীয়া দৰিদ্ৰ শ্ৰেণী
সবাতে প্ৰসাৰ ।

তৰুবালা ঘোষ
স্নাতক ২য় বাৰ্ষিক

নীলিম আকাশ
মোৰ মনটিৰ দৰে
এজাক বগা ধূসৰ ডাৱৰ
মোৰ বেদনাৰ উল্কা
স্মৃতিৰ বা লাগি
জ্বলি উঠে ॥
হেৰাই যোৱা দিনবোৰ
ভাঁহি উঠে দুচকুত
এনে লাগে মই যেন
তাহানিৰ 'মইজনী'
হৃদয়ত করুণ সুৰ
ৰৈ ৰৈ বাজি উঠে ॥
হৃদয় বিদাৰি ওলাই আহে
মাথো এটি হুমুনিয়াহ
অতীত হেৰাই গ'ল
ক'ত ...............?
মোৰ জীৱনৰ ইতিহাস
লিখা হ'ল চকুৰ পানীৰে ॥

(কলেজ সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত ।)

# প্ৰবাহ

শ্ৰীঅৰুন্ধতী সান্যাল
উচ্চতৰ মাধ্যমিক স্তৰ

বৈ যায় ব্ৰহ্মপুত্ৰ অসীমৰ শেষ সীমালৈ
য'ত অলীক কল্পনাৰ দৰে মুক্তিৰ ঢৌবোৰ উল্লাৱল হৈ নাচিছে,
য'ত বক্তিম সূৰুযে ব্ৰহ্মপুত্ৰক আগুৰাই যাবলৈ
বাট দেখুৱাই দিনান্তত মেলানি মাগিছে।
তথাপিও তৃষ্ণাতুৰ লুইতৰ তৃষ্ণা যোৱা নাই
শত, শত বছৰ ধৰি বৈ যোৱা লাহি দেহাটোত ক্লান্তি অহা নাই।
ই যেন স্মৃতিৰ দৰে বৈ যাব বিচাৰিছে এই ধৰণীত
হয়তো বিচাৰিছে কৰিব বহন যুগ যুগৰ বহু ঘটনা
যিবিলাক তাৰ উত্তাল বুকুত পৰি ভাঙি-চিঙি চুৰমাৰ হৈ গৈছে
যত পৰি স্মৰণীয় ঘটনাবোৰ বিলীন হৈ গৈছে।
হয়তো বহু ঘটনা বিলুপ্ত হৈ গৈছে এই ব্ৰহ্মপুত্ৰত
মন্থৰ গতিত নাচি-বাগি অহা ঢৌবোৰৰ আঁৰত
নোৱাৰে কব ই সেই ঐতিহাসিক ঘটনা
নোৱাৰে মেলিব ই সেই গোপন সঁফুৰা কৌতুহলী হেজাৰ দৃষ্টিৰ আগত।
তাৰ অস্পষ্ট ভাষাৰ উত্তাল তৰঙ্গৰ সেই কথাবোৰ হয়তো শেষ হৈ গৈছে
চিৰদিনলৈ।
শত যুগ পাৰ হব, শত শত প্ৰাণ নিঃশেষ হব তথাপিও নহয় ই স্তব্ধ,
তথাপিও ই বৈ যাব অনন্তৰ পৰা অনন্তলৈ
য'ত তাৰ বিশ্ৰাম আশা পালি আছে
আৰু হয়তো সেই বিশ্ৰামে অহোৰাত্ৰি মাতিছে চিৰঞ্চবি
আঁহা আঁহা ব্ৰহ্মাৰ তন্ময়।

( সাহিত্য প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত )

# ‍চ্যৰ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ

ৰুমা গোস্বামী
চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

ৰতবৰ্ষ তথা প্ৰাচ্যৰ পণ্ডিত সকলৰ ভিতৰত ষ্ণকান্ত সন্দিকৈ এটি উজ্বল ভোটা তৰাৰ দৰে ৰণীয় হৈ জিলিকি থাকিব। তেওঁৰ যশস্যা াৰু পাণ্ডিত্যৰ গুণ গৰিমা সুদূৰ বিদেশলৈকে য়পি পৰিছিল। তেওঁ সংস্কৃত সাহিত্যৰ এজন গাধ পণ্ডিত আছিল, তাৰোপৰি বুৰঞ্জী আৰু সমীক্ষা সাহিত্যতো তেওঁৰ যথেষ্ট অৱদান াছিল।

কৃষ্ণকান্ত সন্দিকৈ বাল্য কালৰ পৰাই বৰ মেধাৱী ছাত্ৰ আছিল। সন্দিকৈ দেৱৰ সংস্কৃত সাহিত্যৰ প্ৰতি প্ৰবল অনুৰাগ আছিল আৰু তেওঁৰ ছাত্ৰ জীৱনতে এই প্ৰতিভাৰ নিদৰ্শন দেখা পোৱা গৈছে। বুৰঞ্জীবিদ বেণুধৰ শৰ্মা দেৱে শিৱসাগৰ বাল্যশ্ৰমত জখলাবন্ধা সত্ৰৰ সত্ৰাধিকাৰ শিৱদেৱ গোস্বামী (লিখিকাৰ আজোককা) পৰা এটি উৎকৃষ্ট শ্লোকৰ ব্যাখ্যা শুনিছিল। এই শ্লোকটো হ'ল এনে ধৰণৰ—"অমেধ্য পূৰ্ণে কৃমিজাল সঙ্কুলে স্বভাৱ

দুৰ্গন্ধি নিন্দিন্তান্তৰে কলেৱৰ
সুত্ৰ পুৰীষ ভাবিৰ্তে ৰমন্তি সূঢ়া—
বিৰযন্তি পণ্ডিতা ঃ"

"যি বিষ্ঠাৰ পোকৰ নিচিনাকৈ ঘৃণিত বিষয়ত লিপ্ত থাকে আৰু তাৰ গপতে গসাটোপটো হৈ ফুৰে তাক ভূত পিশাচ নুবুলি কি বুলিব পাৰি" কলিকতাত পঢ়োতে বেণুধৰ শৰ্ম্মাদেৱে উক্ত শ্লোকৰ বিষয়ে উল্লেখ কৰি "চহকী দুখীয়া" নামৰ এটি প্ৰবন্ধ সেই সময়ৰ বাঁহীত প্ৰকাশ কৰিছিল। কিন্তু এই শ্লোকটি কোন গ্ৰন্থত আছে সেই কথা সুধি কৃষ্ণকান্ত সন্দিকৈ দেৱলৈ লিখাত তেওঁৰ পৰা ডাকত চিঠি পালে। এই চিঠিত শ্লোকটো যোগ বিশিষ্ট ৰামায়ণৰ পৰা লোৱা হৈছে বুলি তেওঁ জনালে। পৰবৰ্তী সময়ত উক্ত চিঠি শিৱসাগৰৰ বাল্যশ্ৰমৰ সত্ৰাধিকাৰ পণ্ডিত শিৱদেৱ গোস্বামী দেৱক জনোৱাত আচৰিত হ'ল আৰু তেওঁ ভৱিষ্যতবাণী কৰিছিল যে এই ল'ৰা এসময়ত পণ্ডিত হ'ব। কালক্ৰমত শিৱদেৱ গোস্বামীৰ এই বাণী বাস্তৱত পৰিণত হ'ল।

কৃষ্ণকান্ত সন্দিকৈ বিদেশত পঢ়িছিল যদিও বিদেশী আচাৰ ব্যৱহাৰ গ্ৰহণ কৰা নাছিল। বিদেশৰ পৰা ঘূৰি আহোঁতে আগেয়ে যি ধুতি কামিজ পিন্ধিছিল সেই ধুতি কামিজেৰে মাতৃভূমি অসম পাইছিলহি তেওঁক দেখি সকলোৱে আচৰিত হৈছিল কাৰণ ভাবিছিল কৃষ্ণকান্তই নিশ্চয় চাহাবী পোছাক পিন্ধি আহিব। তেওঁৰ দেউতাকে কৈছিল মোৰ লʼৰা দুলী দুখন নদীৰ নিছিনা—এখন উজাই গৈছে আৰু আনখন ভটিয়াই গৈছে। তেওঁৰ বাল্য জীৱনত জোতা পিন্ধিবলৈ ভাল পোৱা নাছিল। মাত্ৰ দেউতাক মাকৰ আদেশ মতেহে জোতা পিন্ধি স্কুললৈ গৈছিল যদিও, চকীদাৰৰ ঘৰতে জোতা খুলি ৰাখিছিল।

বিলাতলৈ যোৱাৰ আগতে অপূৰ্ব কুমাৰ চন্দ্ৰই তেওঁক চাহাবী খানা খাবৰ কাৰণে এখন ডাঙৰ ৰেষ্টুৰাঁলৈ নিছিল। সন্দিকৈয়ে কিন্তু চাহাবী পোছাক নিপিন্ধি ধুতি কামিজ পিন্ধিয়ে গৈছিল। তেওঁ ধুতি কামিজ পিন্ধি যোৱা কাৰণে আন মানুহক যি ঠাইত খাবলৈ দিছিল সেই ঠাইত নিদি এটা সুকীয়া সৰু কোঠাত তেওঁক খাবলৈ দিছিল। কিন্তু কোনো আপত্তি নকৰাকৈ তেওঁ খাবলৈ গৈছিল।

ইউৰোপত অধ্যয়ন কৰি অহাৰ পিছত কিছুমান মানুহে কৈছিল—"বিলাতত থাকিও চোন একো উপাধি লৈ আহিব নোৱাৰিলে" উত্তৰত সন্দিকৈ দেৱে কৈছিল। ইউৰোপৰ যিটো ভড়ালৰ পৰা উপাধি আনা হয় তাতোতকৈ ডাঙৰ ভড়ালো ইয়াতে আছে"। ১৯৩৭ চনত পণ্ডিত জৱহৰলাল নেহেৰু অসম ভ্ৰমণ কৰি যোৰহাটলৈ আহিছিল। সেই সময়ত কৃষ্ণকান্ত সন্দিকৈ যোৰহাট জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ আছিল। সন্দিকৈদেৱে নিজে কলেজলৈ আহি জৱহৰলাল নেহেৰুক আদৰ সম্ভাষণ জনাইছিল। পণ্ডিত নেহেৰুক মেৰ চাৰি এখনতে আসন পাতি বহিবলৈ অনুৰোধ কৰিছিল। তেখেতে হাঁহি মুখে কলে "মই ইয়াতে বহিম নেকি" ওচৰতে বৈ থকা স্বৰ্গীয় ডº পদ্মেশ্বৰ গগৈ দেৱে মেৰ চাৰিখন অসমীয়া সমাজৰ স্বীকৃত সন্মানৰ কথা বুলি অতিথিক বুজাই দিছিল।

সন্দিকৈ ডাঙৰীয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য্য আছিল। জগন্নাথ বৰুৱা কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালত তেওঁৰ স্থিতিয়েই নতুন উদ্দীপনা আৰু আলোড়নৰ সৃষ্টি কৰিছিল। এইজন নিৰ্ভাজ অসমীয়া মানুহে এঘাৰতা ভাষা জানিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ এটি বিশেষ শাখাৰ তেখেতেই হেনো একমাত্ৰ ছাত্ৰ আছিল। সোতৰ ঘণ্টা সময়ৰ প্ৰায় চাৰি ঘণ্টা সময় আহাৰ, গা-ধোৱা, ফুৰা আৰু বিশ্ৰামৰ বাহিৰে বাকী সম্পূৰ্ণ সময় অধ্যয়নত মনোনিৱেশ কৰিছিল। ডেকা বয়সত ৰাতি দুই তিনি বজালৈকে অধ্যয়ন কৰিছিল। বিছনাত শুই নপঢ়িছিল। তেখেতেলৈ ছাত্ৰই ভয় কৰিছিল এনে নহয়, অধ্যয়নশীল ছাত্ৰ, নিষ্ঠাবান শিক্ষক আৰু সত্যবাদী ব্যক্তিক তেখেতে ভাল পাইছিল। বন্ধুৰ প্ৰতি স্নেহশীল আছিল। তেওঁ লগুৱা আদিৰ লগতো একেলগে কথা পাতিছিল আৰু নিম্ন শ্ৰেণীৰ বুলি অৱহেলাৰ চকুৰে চোৱা নাছিল।

তেওঁ আছিল ইংৰাজী, সংস্কৃত, গ্ৰীক, লেটিন আদি সৰ্ব্ব শাস্ত্ৰত বিদগ্ধ পণ্ডিত। কিন্তু তেওঁ অসমীয়াত বক্তৃতা দিওঁতে অনা-অসমীয়া শব্দ ব্যৱহাৰ নকৰিছিল। এই মহান ব্যক্তি গৰাকীক সমাজত সাধাৰণতে দেখিবলৈ পোৱা নাযায়। কিন্তু সামাজিক জীৱনৰ প্ৰতি খোজতে তেখেতৰ অসাধাৰণ প্ৰতিভা আৰু পাণ্ডিত্যৰ বীজ সিঁচৰিত হৈ আছে।

তেওঁ অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ সভাপতি আসন অলংকৃত কৰিছিল। তেওঁৰ বহুতো প্ৰবন্ধ পাতি ৰচনা কৰিছিল। অধ্যাপক সন্দিকৈ সৰ্ব্বভাৰতীয় প্ৰাচ্য সন্মিলনত সংস্কৃত শাখাৰ সভাপতি আছিল। তেওঁৰ জীৱনত তিনিখন উল্লেখযোগ্য বহুমূলীয়া গ্ৰন্থ লিখি সংস্কৃত সাহিত্যৰ ভঁড়াল চহকী কৰি থৈ গৈছে। প্ৰথম খন গ্ৰন্থ হ'ল "নৈষধ চৰিত্ৰ" (১৯৩৪), দ্বিতীয়খন "যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি" (১৯৪৯); তৃতীয়খন গ্ৰন্থ "সেতুবন্ধ" (১৯৭৫) তাৰোপৰি তেওঁ বহুতো শুৱলা কবিতা ৰচনা কৰিছিল।

তেওঁ এজন দানী পুৰুষ আছিল। তেওঁ বহুতো অনুষ্ঠানলৈ মুক্ত হস্তে দান কৰিছিল। তেওঁ সাহিত্য সভাক মাজে সময়ে আৰ্থিক সাহায্য আগবঢ়াইছিল। জীৱনৰ শেষৰ ফালে তেখেতৰ পত্নীৰ স্মৃতি যুগমীয়া কৰিবৰ উদ্দেশ্যেৰে স্থাপিত হোৱা "হেমলতা সন্দিকৈ সোঁৱৰণী বিদ্যালয়" খনৰ শিক্ষকসকলৰ দৰমহা পাতি আৰু আন সুবিধাৰ বুজ লৈছিল। মৃত্যুৰ আগতে ঘৰত কাম কৰা ল'ৰা কেইটাক প্ৰত্যেককে বিশ, ত্ৰিশ হাজাৰ পৰ্য্যন্ত আৰ্থিক সাহায্য দি থৈ গৈছে। পূৰ্ণ নামৰ ল'ৰাটোক এটি পকা ঘৰ সাজি ঘৰে মাটিয়ে দান কৰি গৈছে। এই ধৰণেৰে তেওঁ দান কৰা আন এটি সম্পত্তিৰ বৰ্ত্তমান মূল্য লাখতকৈ বেছি তাৰোপৰি বহুতো অনুষ্ঠানক তেওঁ সহায় কৰিছিল।

তেওঁ সদায়েই বগলী পাখীৰ দৰে বগা পোছাক পৰিধান কৰিছিল। ঠোৰ মৰা চুৰিয়াখন সৰু গাঠিৰ চাৰি আঙুলমানৰ ওপৰতে থাকে। ঘৰত থাকিলে ঠোৰমৰা চুৰিয়া আৰু হাতকটা চোলা পিন্ধিছিল। তেওঁ গোলাপ ফুল বৰ ভাল পাইছিল।

১৯৮২ চনত এই মহান ব্যক্তিজনৰ জীৱনৰ অৱসান ঘটে। তেওঁৰ মৃত্যুত অসম আৰু ভাৰতবৰ্ষই এজন কৃতি সন্তান হেৰুৱালে।

---

আপোনালোকে মোক "জীৱন শিল্পী" বুলি কয়। যদি প্ৰকৃততে মই 'জীৱন শিল্পী' হওঁ সেয়া ভগৱানৰ করুণাত নহয়, জনতাৰ সৃজনী শক্তিতহে। শিল্পী হবলৈ হলে ঝঞ্ঝা বিজয়ী আত্মাৰ অধিকাৰী হব লাগিব। প্ৰশান্ত মহাসাগৰত ডুব মাৰি অসংখ্য শামুক বুটলিব পৰা দুঃসাহস আৰু দুৰ্বাৰ শক্তি থাকিলেহে আজি আৰ্টৰ মুক্তা লাভ সম্ভৱ।

বিষ্ণু প্ৰসাদ ৰাভা

## গল্প

# আশাৰ শেষত

শ্ৰীমতী মিতালী দত্ত
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

পৰিয়ালটোত প্ৰাণী আছিল মুঠতে পাঁচ জন। মাক-দেউতাক, ছোৱালী দুজনী আৰু এটা ল'ৰা। ডাঙৰ ছোৱালীজনীৰ পিছতেই এটা ল'ৰা। ছোৱালী দুজনীৰ নাম পিংকু আৰু ৰিংকু আৰু ল'ৰাটোৰ নাম তিংকু। দেউতাক আছিল সৰু কোম্পানী এটাৰ গাড়ীৰ চালক। দেউতাকৰ ২০০ টকীয়া দৰ্মহাটোৰে ঘৰখন চলাবলৈ যথেষ্ট অসুবিধা হৈছিল। তিনিটা ল'ৰা ছোৱালীৰ সৈতে তেওঁলোকৰ পৰিয়ালটো ক্ৰমান্বয়ে দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ মাজত সোমাই পৰিছিল। ঘৰুৱা চিন্তা আৰু অনাহাৰৰ বাবেই মাকৰ অৱস্থা দেখিলে বেয়া লগা হৈ পৰিছিল।

সেই বছৰত পিংকু আছিল নৱম-মান শ্ৰেণীৰ ছাত্ৰী। বছেৰেকীয়া পৰীক্ষাৰ ওচৰ পাইছিলহি, পিংকুৰে মনোযোগ দি পঢ়াত ব্যস্ত হৈ পৰিছিল। পিংকুৰ যত্ন যন্ত হৈয়ে বল, পৰীক্ষা দিব নোৱাৰিলে, কাৰণ পৰীক্ষাৰ ফিজ গোটাব নোৱাৰিলে। পৰীক্ষাৰ আগমুহূৰ্তলৈকে কেইটামান পইছা বিচাৰি হাবাথুৰি খাই ফুৰিছিল, বহুতৰ ওচৰত হাত পাতিছিল কিন্তু তেওঁলোকক কোনে পইছা দিব ? তেওঁলোক যে দুখীয়া, তেওঁলোকে জানো ঋণ পৰিশোধ কৰিব পাৰিব ? দেউতাকৰ কোম্পানীৰ এজনে দিব বুলি কৈছিল, কিন্তু পইছা আনিবলৈ যোৱাত কলে "তোমালোকেটো ঋণ পৰিশোধ কৰিব নোৱাৰিবা গতিকে তাৰ বিনিময়ত ঘৰৰে কোনোবা এজনীয়ে আহি এমাহমান ঘৰৰ কাম বন কৰি দিব লাগিব। মাকে ভাৱিছিল ছোৱালী দুজনীৰ কোনোবা এজনী যোৱাতকৈ নিজে যোৱাই ভাল হব। কিন্তু দেউতাকে ক'লে—"মই জীয়াই থকা অৱস্থাত এনে হবলৈ দিব নোৱাৰো।" ইয়াৰ ফলত পিংকুৰ পৰীক্ষা দিয়া হৈ নুঠিল। মাক-দেউতাকে ভাৱিছিল, সৰু কেইটাক পঢ়াবৰ শক্তি

আমাৰ জীৱনতটো নহৱই, গতিকে ডাঙৰ ছোৱালী পিংকুকে অলপ পঢ়াই লব পাৰিলে কিজানি ঘৰখনৰ দৰিদ্ৰতা কিছু কাটেই । কিন্তু তেওঁলোকৰ মনৰ আশা ভগবানে পূৰণ নকৰালে — তেওঁ এবাৰো চকুমেলি নেচালে ।

একমাত্ৰ ল'ৰা তিংকু-পিংকুতকৈ ৩ বছৰৰ সৰু আছিল । স্বভাৱত অতি শান্ত প্ৰকৃতিৰ আৰু পঢ়া-শুনাত চোকা বিধৰ ল'ৰা আছিল । চোকা আছিল যদিও আৰ্থিক অনাটনৰ বাবে চতুৰ্থ শ্ৰেণীতেই পঢ়া শেষ কৰিবলৈ বাধ্য হৈছিল। পেটৰ ক্ষুধা নিবাৰণ কৰিবলৈ সোমাই পৰিছিল গাড়ীৰ গেৰেজত । কাম হিচাবে পাইছিল কৰ্মীসকলৰ বাবে চাহ অনা নিয়া কৰা আৰু মেকানিকে কাম কৰাৰ সময়ত ইটো-সিটো বস্তুৰ যোগান ধৰা । ল'ৰাটোৰ কামৰ সময় আছিল ৭ বজাৰ পৰা সন্ধ্যা ৬ বজালৈ। তাৰ বিনিময়ত প্ৰতিদিনে মাত্ৰ তিনি টকাকৈ পাইছিল । আজিৰ দিনত টকা তিনিটাৰ মূল্যই বা কিমান ? ৰাতিপুৱাই ঘৰৰ পৰা দিনটোলৈ ওলাই গৈ গধূলি ঘূৰি অহালৈকে আহাৰৰ বাবে যিমান প্ৰয়োজন হৈছিল ১০ বছৰীয়া তিংকুৱে তাৰ চাৰিভাগৰ এভাগো নেপাইছিল । তাৰ ফলত সেই ফুল কুমলীয়া ল'ৰাটোৰ জীৱনলৈ নামি আহিছিল বিৰাট এক ঘন কলীয়া ডাৱৰ । তাৰ ফলত ল'ৰাটোৱে হাঁহাকাৰ কৰি উঠিছিল । সেই হাঁহাকাৰৰ সুৰ আৰু ধ্বনি ভগবানে জানো শুনিলে ? নিশ্চয় শুনিবলৈ নাপালে, যদি শুনিবলৈ পালেহেতেন হয়তো ল'ৰাটোৰ জীৱন দুদিনতে শেষ হৈ নগলহেঁতেন । ল'ৰাটো কুমলীয়া দেহত ঠাই লৈছিল পিত -মামৰ ভয় লগা বেমাৰ-টোৱে । এটা মাহ বেমাৰত ভুগি ল'ৰাটোৱে মৃত্যুক আঁকোৱালি লৈছিল বহাগ মাহৰ এটা ভয়লগা শনিবাৰে । সেই শনিবাৰে কঢ়িয়াই আনিছিল ল'ৰাটোৰ মৃত্যু আৰু পৰিয়ালটোৰ শেষ পৰিণতি ।

একমাত্ৰ ল'ৰাৰ মৃত্যুৱে ঘৰখনলৈ কঢ়িয়াই আনিছিল বিষাদৰ গধুৰ বোজা, যি বোজা কঢ়িওৱাটো টান হৈ পৰিছিল । মাক-বাপেক আৰু পিংকুৰ বাবে । দেউতাক অস্থিৰ হৈ পৰিছিল ঘৰখনৰ বিপৰ্য্যয় দেখি তথাপিও মনত সাহ বান্ধি যুঁজ দিছিল জীৱনৰ লগত কিন্তু মাকৰ মনলৈ আৰু স্থিৰতা ঘূৰি নাহিল । মাক পাগলহৈ পৰিছিল । প্ৰতি সময়তে চিন্তা কৰি বহি আছিল একোঠলীয়া ঘৰটোৰ এটা চুকত । এনেকৈয়ে সময়ৰ সোঁতত দিন পাৰ হৈছিল । এটা এটাকৈ পাৰ হৈছিল অনাহাৰে ভৰা দিনবোৰ ।

এইদৰে মাকৰ মনৰ অশান্তি, চিন্তা আৰু পেটৰ ক্ষুধা মিলি মাকক গ্ৰাহ কৰিছিল এটি অচিন বেমাৰে । কোনোমতে ডাক্তৰক দেখুওৱা হল । কিন্তু ডাক্তৰে দিয়া দৰবৰ পৰিমান আছিল বহুত । তাৰ এটাও দৰৱ কিনিব নোৱাৰিলে পিংকুৰ দেউতাকে । দেউতাকৰ প্ৰবল ইচ্ছা মানুহজনীক এজন ভাল ডাক্তৰৰ ওচৰলৈ নি চিকিৎসা কৰোৱাৰ । আৰ্থিক অনাটনে তেওঁক বাধা দিলে, তেওঁ যুঁজ দিব নোৱাৰিলে । তাৰ পিছত আকৌ এটা শনিবাৰ সেইদিনা মাক গুচি গৈছিল পৃথিৱীৰ পৰা বহুত দূৰলৈ তিংকুৰ ওচৰলৈ । এৰি গৈছিল গিৰীয়েকক অকলশৰীয়া কৰি আৰু পিংকু বিংকুক নিঠৰুৱা কৰি । দেউতাক আৰু পিংকুৰ ধৈৰ্য্য শক্তি হেৰায় গ'ল । দেউতাকে কামলৈ যাবলৈ এৰিলে। ঘৰখনত বিৰাট হাঁহাকাৰৰ সৃষ্টি হ'ল ।

পিংকুৱে তেতিয়া ভালদৰে বুজি পাইছিল মাক আৰু ভায়েকৰ মৃত্যুৰ বাবে দায়ী কোন ? এই দৰিদ্ৰতা, এই অনাদৰ, এই সমাজ। তাই ভাবিছিল সিহঁতৰ দৰে এটা ভিকহু পৰিয়ালে লোকৰ লাঞ্চনা গঞ্জণা সহ্য কৰি থকাতকৈ মৃত্যুৱেই শ্ৰেয় । তাই

ভাবিলে যে তাই নিজেই মৃত্যুক সাবতিলৈ মাক আৰু ভায়েকৰ ওচৰলৈ গুছি যাব। কিন্তু হঠাৎ মনত পৰিল তাইৰ সৰু ভনীয়েকলৈ, দেউতাকলৈ। পিংকুৱে ভনীয়েকক মৰম কৰিছিল। তাই এইটো ভালদৰে জানিছিল যে তাই মৰাৰ পিছত ভনীয়েকৰ অৱস্থা পানীত হাঁহ নচৰা হ'ব। তাকে ভাবি তাই এদিন মনৰ ভাব প্ৰকাশ কৰিছিল। ভনীয়েক ৰিংকুৰ আগত কিন্তু কনমাণি ৰিংকুৱে একো বুজিব পৰা নাছিল। ঘৰখনত এই বিপৰ্যয়ৰ কথা। তাই জানো তেতিয়া সেই কথা চিন্তাকৰাৰ সময় পাইছিল? বায়েকৰ কথাৰ উত্তৰত ৰিংকুৱে কৈছিল "মই নমৰো, মই দেউতাৰ লগত থাকিম। ফলত বায়েক পিংকুৱে ভনীয়েক আৰু দেউতাকক এৰি থৈ যোৱাটোকে ঠিক কৰিলে।

সেই দিনটো আছিল আহিন মাহৰ এটা শনিবাৰ। দেউতাক ওচৰৰে ক'ৰবালৈ গৈছিল আৰু বহুত পলমকৈ ঘুৰি আহি দেখে ৰিংকু শুই আছে মাটিৰ ওপৰতে আৰু পিংকু নাই। বহুত বিচাৰি শেষত পালেগৈ বাৰীৰ পিচফালে থকা পুখুৰীৰ চুকত পিংকুৰ নিস্প্ৰাণ দেহটো ওপঙি আছে। দেউতাকে ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি বাগৰি পৰিল পুখুৰীৰ পাৰতে আৰু লগে লগে পৰাৰ পৰা উঠি এটা আৰ্তনাদ কৰি দৌৰ মাৰিছিল পশ্চিম ফালৰ হাবিলৈ। হাবিত সোমোৱাৰ পিছত আৰু কোনেও দ্বিতীয় বাৰ দেখা নাপালে। কনমাণি ৰিংকু হৈ পৰিল বাটৰ ভিকহুভিক্ষাৰী ছোৱালী॥

---

ডাক্তৰ— এয়া পেটৰ বিষৰ পিল আৰু এয়া মূৰৰ বিষৰ। দিনত দুটাকৈ দুবাৰ খাব।

ৰোগী— কিন্তু এইবোৰ পিল যেতিয়া পেটত যাব, তেতিয়া কোনটো পিল ক'ত যাব লাগে ইহঁতে কেনেকৈ জানিব?

ৰাহিদা চুলতানা ইছলাম

## ॥ প্ৰবন্ধ ॥

# পদ্মনাথ গোহাঞিবৰুৱা

শ্ৰীদীপালী বৰুৱা
স্নাতক প্ৰথম বাৰ্ষিক

“‘স্বদেশ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা’’ । এই মাতৃভাষা সুন্দৰ ভাৱে সজাই তুলিছিল এজন অসম সন্তানে সেইজন আছিল পদ্মনাথ গোহাঞি বৰুৱা । ১৮৭১ চনত উত্তৰ লক্ষীমপুৰত তেওঁৰ জন্ম হয়, তেওঁৰ দেউতাক ঘিনাৰাম বৰুৱা । তেওঁ স্কুলীয়া শিক্ষা লক্ষীমপুৰ আৰু শিৱসাগৰত সাং কৰে ।

অসমীয়া সাহিত্যলৈ গোহাঞি বৰুৱাদেৱে এক অতুলনীয় বৰঙণি আগবঢ়াই থৈ গৈছে । নাটক, প্ৰহসন, কবিতা. গীত, উপন্যাস, সমালোচনা, সম্পাদনা, জীৱনী, তত্বগধুৰ পুথি আদি সাহিত্যৰ সকলো দিশতে এক বুজন পৰিমানৰ অৱদান দি থৈ গৈছে । তেওঁৰ ৰচিত সাহিত্যৰাজিৰ ভিতৰত নাটকৰ সংখ্যা আটাইতকৈ সৰহ ।

‘জয়মতী’ (১৯০০) নাটকেৰে অসমীয়া সাহিত্যত প্ৰথমবাৰৰ বাবে বুৰঞ্জীমূলক নাটক লিখাৰ প্ৰয়াস কৰে পদ্মনাথ গোহাঞিবৰুৱাদেৱে । তাৰপাচত ১৯০৭ চনত গদাধৰ, ১৯১১ চনত সাধনী, ১৯১৫ চনত লাচিত বৰফুকন আৰু একমাত্ৰ পৌৰাণিক নাটক বাণৰজা ৰচনা কৰে ১৯৩২ চনত । তেওঁৰ অন্য তিনিখন হাস্যৰসৰে ভৰা নাটক হ’ল গাঁওবুঢ়া, টেটোন তামুলী, আৰু ভূতনে ভ্ৰম’’ এই কেইখন নাটকৰ যোগেদি তেওঁ মাত্ৰ অকল- হহুৱাবলৈ চেষ্টা কৰা নাই, তাৰ মাজেৰে সমাজৰ দোষ আৰু কুসংস্কাৰ উদঙাই দেখুৱালে । জয়মতী, সাধনী, গদাধৰ, লাচিত বৰফুকন আদি নাটক কেইখন কল্পনাৰে সোণপানী চৰোৱা বুৰঞ্জী মূলক একোটা ঘটনা । জয়মতী আৰু সাধনীৰ

সতীত্বয়ে অসমীয়া নাৰী সমাজকে প্ৰেৰণা যোগোৱাৰ ওপৰিও সমগ্ৰ নাৰী জাতিকে প্ৰেৰণা যোগালে। লাচিত বৰফুকন আৰু গদাধৰ নাটকে অসমীয়া সমাজক সাহসৰ প্ৰেৰণা যোগায়। নাট্যকাৰ হিচাপে গোহাঞিবৰুৱা এজনা সফল নাট্যকাৰ। তেওঁ নাটকৰ কাহিনীৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে চেষ্টাৰ ত্ৰুটী কৰা নাছিল। পৰাধীন আৰু আত্মবিস্মৃত অসমবাসীৰ মনত দেশাত্মভাৱ জগাই তোলাই আছিল গোহাঞিবৰুৱাদেৱৰ প্ৰধান উদ্দেশ্য।

অসমীয়া সাহিত্যত জোনাকী যুগৰ পৰাহে প্ৰকৃত উপন্যাস ৰচনা হৈছে বুলি কব পাৰি। এই সময়তেই পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা উপন্যাস ভানুমতী (১৮৯১) আৰু লাহৰী (১৮৯২) দুয়োখনেই ইতিহাসৰ পটভূমিত লিখা। বিশ্ববিখ্যাত ঔপন্যাসিক স্কট আৰু বঙ্কিম চন্দ্ৰৰ আহিত ইতিহাসৰ পটভূমিত ৰোমান্স প্ৰধান উপন্যাস ৰচনা কৰাৰ পথ দেখুৱালে গোহাঞি বৰুৱাদেৱে। তেওঁ উনৈশ বছৰ বয়সত ভানুমতী উপন্যাস ৰচনা কৰে। ভানুমতী প্ৰকাশ পাইছিল ধাৰাবাহিক ভাৱে বিজুলিৰ পাতত। ভানুমতী গোহাঞি বৰুৱাৰ "প্ৰথম সাহিত্যিক অৰ্জন" তাৰ এবছৰৰ পাচত "লাহৰী" ৰচনা কৰে। দুয়োখন উপন্যাসৰ কাহিনীয়ে পাঠকৰ হিয়া চুই যায়। দুয়োখন উপন্যাস নায়িকাৰ নামেৰে নামাকৰণ কৰা হৈছে আৰু নায়িকা চৰিত্ৰ দুটিৰ ওপৰত লেখকে প্ৰাধান্য দিছে। চৰিত্ৰাঙ্কনত বিশেষ সাৰ্থকতা লাভ কৰিব নোৱাৰিলেও ভানুমতী, লাহৰী, ধনবৰ, ৰতা আদিয়ে প্ৰাণ পায় উঠিছে। গোহাঞি বৰুৱাদেৱৰ কাপৰ পৰশত ভানুমতী আৰু লাহৰীয়ে অসমীয়া সাহিত্যলৈ নতুনৰ ধল আনে। গোহাঞি বৰুৱাৰ পাছতহে ৰজবৰুৱা, বৰদলৈ আদি লিখকৰ নিজৰি কাপৰ পৰা নিজৰা বৈছিল। সেয়েহে গোহাঞি বৰুৱাক অসমীয়া সাহিত্যৰ বাটকটীয়া বুলিব পাৰি।

পদ্মনাথ গোহাঞি বৰুৱাৰ মনত সাহিত্যৰ বীজ ৰোপিত হৈছিল প্ৰায় ছেওঁলীয়া অৱস্থাৰ পৰাই আৰু তেওঁৰ কাপৰ পৰা ওলোৱা "লীলা" 'জুৰণি আৰু ফুলৰ শৰাই' অসমীয়া ভাষাৰ সাহিত্য মন্দিৰলৈ আগবঢ়োৱা অনুপম দান। "প্ৰকৃতি ব্ৰহ্মপুত্ৰ" আদি প্ৰকৃতি বিষয়ক কবিতাও গোহাঞি বৰুৱাদেৱে ৰচনা কৰিছিল। কবিতাৰ ক্ষেত্ৰত গোহাঞি বৰুৱাৰ আত্মপ্ৰত্যয়ৰ সুৰ থকা দেখা যায়। গোহাঞি বৰুৱাৰ বন্তি, বিজুলি, উষা আদি কবিতাৰ মাজত আশাবাদে ভুমুকি মাৰিছিল। প্ৰথম পত্নী লীলাৱতীৰ বিয়োগৰ দুখত ব্যক্তিগত দাম্পত্য জীৱনৰ কাহিনীৰে কবিতা পুথি "লীলা কাব্য" ৰচনা কৰে। তেখেতে গীতৰ পুথি নিলিখিলেও গীত ৰচনা কৰিছিল। তেওঁ লিখা নাটক কেইখন আৰু উষা, বিজুলি আদিৰ আলোচনী পাতত বহুতো গীত সিঁচৰিত হৈ আছে। গীতিকাৰ হিচাবে গোহাঞি বৰুৱাৰ বিশেষ কৃতিত্ব নাই। তথাপিও যি এমুঠি গীত আছে, সেই কেইটিয়ে গীতিকাৰ গোহাঞি বৰুৱাৰ স্বাক্ষৰ বহন কৰি থাকিব।

পদ্মনাথ গোহাঞি বৰুৱা এজন সু-সাংবাদিকও আছিল। তেওঁ জোনাকী কাকতৰ যোগেদি অসমীয়া সাহিত্যত মনোনিবেশ কৰিছিল। জোনাকীৰ পোহৰত ভাষা জননীক পূজা কৰিবলৈ অহা লোক সকলৰ ভিতৰত গোহাঞি বৰুৱাদেৱ অন্যতম। বিজুলিৰ যোগেদি গোহাঞি বৰুৱাই ভাষা জননীক সেৱা কৰিছিল। গোহাঞি বৰুৱাৰ বিভিন্ন সৃষ্টিয়ে লাহে লাহে বিজুলীৰ পাত ওপচাই পেলালে। বিজুলীয়ে যদিও বৰুৱাদেৱক সৰ্ব্বস্বান্ত কৰিছিল, তথাপিও তেওঁক সাংবাদিক ৰূপে প্ৰতিষ্ঠা

কৰি তুলিলে। যাৰ ফলত তেওঁ প্ৰায় ৩০ বছৰ সম্পাদনা কৰিলে "অসম বন্তি" আৰু ৪ বছৰ সম্পাদনা কৰিলে 'উষা'। 'বন্তি' আছিল অতি জনপ্ৰিয় বাতৰি কাকত, যদিও এদিন 'বন্তি' মাজভাগতে হেৰাই গ'ল তথাপি 'বন্তিয়ে' অসমীয়া সমাজৰ মাজত বিলাই গ'ল বাতৰি-কাকত, আলোচনী সম্পাদনা কৰাৰ এক নতুন প্ৰেৰণা। 'উষা' কাকতৰ জৰিয়তে গোহাঞি বৰুৱাই এক বিশাল ব্যক্তিত্বৰ পৰিচয় দিছিল।

গোহাঞি বৰুৱাদেৱৰ ঐতিহাসিক জ্ঞান কম নাছিল। তেওঁ অসম বুৰঞ্জী নামে এখন বৃহৎ বুৰঞ্জী পুথি ৰচনা কৰিছিল। তেওঁ শেষ বয়সত শ্ৰীকৃষ্ণ গ্ৰন্থ (১৯৩২) আৰু গীতাসাৰ (১৯৩৫) এই দুখনি তত্ত্বমূলক পুথি ৰচনা কৰে। অসম যেতিয়া বগা বঙালৰ শাসনাধিষ্ঠ হল, তেতিয়া বগা বঙালৰ সহায়কাৰী হিচাপে অহা কিছুমান বঙালীৰ ষড়যন্ত্ৰত অসমীয়া ভাষা বিলুপ্ত হৈ অসমীয়া ভাষাৰ ঠাইত ঠাই পালে বঙলা ভাষাই। পুনৰ যেতিয়া হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকনৰ, অশেষ যত্নত অসমীয়া ভাষাই ঠন ধৰি উঠিছিল, তেতিয়া কিন্তু অসমীয়া পাঠ্যপুথিৰ অভাৱ হৈছিল। সেই অভাৱ দূৰ কৰাত সহায় কৰিছিল গোহাঞি বৰুৱাদেৱে। তেওঁ পাঠ্যপুথি, বিভিন্ন কিতাপ লিখি অসমীয়া সমাজত তথা অসমীয়া সাহিত্যত এক অতুলনীয় অৱদান আগ বঢ়াইছিল। এই কথা সময়ে কেতিয়াও পাহৰিব নোৱাৰে।

পদ্মনাথ গোহাঞি বৰুৱাৰ ৰচনাৱলীসমূহ বিশ্লেষণ কৰিলে দেখা পোৱা যায়, তেওঁৰ কবিত্ব সুলভ বৰ্ণনাৰ সুন্দৰতম প্ৰকাশ। তেওঁ কিছুমান ৰচনাৰ মাজে মাজে হ্যাস্যৰসে ভুমুকি মাৰিছে আৰু কিছুমান ৰচনাৰ মাজেৰে স্বদেশ প্ৰেমৰ নিজৰা বৈছে। অসমীয়া ভাষা সাহিত্যলৈ আগবঢ়োৱা অতুলনীয় সেৱাৰ বাবে তেওঁৰ প্ৰতি অসমীয়াৰ শিৰ দোঁ খাইছিল। গোহাঞি বৰুৱাৰ জীৱত কালতে তেওঁৰ লিখনিয়ে স্বীকৃতি পাই গৈছে। তেওঁ "অসম সাহিত্য সভা"ৰ প্ৰথম অধিবেশনকে আৰম্ভ কৰি সদৌ অসম ভিত্তিত অনুষ্ঠিত তেতিয়াৰ প্ৰায় সকলো অনুষ্ঠানতে সভাপতি ৰূপে নিৰ্বাচিত হৈ ৰাজহুৱা ভাৱে সন্মানিত হৈছিল আৰু চৰকাৰে তেওঁক ৰায় বাহাদুৰ, ৰায় চাহাব উপাধি দিছিল। আৰু উল্লেখযোগ্য যে ইংৰাজ চৰকাৰে প্ৰথম বাৰৰ বাবে সাহিত্যিক পেন্সন গোহাঞি বৰুৱালৈ আগবঢ়াইছিল।

এই ধৰিত্ৰীৰ মানৱ দেহা এৰি কোনো অজান দেশলৈ আঁতৰি গ'ল ১৯৪৬ চনৰ ২০ এপ্ৰিলৰ দিনা। কিন্তু অসমবাসীৰ মনত মচিব নোৱাৰা সাঁচ বহুৱাই থৈ গ'ল গোহাঞি বৰুৱাদেৱে। যি জনে চিৰ চেনেহী অসমীয়া ভাষাক বঙলা ভাষাৰ কৰাল গ্ৰাহৰ পৰা উদ্ধাৰৰ কাৰণে অশেষ চেষ্টা কৰি গ'ল সেইজনৰ নাম অসমীয়া মানুহে পাহৰিব কেনেকৈ? গোহাঞি বৰুৱাৰ নাম অসমীয়া সাহিত্য, বুৰঞ্জীত সুগন্ধি কুসুমৰে জাতিষ্কাৰ হৈ আছে আৰু সুদূৰ ভৱিষ্যতেও থাকিব।

---

সাহিত্য সদায় জীৱন আৰু সমাজৰ লগত জড়িত থাকে। ই জীৱন আৰু সমাজক নকল নকৰে। কেৱল ইয়াৰ উদ্দেশ্যৰ ফালেহে ধাৱমান হয়।

অস্কাৰ ৱাইল্ড

## গল্প

# স্বীকৃতি

মিচ্ বন্তি বৰা
স্নাতক ১ম বাৰ্ষিক

হাতত ডায়েৰীখন লৈ অপুৰ মনটো উগুল থুগুল লাগিছে। গোটেই দিনটো তাৰ একোতে মন বহা নাই। কেতিয়াবা সি ভাবে সি জানো কিবা ভুল কৰিছে? নাই নাই এইয়া কেতিয়াও ভুল হব নোৱাৰে, সি মাত্র তাৰ দেউতাকৰ পৰিচয় বিচাৰিছে। সি তাৰ দেউতাকক বিচাৰিছে। কিন্তু কোনেদিনেই মাকৰ পৰা স্পষ্ট উত্তৰ পোৱা নাই, আৰু পোৱাৰ আশাও শেষ হৈ আহিছে।

অপুৰ মাক এতিয়াও ঘৰ পোৱাহি নাই। চাৰি বজাৰ আগতে আহি পোৱাৰ সম্ভাৱনাও নাই। তাতে এই কেইদিনত অফিচৰ কামো যথেষ্ট বেছি হৈছে। এই নীৰৱ সময় খিনিৰ মাজতে অপুৱে ড্ৰইংৰুমত বহি হাতত মাকৰ ডায়েৰীখন লৈ লাহে লাহে পাতবিলাক লুটিয়াই যাব ধৰিলে। হঠাতে এখিলা পাতৰ কেইটামান কথাত অপু থমকি ৰল। একে উশাহতে সি কথাবোৰ পঢ়ি পেলালে। "যিদিনাই মই গম পাইছিলো যে অৰূপ আৰু মোৰ ভুলৰ বাবে আমাৰ মাজত তৃতীয় এজন ব্যক্তিৰ আৱিভাৱ হৈছে সেইদিনাই মই অৰূপক এই বিষয়ে জনাইছিলো। কিন্তু অৰূপে তেওঁৰ সন্তানক পিতৃ বুলি স্বীকৃতি নিদিলে। কান্দি কান্দি মই ভাগৰি পৰিছিলো, আৰু অৱশেষত আহিব ধৰা সন্তানৰ মাজত অৰূপক জীয়াই ৰখা প্ৰতিশ্ৰুতিৰে এটা চাকৰি যোগাৰ কৰি সেই ঠাইৰ পৰা আঁতৰি আহিছিলো।

ডায়েৰীখন জপাই অপুৱে ভাবিবলৈ ধৰিলে। অৰূপনো কোন? নাই সি ভাবি ভাবি অৰূপক

বিচাৰি নাপালে । সি ডায়েৰীৰ অন্য এখিলা পাত লুটিয়ালে । সি আকৌ থমকি ৰ'ল— "সেইদিনাখন অফিচলৈ যাওঁতে হঠাৎ এখন এম্বেচাদৰৰ ভিতৰত অৰূপক দেখি থমকি ৰৈ-ছিলো । হেৰাই যাব ধৰা স্মৃতি বিলাকে বাৰে বাৰে আমনি কৰিছিল । অনুসন্ধান কৰি গম পাইছিলো, অৰূপ চিভিল এচ ডি অ' হৈ সেই ঠাইলৈ আহিছে"।

ডায়েৰীখন জপাই অপুৱে ভাবিবলৈ ধৰিলে তাৰ ক্লাচ মেট পাপৰি চলিহাৰ দেউতাক অৰূপ চলি-হাৰ কথা। তেন্তে সেই অৰূপ চলিহাই তাৰ দেউ-তাক । সি প্ৰতিজ্ঞা কৰিছিল যে এদিন অৰূপ চলিহাই নিজ মুখে স্বীকাৰ কৰিব লাগিব যে অপু তেওঁৰেই সন্তান ।

বিশ্ববিদ্যালয়ৰ সকলোতে আগ ভাগ লোৱা অপুৱে হাতত বহীখন লৈ ক্লাচলৈ সোমাই গৈছিল । সিহঁতৰ ডিপাৰ্টমেণ্টত ছোৱালী মাত্ৰ দুজনী । কোনোদিন ছোৱালীৰ মুখলৈ নোচোৱা অপুৱে সেইদিনাখন পাপৰি চলিহাৰ লগত চিনাকী হ'ল । পাপৰিয়ে অৱশ্যে অপুৰ লগত চিনাকী হৈ নিজেই গৰ্ব অনুভৱ কৰিছিল । দেউতাকৰ একমাত্ৰ জীয়েক পাপৰি সকলো ক্ষেত্ৰতে স্বাধীনমনা । পাপৰিয়ে অপুৰ লগত সহজেই সহজ হৈ পৰিছিল ।

পাপৰিয়ে অপুৰ বাহিৰে অন্য চিন্তা কৰিবলৈ বাদ দিলে । পাপৰিৰ মনত অপু এক জ্বলন্ত প্ৰদীপ হৈ জ্বলি উঠিল । কিন্তু অপুৱে কোনোদিন পাপৰিৰ ওচৰত কোনো ধৰণৰ ভুল কৰা নাছিল । যিহেতু সিহঁত একে পিতৃৰে সন্তান । কেৱল সি বিচাৰে তাৰ দেউতাকে তাক পিতৃৰূপে স্বীকৃতি দিয়াটো ।

বিশ্ববিদ্যালয়ৰ পৰীক্ষা ভালদৰেই পাৰ কৰিছিল অপু আৰু পাপৰিয়ে । পঢ়া শেষ হ'লত পাপ-ৰিক বিয়া দিবৰ বাবে দেউতাক অৰূপ চলিহা উঠি পৰি লাগিল । নগৰৰ মেজিষ্ট্ৰেত এজনৰ লগত পাপৰিৰ বিয়াৰ কথা বতৰা হ'বলৈ ধৰিলে । পাপৰিৰ কাণত সেই কথা পৰাত স্পষ্ট ভাৱে তাই দেউতাকৰ ওচৰত জনাই দিলে যে অপুৰ বাহিৰে তাই আন কাৰো লগত বিয়া নহয় ।

অৰূপ চলিহা মহা চিন্তাত পৰিল । অপু বা কোন ? অন্যহাতে সকলোৰে পৰা দুখ কষ্ট চিনি নোপোৱা তেওঁৰ একমাত্ৰ জীয়েক পাপৰি । পাপ-ৰিক দেউতাকে বহুত বুজালে । কিন্তু তেওঁৰ কোনো কথাই পাপৰিয়ে নশুনিলে । উপায়হীন হৈ অৰূপ চলিহাই অপুক মতাই আনিলে । অপুৱে স্পষ্ট ভাৱে অৰূপ চলিহাৰ ওচৰত জনাই দিছিল যে তেওঁ পাপৰিক বিয়া কৰাব । অৰূপ চলিহাই কেৱল মাত্ৰ অপুৰ মাকৰ ওচৰত এই প্ৰস্তাৱ দাঙি ধৰিব লাগিব । একমাত্ৰ জীয়ে-কৰ মনত দুখ নিদিবৰ বাবে অৰূপ চলিহা যাবলৈ মান্তি হ'ল ।

ৰাতি পুৱাৰে পৰা আজি অপুৱে নিজহাতে কাম কৰা ল'ৰাটোৰ লগত ঘৰ সজোৱাত ব্যস্ত । অপুৰ আজি বৰ আনন্দ । যিহেতু অৰূপ চলিহা আজি তাৰ ঘৰলৈ আহিব । পাপৰিৰ বিয়া হৈ যাওক, তাত কোনো আপত্তি নাই । যিহেতু পাপৰি তাৰেই ভনীয়েক । তাই সুখী হোৱা মানে সি সুখী হোৱা । সি কেৱল তাৰ দেউতাকৰ মুখে এজন স্বীকৃতি প্ৰাপ্ত পুতেক হোৱাটো সি বিচাৰে । আনহাতে অপুৰ মাকৰ মনটো উগুল-থুগুল ভাৱ । তেওঁৰ ঘৰলৈ বা আজি কোন আহে ।

গাড়ীৰ হৰ্ণ শুনি অপু ওলাই আহিছিল । গাড়ীৰ

পৰা পাপৰি আৰু অৰূপ চলিহা নামি আহিল। অপুৱে আদৰ-সাদৰ কৰি নি ড্ৰইং ৰুমত বহুৱালেগৈ। অপুৰ মাকে হাতত ৰটা এটা লৈ আলহিক মাত দিবলৈ আহিল। সন্মুখত অৰূপ চলিহাক দেখি তেওঁ স্থৱগ পৰা মানুহৰ দৰে থৰ হৈ গল। কাষত ৰৈ থকা অপুৱে এনেকুৱা এটা পৰিস্থিতিকে কল্পনা কৰিছিল। কিন্তু বেচেৰী পাপৰিয়ে একো বুজিব পৰা নাছিল।

বিয়া প্ৰসঙ্গৰ কথা আলোচনাত অৰূপ চলিহা মহা কষ্টত পৰিল। তেওঁ একপ্ৰকাৰ চিঞৰি উঠিল "অপু আৰু পাপৰিৰ বিয়া হব নোৱাৰে। অপু মোৰেই সন্তান"। অপু আনন্দত জপিয়াই উঠিছিল। অৰূপ চলিহাই নিজ মুখে অপুক পুত্ৰৰূপে স্বীকৃতি দিলে। সি একেথৰে চাই ৰৈছিল চকুৰ পানীৰে ওপচি পৰা উজ্বল চকু দুটাৰ সৈতে মাকৰ মুখৰ সেই মিঠা-হাঁহিটোলৈ।

অতীতৰ ফালে চাবৰ প্ৰয়োজন নাই আগবাঢ়া আগৰফালে চোৱা। আমাক লাগে অসীম শক্তি, অদম্য উৎসাহ, দুৰ্জয় সাহস, অসীম ধৈৰ্য্য। তেহে আমি মহৎ কাৰ্য্য সাধন কৰিব পাৰিম।

স্বামী বিবেকানন্দ

## ॥প্ৰবন্ধ॥

# কবিতা আৰু নতুন কবিৰ কবিতা

মিচ্ ইন্দিৰা ফুকন
স্নাতক ১ম বাৰ্ষিক

কবিতা কি ? এই সম্পৰ্কে আলোচনা কৰিবলৈ গৈ বহু জনে বহু সংজ্ঞা দাঙি ধৰিব খোজে । কবিতা কি একে আষাৰে কোৱা সহজ সাধ্য নহয় । কবিতাই সাহিত্যৰ জননী স্বৰূপা বুলি দাবী কৰিব পাৰে । সেয়ে কবিতাক বাদ দি সাহিত্য বিকলাংগ । শব্দৰ মালা গাঁথি চেতনাৰ পৰিশুদ্ধি কৰাৰ ক্ষমতা কবিতাৰ আছে ।

কবিতা কি জনাৰ আগতে ইয়াৰ জন্মৰহস্য সম্পৰ্কেও কিছু কথা জনা দৰকাৰ। আদিতে কবিতা আৰু গীতৰ মাজত পাৰ্থক্য নাছিল । সেইসময়ত ভাৱ আৰু কাহিনী সম্বলিত কবিতাসমূহে ৰাইজৰ মাজত আনন্দ বিলাইছিল । কিন্তু দেখা গ'ল লাহে লাহে এই কবিতাই কাহিনীৰ পৰা আঁতৰি আহিল । আজিৰ কবিতাই ৰাইজৰ মাজত আগৰ সেই কাহিনীগত আনন্দ দিব নোৱাৰে । কবিতা হৈ পৰিল নিঃসঙ্গ । ই আবদ্ধ হৈ ৰ'ল সংখ্যালঘিষ্ট পাঠকৰ মাজতে । তথাপি কবিতাৰ মৰণ নাই; ই যুগে যুগে বৰ্ত্তি থাকিব। ইংৰাজ কবি ডব্লিউ, এইচ, অডেন (W.H. Auden) এ এঠাইত কৈছে যে মানুহেই হৈছে একমাত্ৰ জীৱ যি সৃষ্টিৰ অপৰিপূৰ্ণতাৰ সম্পৰ্কে সচেতন । ( The only animal aware of lack and finish ) । জীৱশ্ৰেষ্ঠ মানুহে প্ৰকৃতিৰ লগত নিজকে খাপ খুৱাই চলিবলৈ যাওঁতে দেখিছে দুয়োটাৰ মাজত কি ব্যৱধান। বহিঃ প্ৰকৃতিৰ মাজত দেখা ৰহস্যময় শক্তি, বিধি-বিধানৰ আগত নিজৰ জীৱনৰ সীমাবদ্ধতাৰ কথা সততে উপলব্ধি কৰিছে । আনকি নিজৰ মাজতে অনুভৱ কৰিছে তেওঁ কি হোৱা উচিত

আৰু কি পৰা নাই । অন্যহাতে বহিঃ প্ৰকৃতিৰ লগত সভ্যতাৰ প্ৰাৰম্ভণিৰে পৰা নিজৰ অস্তিত্ব ৰক্ষাৰ্থে সংগ্ৰাম কৰিবলগা হৈছে । এইদৰে জীৱশ্ৰেষ্ঠ মানৱৰ প্ৰকৃতিৰ সৈতে হোৱা দ্বন্দ্ব আৰু বহিঃ প্ৰকৃতিৰ বিৰুদ্ধে হোৱা সংগ্ৰামৰ পৰিণতি স্বৰূপে মানব মনৰ বিকাশ, জ্ঞান আহৰণ আৰু আদিম সামূহিক জীৱনধাৰাত ক্ৰম বিৱৰ্ত্তনে দেখা দিয়ে । আদিম সামূহিক জীৱন ধাৰণৰ নৃত্য, গীত, চিত্ৰৰে বাস্তৱৰ ভেঁটিত কল্পিত জগতৰ সৃষ্টি কৰি জন-মানসক অতি প্ৰাকৃতিক জনবিশ্বাসেৰে উদ্বুদ্ধ ঐন্দ্ৰজালিক ( Magical ) শক্তিৰে উদ্বেল্লিত কৰা । বাস্তৱৰ ভেঁটিত প্ৰতিষ্ঠিত কল্পিত জগতৰ প্ৰতীকী অনুকৰণে আদিম সভ্যতাক আৰু এখোজ আগলৈ আগবঢ়াই নিয়াত সহায় কৰিছিল । এটা পৰ্য্যায়ত তেওঁলোকে প্ৰকৃতি-পুৰাণৰ সৃষ্টি কৰিছিল । আনকি হাবিয়ে-বননিয়ে ঘুৰি-ফুৰা অঘৰী মানুহেও গুহাৰ গাত আঁকিছিল চিকাৰৰ ছবি, জাক পাতি চিকাৰ কৰাৰ ভাও দি নাচি-ছিল, মন্ত্ৰ মাতিছিল । পিছলৈ প্ৰাকৃতিক শক্তিক কেন্দ্ৰ কৰি পৌৰাণিক আখ্যানৰো সৃষ্টি কৰিছিল ।

পৰ্য্যায়ক্ৰমে উন্নতিৰ জখলাত উঠি মানুহৰ চেত-নাই আৰু অধিক বিকাশ লাভ কৰিলে । মানুহৰ আশা আৰু উপলব্ধিৰ অনুভূতি আৰু তীব্ৰতৰ হবলৈ ধৰিলে । মানুহৰ আশাই আৰু নতুনত্ব দাবী কৰিলে । ফলস্বৰূপে একশ্ৰেণী সংবেদন-শীল মানুহে কল্পিত আদৰ্শক বাস্তৱত ৰূপ দিলে কাব্য চিত্ৰ, নাট্য আদি বিভিন্ন কলাৰূপৰ মাজেৰে । ব্যক্তিৰ চিন্তা, আশা-আকাংখা, আবেগ, অনুভূতিৰ উপলব্ধিৰে সামাজিক মানসৰ লগত সম্পৰ্ক ৰাখি মানৱ জীৱনৰ এক পূৰ্ণতৰ, আদৰ্শ, ৰূপ সৃষ্টি কৰাৰ প্ৰয়াস কৰিলে ।

দেখা যায় কলা কৃষ্টি এবিধ সামাজিক কৰ্ম ।

কিন্তু সেয়ে হলেও কলাকাৰ এক বিশেষ ব্যক্তিহে; সকলোৱেই জানো কবি হব পাৰে ? প্ৰশ্ন হয় যি শক্তিৰ বলত সাহিত্য সৃষ্টি কৰে সেই শক্তিৰ উৎসয়েই বা ক'ত ? ইয়াৰ উত্তৰত নানাজনে নানা উত্তৰ দিব বিচাৰে । দাৰ্শনিক সমাজ তাত্বিকৰ মতে শিল্প কলাকৃষ্টি ৰহস্যৰ মূলতো হ'ল জৈৱিক প্ৰেৰণা । ভাববাদী দাৰ্শনিকৰ মতে দৈবিকসত্তাই ইয়াৰ মূল—কবিসত্তাৰ মূলতে যে কিবা ঐশ্বৰিক প্ৰেৰণা নাইবা জন্মগত প্ৰতিভা নিহিত হৈ থকাৰ কথা আনুমানিক চাৰিহাজাৰ বছৰ আগতে আৰ্য্য ঋষিৰ অপৌৰুষেয় বাণী বেদৰ শ্লোকৰ মাজতো নাইবা তিনিহাজাৰ বছৰ আগৰ গ্ৰীক মহাকবি হোমাৰৰ মহাকাব্যৰ মাজতো পোৱা যায় । কবিয়ে লাভ কৰা দৈৱিক প্ৰেৰণাৰ কথা দাৰ্শনিক প্লেটোৰ 'আয়ন' ( Ion ) নামৰ গ্ৰন্থটো উল্লেখ পোৱা যায় । প্ৰবক্তা 'আয়নৰ' সৈতে হোৱা এটা কাল্পনিক সংলাপৰ এঠাইত দাৰ্শনিক চক্ৰেটিছে কৈছে—

"For the Poet is a light and winged and holy thing, and there is no invention in him until he has been inspired and is out of this senses, and the mind is no longer in him. When he has not attained to this state, he is powerless and unable to utter his oracles."

"কবি এটা পাতল পাখি লগা বস্তু, অনুপ্ৰাণিত আৰু উন্মত্ত নহয় মানে তেওঁ একো ৰচনা কৰিব নোৱাৰে । অনুপ্ৰেৰণা লাভ কৰা অৱস্থা আৱন্ত নহলে কোনো মানুহে কবিতা ৰচনা বা ভবিষ্যদ্বাণী কৰিব নোৱাৰে ।"

ওপৰৰ কথাৰ পৰা আমি জানিব পাৰিছো যে,—

কবিয়ে দৈৱ প্ৰেৰণা অবিহনে আৰু উন্মত্ত অৱস্থা নাপালে কাব্য সৃষ্টি কৰিব নোৱাৰে।

মাৰ্ক্সপন্থী বস্তুবাদী তাত্বিকৰ মতে বহিঃপ্ৰকৃতিৰ কোনো ভু নোপোৱা আদিম মানৱে জীৱন সংগ্ৰামৰ প্ৰয়োজনতে নৃত্য গীত আদিৰ মাধ্যমত তেওঁলোকৰ জীৱিকাৰ লগত জড়িত বিভিন্ন কাৰ্য্যৰ অনুকৰণ কৰিছিল। এনে অনুকৰণৰ মূলতে প্ৰকৃতিৰ অন্তৰালত থকা অজ্ঞাত শক্তিক তেওঁলোকৰ জীৱন-ধাৰণৰ অনুকূলে পৰিচালিত কৰিবলৈ তেওঁলোকৰ অৱচেতন মনৰ হেঁপাহ। এই হেঁপাহৰ পৰাই জন্মলৈছিল এক প্ৰকাৰৰ যাদুকৰী অনুষ্ঠান ( Magic )। মাৰ্ক্সপন্থী তাত্বিকৰ ধাৰণাত কৱিতাৰ জন্ম হৈছে এই Magicৰ পৰাই ("Poetry has grown out of magic" George Thomsom. Marxism and Poetry.) উনৈশ শতিকাৰ শেষৰ পিনে দেখা দিয়া ফৰাচী প্ৰতীকবাদী কবি আৰু আধুনিক মনোবিজ্ঞানীসকলে আগবঢ়োৱা মতামতো স্মৰণীয়। বিশুদ্ধ নন্দনতাত্বিক অভিজ্ঞতাক ব্যক্তিগত প্ৰতীকৰ সহায়েৰে ৰূপ দিব খোজা ফ্ৰান্সৰ ব'ডলেয়াৰ, মাৰ্লামে আদি কবি কবিসকলে কবিতাৰ কাৰিকৰী দিশটোৰ ওপৰতহে গুৰুত্ব দিছিল। তেওঁলোকৰ লক্ষ্য আছিল কৱিতাৰ সুসংহত গাঁথনি। তেওঁলোকে কৱিতাত বিচাৰিছিল—গাণিতিক সমস্যাৰ যথাৰ্থতা আৰু অকাট্য পৰিণতি ( The Precision and rigid consequence of mathematical problem ) কাব্য সৃষ্টি কৰা প্ৰণালীৰ ওপৰত গুৰুত্ব আৰোপ কৰা ব'ডলেয়াৰে কবি প্ৰেৰণাক 'দৈনন্দিন প্ৰয়াসৰ ফল' ( The reward of daily effort ) বুলি ভাবিছিল। মৰ্লামেৰ বিখ্যাত উক্তি—'কবিতা শব্দৰে লেখা হয়, ভাবেৰে নহয়' ( Poetry is written with words, not ideas )। অতীত প্ৰেৰণাৰ তত্বৰ বিপৰীতে প্ৰতীকবাদী কবিয়ে সচেতন কলা কুশলতাৰ প্ৰতি মনোযোগ দিয়াৰ কথা উপৰুক্ত উক্তিৰ পৰা জানিব পাৰি। আনহাতে ফ্ৰয়েড, য়ুঙ আদি মনোবিদ সকলেও কাব্যিক প্ৰেৰণাৰ বিষয়টোৰ এটা যুক্তিসন্মত মনোবৈজ্ঞানিক ব্যাখ্যা দাঙি ধৰিছে—তেওঁলোকে ভাবে যে অৱচেতন মন, সপোন আৰু স্মৃতিৰ জগতখনেই হৈছে কাব্যৰ উৎস। এইদৰে কবিতাৰ উৎস বিচাৰোঁতে যুগে যুগে কৱিয়ে কবিতাৰ সৃষ্টি ৰহস্য সম্পৰ্কে ভিন্ন মত প্ৰকাশ কৰিছে।

কবিতাৰ জন্মৰহস্যৰ লগতে কবিতানো কি বস্তু, ইয়াৰ আকৃতি-প্ৰকৃতি কেনেধৰণৰ, এনেধৰণৰ কিছুমান প্ৰশ্নই কেৱল কবিহে নালাগে, আন আন কবিতাৰ ৰসসন্ধানী সকলকো বিমোৰত পেলোৱা দেখা যায়।

প্ৰথমতে, কাব্যৰ স্বৰূপ সম্পৰ্কত বিভিন্ন কাব্য জিজ্ঞাসুসকলে তেওঁলোকৰ মত দাঙি ধৰিছে। ভাৰতীয় আলংকাৰিক সকলে কাব্যৰ দৈহিক উপাদান শব্দ আৰু অৰ্থৰ সংযোগত গঢ় লোৱা লিখনিক অলঙ্কাৰেৰে সজাই-পৰাই লোৱাটোকে কাব্য বুলি ভাবিছিল। তেওঁলোকে কৈছিল—"কাব্যং গ্ৰাহ্যমলং" অৰ্থাৎ অলঙ্কাৰৰ বাবেই শব্দ আৰু অৰ্থগত সাজপাৰৰ বাবেই বাক্যই মানুহৰ বাবে গ্ৰহণীয় কাব্য ৰূপ লাভ কৰে। ইয়াৰ পাছত এচাম আলঙ্কাৰিকে ইয়াৰ লগত ৰীতি অৰ্থাৎ বিশেষ শৈলী কাব্য-ৰহস্যৰ মূল বুলি কব। 'ৰীতিৰাত্মা কাব্যস্য।' ইয়াৰ ওপৰিও বস্তুবাদী আলঙ্কাৰিকে কাব্যৰ বাচ্য অৰ্থাৎ কাব্যৰ যোগেদি প্ৰকাশ কৰা কিছুমান বিশেষ ভাৱ ইয়াৰ বিষয়বস্তু বুলি চিহ্নিত কৰিলে। এইসকলে কাব্যৰ ভাৱবস্তুক মাধুৰ্য্যক অগ্ৰভাগ দিলে

সেইদৰে য়ুৰোপীয় কাব্য সমালোচনাতো দাৰ্শনিক প্লেটো আৰু এৰিষ্টটলৰ লেখনিত সকলো কাব্য-কলা যে পৰমসত্যৰ ভাৱৰূপৰ অনুকৰণ এই মতবাদৰ আভাস পোৱা যায়। কবিতাৰ কলা-কৌশল আৰু তাৰ অন্তৰ্হিত শক্তিৰ ওপৰত প্ৰাধান্য আৰোপ কৰা ইংৰাজ ৰোমাণ্টিক কবি-গোষ্ঠীয়ে আগবঢ়োৱা বিভিন্ন সংজ্ঞাৰ মাজেদি কবিতাই আমাক কি দিয়ে সেই প্ৰশ্নৰ উত্তৰ এটা দিবলৈ যত্ন কৰিছে কবি ৱৰ্ডছৱৰ্থে এনেকৈ- "Poetry is the breath and finer spirit of all knowledge." (কাব্য হ'ল সকলো জ্ঞানৰ সঞ্জীৱনী শক্তি আৰু পৰম নিৰ্য্যাস স্বৰূপ)। তেওঁ আকৌ কৈছে— "Poetry takes its origin in emotion recollected in tranquillity." অৰ্থাৎ "মানসিক প্ৰশান্তিৰ মাজত স্মৃতিৰ যোগেদি পুনৰ উপলব্ধি কৰা অনুভূতিৰ পৰাই কবিতাৰ সৃষ্টি হয়"। এই সত্যক উচ্চ স্থান দি কবি শ্যেলীয়ে ঘোষণা কৰিছে—"Poets are the unacknowledged legislators of the world." অৰ্থাৎ অস্বীকৃত হলেও কবিয়েই হ'ল বিশ্বৰ সকলো বিধানৰ নিৰ্মাতা। "আন এগৰাকী কবি কীট্ছৰ ধাৰণাত—"Poetry should strike a reader as a wording of his own highest thoughts and appear almost a remembrance." (কবিতাই এজন পাঠকৰ মনত এনে ভাৱৰ সৃষ্টি কৰা উচিত যেন ই তেওঁৰ নিজৰ শ্ৰেষ্ঠতম চিন্তাবোৰৰ বাঙময় ৰূপ, আৰু প্ৰায় এক সোঁৱৰণ হেন লাগে)। এইদৰে প্ৰতিজন বিখ্যাত কবিৰ কবিতা সম্পৰ্কে দিয়া উক্তিসমূহে কবিতাৰ অৰ্থ তথা উদ্দেশ্য বুজাত সহায় কৰে। কীট্ছৰ উক্তি—"We hate poetry that has a palpable design upon us." (যি কবিতাই আমাক স্থুল উদ্দেশ্যৰ কথা কয়, তেনে কবিতাক আমি ঘিণ কৰো। প্ৰকৃততে কবিতা এই সকলোবোৰ সংজ্ঞাৰ মাজতে আছে— অথচ কোনো এটাকেই আমি স্বয়ংসম্পূৰ্ণ বুলিব নোৱাৰি। মূঠতে কবিতা হব পাৰে সত্যৰ দাপোন, ব্যক্তিমনৰ গভীৰ অনুভূতি আৰু কল্পনাৰ প্ৰকাশ; আনকি অৱচেতন মনৰ ছয়ামায়া প্ৰকাশো হব পাৰে। কবিতা জীৱনৰ দৰেই বিচিত্ৰ আৰু ৰহস্যময়। কবিৰ ভাৱ, অনুভূতিৰ সমন্বয়ত গঢ়ি উঠা কবিতা অখণ্ড, অবিভাজ্য সৃষ্টি। কবিৰ ভাব অনুভূতিৰ লগত মগজুৰ সম্বন্ধও সুস্পষ্ট। সেয়ে হেম বৰুৱাই কৈছে— "কবিতাই কেৱল অনুভূতিকেই জগাই তুলিবলে মগজুক স্পৰ্শ কৰিব ? মগজু অস্বীকাৰ কৰি কেৱল অনুভূতিৰে জানো জীয়াই থাকিব পাৰি ? নতুন কবিতা বৰ্ত্তমান সমাজৰ প্ৰতিচ্ছবি। কেৱল বাহিৰৰ আভৰণেই নহয়-আত্মাৰো প্ৰতিচ্ছবি।"

"নতুন কবিৰ কবিতা" সম্পৰ্কত আলোচনা কৰাৰ আগতে কৈ লোৱা ভাল হব যে ইয়াত 'নতুন কবি' সেই সকলকহে কোৱা হৈছে যিসকল নতুনক কাব্যজগতৰ বৰ্হিচ্ছাদন কৰিবলৈ অনুশীলনৰ মাজেৰে কাব্যজগতত প্ৰবেশ কৰিছে, যিসকলে বৰ্ত্তমানলৈকে সুপ্ৰতিষ্ঠিত হব পৰা নাই, আত্মপ্ৰতিষ্ঠাৰ বাবে যি সকলে বৰ্ত্তমান সময়ৰ লগত সংগ্ৰাম কৰিব লগা হৈছে। কেৱল বয়সৰ ফালৰ পৰাই বিবেচনা কৰি তেওঁলোকৰ নবীন কবি বুলি কব খোজা নাই, কাব্যজগতত প্ৰবেশ কৰা প্ৰাৰম্ভণীৰ কালছোৱাৰ কথাহে উল্লেখ কৰিব বিচাৰিছোঁ। প্ৰথমতে এই কবিসকলৰ কবিতাৰ এটি সূক্ষ্ম পৰ্য্যালোচনা কৰিলে আমি দেখা পাওঁ যে তেওঁলোকে কবিতাৰ মাজেৰে সাম্প্ৰতিক সমাজৰ দুখ-যাতনা, শোষণ, অন্যায়, অনীতি, অবিচাৰ, অত্যাচাৰ উৎপীড়ন আদি ছবিখনি স্পষ্টকৈ দাঙি

ধৰিবলৈ যত্ন কৰিছে । আজিৰ এই কবিসকল সমাজ সচেতন । তেওঁলোকে কবিতাৰ মাধ্যমেৰে ধনী-দুখীয়া, শোষক-শোষিতৰ মাজৰ ব্যৱধানখিনি আঙুলিয়াই দি ধনী বা শোষকৰ চকুত হেয় প্ৰতিপন্ন হোৱা সকলৰ আশা আকাংখা বাস্তৱত ৰূপায়িত কৰাৰ অলেখ প্ৰতিশ্ৰুতি নিৰ্ভীক কণ্ঠেৰে ঘোষণা কৰিব পাৰিছে । সমাজৰ দুখন ছবিক অঙ্কিত কৰি তেওঁলোকে তাৰপৰাই বিচাৰি লৈছে তাৰ মুক্তিৰ পথ । কবিয়ে কৈছে—

আমাৰ স্থিতিয়ে
দুখন ছবি আঁকে
য'ত মই আৰু তুমি ।
তৰাফুল আকাশৰ ছবি
আৰু গলিটোৰ সেই
ভেকেটা ভেকেট গোন্ধৰ ছবি ।

আজিৰ কবিয়ে বিচাৰে মুক্ত এখন শ্ৰেণী বৈষম্য-হীন সমাজ—

মই তুমি হ'ম
তুমি মই হ'ম তেতিয়া
যেতিয়া মই—
মোৰ দুবাহুৰে নিম উৰুৱাই
তোমাক সেই দূৰ দিগন্তলৈ
য'ত এদিন—
মই আৰু তুমি, এক হৈ যাম ।

নতুন কবিসকলৰ এই সমাজ সচেতনতাৰ পৰাই সৃষ্টি হৈছে বস্তুবাদী ( বাস্তৱবাদী ) মনোভাবৰ যাৰ ফলত আজি তেওঁলোকৰ কাপৰ পৰা কেৱল প্ৰগতিশীল কবিতাৰহে সৃষ্টি হৈছে । নতুন কবিৰ কবিতা বুলিলে সাধাৰণতে প্ৰগতি-শীল কবিতাকে বুজায় । এইক্ষেত্ৰত কাব্যিক মানদণ্ড ফালৰ পৰা তেওঁলোকৰ লিখনিসমূহ বিচাৰ কৰা নেযায় । আজিৰ কবিয়ে পৰিবৰ্ত্তন বিচাৰে । এই পৰিবৰ্ত্তন লাগে বিপ্লৱৰ মাজেদি । কিন্তু প্ৰশ্ন হয়— এই বিপ্লৱী কবিসকলে কাৰ্য্য-ক্ষেত্ৰত বিপ্লৱ আনিব পাৰিছেনে ? যিসকলে পৰা নাই, তেওঁলোক পলায়নবাদী মনোভাবৰ মূৰ্ত্তপ্ৰকাশ আজিৰ কবিয়ে প্ৰয়োজন হ'লে বিপ্লৱো কৰিব লাগিব । সংগ্ৰামত জয়- পৰাজয়, দুখ- বেদনা আছেই । কবিয়ে বিচাৰে সদায় পৰিবৰ্ত্তন, নতু-নত্ব । আৰু এই নতুনত্বই মহত্ত্ব বা বিশেষত্ব দাবী কৰিব খুজিলে সেই নতুনত্ব সুন্দৰ হব লাগিব । সেই নতুনত্ব থাকিব লাগিব ভঙাৰ আনন্দ আৰু গঢ়াৰ বেদনাত । সৃষ্টি বেদনাৰে মহীয়ান নহলে নতুনত্বৰ কোনো গৌৰব নাই । সময়ত প্ৰয়োজন হ'লে কবিয়ে যুদ্ধৰ বাবে ৰণ-হুনলৈও ওলাই আহিব লাগিব । মাত্ৰ লাগে নিজস্ব প্ৰেৰণা ।

এটা কথা ঠিক যে নতুন কবিতাবোৰৰ বেছি-ভাগেই দুৰ্বোধ্য বুলি এটা অপবাদ আছে । কিন্তু সূক্ষ্মভাৱে লক্ষ্য কৰিলে দেখা পাওঁ কবিতাসমূহ বহু পৰিমাণে বোধগম্যহে । সেয়ে কবিতাৰ মূল বিষয়বস্তুৰ গভীৰতালৈ সোমাই যাব নোৱাৰিলে ইয়াক সাধাৰণ লোকে দুৰ্বোধ্য বুলিয়েই কোৱাৰ প্ৰৱণতা থাকে । এইটো কথা মানি লোৱা নাযায় যে সকলো দুৰ্বোধ্য কবিতাই নতুন কবিতা । নতুন কবিসকলৰ কবিতাৰ আন এটা মূল অঙ্গ হ'ল তাৰ আঙ্গিক । এইসকলে আঙ্গিকৰ ফালে কিছু পৰিমাণে সচেষ্ট হোৱা দেখা যায় ।

নতুন কবিসকলৰ আন এটা লক্ষ্য কৰিবলগীয়া কথা হ'ল এওঁলোকৰ শব্দ সংযোজনা । শব্দ সংযোজনাত এওঁলোকে প্ৰায়েই উজুতি খায় । কিয়নো এওঁলোকে ভাৱতকৈ কেতিয়াবা ভাষাৰ ওপৰত বেছি গুৰুত্ব দিব বিচাৰে । কাব্যসৃষ্টিত ভাষাতকৈ ভাৱৰ প্ৰাধান্যহে বেছি হোৱা উচিত ।

আজিকালি কবিসকলৰ কবিতাত প্ৰায়ে কিছুমান চৰাচৰিত শব্দৰ প্ৰচলন পৰিলক্ষিত হয়। এই শব্দই গোটেই কবিতা জগতখনকে দেখিছোঁ ঢাকি পেলাব। সৰহভাগ নতুন কবিৰ কবিতাতেই কল্পনাৰ ৰহঘৰাই প্ৰাধান্য লাভ কৰা দেখা যায়। অন্যহাতে কবিতাত কল্পনাহীনতাৰ কথা মানি লব নোৱাৰি। কবিৰ কল্পনাৰ লগত বাস্তৱ জগতৰ এটা মধুৰ সম্পৰ্ক থাকিব লাগিব। কবিৰ কল্পনাৰ ছবিখনৰ সৈতে বাস্তৱ জগতৰ ছবিখনৰো এটা সঁচা প্ৰতিচ্ছবি অঙ্কিত কৰিব পাৰিব লাগিব।

মূঠতে নতুন কবিয়ে কাব্যজগতত প্ৰবেশ কৰোঁতে কিছুমান কথা যেনে—কবিতাটো সাধাৰণ ৰাইজৰ বোধগম্য হৈছেনে নাই, কবিতাটো লিখোঁতে কষ্ট কল্পিত হৈছে নেকি? অৰ্থাৎ কবিতাৰ অনুভূতিৰ অভাৱ হৈছে নেকি ইত্যাদি। সাধাৰণতে যি প্ৰকৃত কবি তেওঁ অনুভূতিৰ সহায়েৰে সুন্দৰ শব্দ সংযোজনাৰে কবিতা লিখিব পাৰে। মেথিউ আৰ্নল্ডৰ মতে— "Poetry is the criticism of life," কবিতা জীৱনৰ দাপোন, অনুভূতিৰ মূৰ্ত্ত প্ৰকাশ। এই অনুভূতিৰে পুষ্ট কবিয়ে তেওঁৰ কাব্য সৃষ্টিৰ দ্বাৰা পাঠকৰ মন চুই যাব পাৰিব লাগিব। তাতেই কবিৰ সৃষ্টিৰ আনন্দ, সৃষ্টিৰ সাৰ্থকতা। সৌন্দৰ্য্য পিপাসু কবিৰ অনুসন্ধিৎসু আত্মাই সদায় সৌন্দৰ্য্যৰ পৰশ বিচাৰি হাবাথুৰি খায়। সৌন্দৰ্য্য সৃষ্টিৰ এই পৰম আকাংখাই কবিক লৈ যায় নিজ্জৰ্নতাৰ পৰা নিজ্জৰ্নতালৈ অনুপম সৃষ্টিৰ বাবে। সেই অনুপম সৌন্দৰ্য্যৰ পৰশ কবিয়ে পাঠকক দিব লাগিব যাতে কবিৰ বক্তব্যৰ প্ৰতি আকৰ্ষিত হয়।

নতুন কবিৰ কবিতা পঢ়ি বহুতে এনেকৈ আখ্যাৰে কৈ উঠে —"অ, এনেকুৱা কবিতা, এইটো কবিতা হ'লনে আৰু; কবিতাৰ ছন্দও নাই। আমিও এনেকুৱা ঢেৰ কবিতা লিখিব পাৰোঁ।" এচাম শুকান অনুভূতিপুষ্ট লোকে নতুন কবিতাৰ ওপৰত মন্তব্য দিয়ে এনেকৈয়েই। সঁচা কথা— আজিৰ কবিতাসমূহৰ ভাৱৰ গভীৰতালৈ যাব নোৱাৰিলে ইয়াক বুজাটো সহজ নহব পাৰে। কিন্তু বুজিবলৈ চেষ্টা কৰে কেইজনে? কবিতা লিখে কেইজনে? সকলো লোকে কবিতা লিখিব পৰা হ'লে ভালেই আছিল। আমাৰ সাহিত্যৰ কবিতাজগতৰ পৰিধিও বৃদ্ধি হ'লহেতেন। সঁচা-কথা, নতুন কবিতাও ভাল কবিতা। নতুন কবি সকলো সুন্দৰৰ পূজাৰী। সত্য শিৱ সুন্দৰক নতুন ৰূপত প্ৰকাশ কৰিবলৈ নতুন কবিসকলেও চেষ্টা কৰে। নতুন কবিসকলৰ কেৱল নতুন দৃষ্টিভঙ্গী, প্ৰকাশ সৃষ্টিৰ। নতুন কবিয়ে বিপ্লৱৰ মাজেদি দ্ৰুত পৰিবৰ্ত্তন বিচাৰে।

নতুন কবিৰ এটা দায়িত্ব আছে — যেনে গীত যেনেকৈ সৰ্বজনপ্ৰিয় তেনেকৈ তেওঁলোকৰ কবিতাকও সৰ্বজনপ্ৰিয় কৰি তুলিব লাগিব। পাঠকসমূহ এই কবিতাৰ যোগেদি উপকৃত হব লাগিব। পাঠকৰ কাব্য বিমুখতা আঁতৰাব লাগিব। নতুন কবিয়ে কবিতাত বিপ্লৱ আনিব লাগিব। বাস্তৱ জগতৰ ছবিখনিক দাঙি ধৰি কবিয়ে সমাজৰ দোষ-ত্ৰুটি আঙুলিয়াই দিব লাগিব। কবিসকলে উন্নত কাব্য ৰচনাৰ বাবে অধ্যয়ন অনুশীলন কৰিব লাগিব—তাত লাগিব কবিৰ নিজস্ব প্ৰেৰণা আৰু ধৈৰ্য্য।

শেষত কওঁ — আজিৰ এই কবিয়ে সাহিত্যত এটি উচ্চস্থান পাওঁক। কবিৰ কলম যেন আদ্-বাটতে স্তব্ধ হৈ নেযায়, নতুন কবিৰ কবিতাই অনুশীলনৰ মাজেৰে আৰু উন্নত মানদণ্ডৰ হওঁক, আজিৰ নতুন কবিয়ে কালিলৈ প্ৰতিষ্ঠিত কবি হৈ ৰওঁক।

# গল্প

## প্ৰত্যয়

শ্ৰীমিনতি বাড়া
স্নাতক প্ৰথম বাৰ্ষিক

বৰ ক্লান্ত অনুভৱ কৰিলে বিনীতাই । সমস্ত জগত এতিয়া নিদ্ৰাদেবীৰ কোলাত বাগৰি পৰিছে । কিন্তু সাৰে আছে তাই । দিনটোৰ লেঠাৰি-নিছিগা কামৰ অন্তত হাজাৰ চেষ্টা কৰিও তাই চকুলৈ টোপনি আনিব পৰা নাই । খিৰিকিৰ পৰ্দাৰ ফাঁকেদি ছিটিকি অহা জোনৰ মিঠা পোহৰখিনিৰ মাজতো তাই শান্তিৰ ভাষা বিচাৰি পোৱা নাই । মনৰ মাজত ভাঁহি আছে শাহুৱেকৰ কটুক্তি, নন্দেক অদিতিৰ বিদ্ৰুপেৰে ভৰা কথা বিলাক । এনেকুৱা জীৱনটো তাই কাহানিও বিচৰা নাছিল, আশা কৰা নাছিল ? এনে কি পাপৰ ফলত তাই বাৰু আজি এনে দুৰ্ভাগ্যময় জীৱনক সাবটি লব লগা হৈছে ? কিয় এনে হয় বাৰু ? সকলোবোৰ ছোৱালীয়ে আশা কৰাৰ দৰে তাইও বিচাৰিছিল এটা সুন্দৰ জীৱন সপোন দেখিছিল এক সুখী ভবিষ্যতৰ । য'ত স্বামীৰ মৰমেৰে, তাইৰ পবিত্ৰতাৰে, উদাৰতাৰে আৰু-আৰু দুটি মৰমলগা সন্তানেৰে পৰিপূৰ্ণ এক সুখী পৰিয়ালৰ । জোনৰ জেউতিৰে নিজৰ জীৱনটো পোহৰাই তুলিবলৈ বাৰু কোনে নিবিচাৰে ? তাইও বিচাৰিছিল পলাশৰ মৰমৰ উমেৰে তাইৰ নিৰস জীৱনটো ৰঙীন কৰিবলৈ, মধুৰ কৰিবলৈ, স্বপ্ন দেখিছিল ফুল, তৰা, গানেৰে জীৱনটো উপচাই পেলোৱাৰ, আকাশৰ বিশালতাত হেৰাই যোৱাৰ । কিন্তু তাইৰ সেই স্বপ্ন, স্বপ্ন হৈয়েই ৰ'ল । নিষ্ঠুৰ কাল-নিয়তিয়ে সেই সপোন ঠানবান কৰি দিলে । ভগবানে তাইৰ এই অকণমান সুখকো কিয়যে সহ্য কৰিব নোৱাৰিলে ভাবি নেপায় বিনীতাই । এৰা, সপোন সদায় সপোনেই, ই কেতিয়াও দিঠক নহয় । সপোনৰ মাজত বাস্তৱতা বিচৰাটো মৰু-ভূমিত মৰীচিকা খেদাৰ দৰেই অৰ্থহীন মাথোন ।

মনটো উৰি যায় বিনীতাৰ, দূৰলৈ, বহুদূৰলৈ।

বহাগৰ এটা মিঠা সন্ধিয়াত গান গাইছিল বিনীতাই এখন বিহু-সন্মিলনত। কলেজৰে শ্ৰেষ্ঠ গায়িকা নহয় অঞ্চলটোৰে এগৰাকী সৰবৰহী, সুকণ্ঠী গায়িকা হিচাপে সুখ্যাতি আছিল বিনীতাৰ। সেয়েহে স্বাভাৱিকতেই বিনীতা বৰুৱাৰ গান শুনিবলৈ প্ৰেক্ষাগৃহত দৰ্শক শ্ৰোতাৰ যথেষ্ট ভিৰ হৈছিল। বিনীতাই গান গাইছিল এটা, দুটা, শ্ৰোতাৰ অনুৰোধত বহুতো। দৰ্শকৰ বাঃ বাঃ, চমৎকাৰ, হাতচাপৰি আদি উল্লাসধ্বনিৰে বিনীতাক প্ৰশংসা জনাইছিল। গানৰ অন্তত বহুজনে বহুধৰণেৰে বিনীতাৰ লগত পৰিচয় হৈ বিনীতাক শুভেচ্ছা জনাইছিল। একেবাৰে শেষত আগবাঢ়ি আহিছিল এজন যুৱক। বিনীতাক শুভেচ্ছা জনাই কৈছিল 'মিচ বৰুৱা, আপুনি ভাল গান গায় বুলি শুনিছিলো, কিন্তু ইমান ধুনীয়া গায় বুলি জনা নাছিলো" যুৱকলৈ মূৰ তুলি চাই বিনীতাই দেখিছিল দুটা মৰমলগা চকুৰে এখনি সাম্যসৌম্য মুখে তাইলৈকে চাই আছে। লৰালৰিকৈ তাই ধন্যবাদ জনাই যুৱকৰ পৰিচয় বিচাৰিছিল। তেওঁৰ মুখৰ পৰাই তাই জানিব পাৰিছিল যে এই সৰু চহৰখনত তেওঁ ডাক্তৰ হিচাবে নতুনকৈ জইন কৰিছেহি। তেওঁৰ নাম পলাশ চলিহা, এয়ে আছিল পৰিচয়ৰ প্ৰথম সূত্ৰপাত। ইয়াৰ পাছতো তাই পলাশক নানা ঠাইত লগ পাইছে, হোটেল, বজাৰ, লাইব্ৰেৰী আদিত। সেই চিৰপৰিচিত মিচিকীয়া হাঁহিটোৱে তাইক মাতিবলৈ কাৰ্পণ্য কৰা নাই। সময়ত এই সাধাৰণ পৰিচয়েই গৈ আত্মীয়তাত পৰিণত হৈছিল। আপুনিৰ পৰা গৈ সম্বোধন তুমিত নামিছিল। অপ্ৰত্যাশিত ভাৱেই এদিন পলাশে কৈছিল বিনু, এটা অনুৰোধ কৰিম, ইচ্ছা কৰিলে তুমি ৰাখিব পাৰা বুলি মই জানো। মই তোমাক চিৰজীৱনৰ কাৰণে নিজৰ কৰি পাব বিচাৰো। অৱশ্যে তুমি যদি অন্য কাৰোবাৰ লগত এনগেজড হৈ আছা, তেন্তে মোক বন্ধু হোৱাৰ সৌভাগ্যকণৰ পৰা বঞ্চিত নকৰিবা দেই।"

কি আপত্তি থাকিব পাৰে বিনীতাৰ ? তায়োতো পলাশক ভাল পাই পেলাইছে! পলাশৰ দুটি সাগৰ নীলা চকুৰ ভাষাই তাইকযে পাগল কৰি দিব খোজে। তথাপিতো তাই কৈছিল — ভাল পালেই যে বিয়া হব লাগে তাত কোনো মানে নাই পলাশ। তোমাৰ এখন ঘৰ আছে মা-দেউতা, ভাই ভনী আছে। তুমিতো জানা মোৰ ঘৰৰ অৱস্থা তেনেই বেয়া — তেনেস্থলত মই তোমালোকৰ ঘৰৰ যোৰৰ নে ফেৰৰ ? তুমি অন্য ছোৱালী বিয়া কৰোৱা পলাশ, মোৰ কোনো আক্ৰোশ বা অভিশাপ নাথাকে।"

কিন্তু পলাশৰ উদাৰতাত তাইৰ সেই যুক্তি ক'ৰবাত ৰ'ল। শঙ্খ, ঘন্টা, উৰুলি-ধ্বনিৰ মাজেৰে পলাশে তাইক নিজৰ কৰি ল'লে। পলাশৰ মহানতাত তাইৰ মনৰ কলীয়া ডাৱৰ হেৰাই গ'ল। জীৱনটো ইমান মধুৰ হব পাৰে, সুখৰ হব পাৰে তাইতো আগতে কল্পনাই কৰিব নোৱাৰিছিল। স্বামীৰ এবুকু মৰম, শাহুৱেকৰ মাতৃ-স্নেহ, নন্দেকৰ মিঠা-আব্দাৰ — এই সকলোবোৰে তাইৰ জীৱনটো অনাবিল সুখ শান্তিৰে ভৰাই তুলিলে। সুখৰ বন্যাত উটি ফুৰোতেই তাইৰ কোলালৈ আহিল পলাশৰ মৰমৰ উপহাৰ — জোনটি। আৰু জোনটি — সি তাইৰ জীৱনটো আৰু দুগুণ ৰঙীন কৰি তুলিলে।

সুখৰ সমুদ্ৰত সাঁতুৰি ফুৰোঁতেই ক'ৰ পৰা জানো আহি এচমকা কলীয়া ডাৱৰে তাইৰ মহাকাশ ছাটি পেলালে। দুৰ্ভাগ্যই যে বিনীতাক ইমান সোণকালে আগুৰি ধৰিব তাই ভাবিবই

পৰা নাছিল। খবৰটো শুনি হাঁহাকাৰ কৰি উঠিল বিনীতাই। ডাঃ চলিহা, তাইৰ স্বামী ডাঃ চলিহাৰ মটৰ দুৰ্ঘটনা ঘটিছে। বাউলি হৈ দৌৰি গ'ল তাই স্বামীৰ কাষলৈ। কিন্তু তেতিয়া বহুত পলম হৈ গৈছে। ডাঃ চলিহা হেৰাই গ'ল মৃত্যুৰ কৰাল গ্ৰাসত। বিনীতাৰ বুকুভগা কান্দোনে, হিয়া-ভগা হাঁহাকাৰে পলাশৰ মৃত্যুৰ দুৱাৰ-দলিৰ পৰা ঘূৰাই আনিব নোৱাৰিলে। অব্যক্ত বেদনাত জোন-টিক বুকুত সাবটি লৈ উচুপি উঠিল তাই। আৰু তেতিয়াৰ পৰা জুই জ্বলিল বিনীতাৰ সংসাৰত। যিজনী শাহুৱেকে বিনীতাক লখিমী বোৱাৰী বুলি মৰম, আশীৰ্বাদেৰে আদৰি লৈছিল, সেই-জনী শাহুৱেকেই তাইক কুলক্ষণী, গিৰীয়েৰৰ মূৰ-খাতি, তোৰ পৰাই মোৰ ঘৰখন ধ্বংশ হ'ল ইত্যাদি-ইত্যাদি, নানা অশ্ৰাব্য গালি-শপনিৰে তাইক বেয়া ব্যৱহাৰ হ'ল। পলাশ জীয়াই থাকোঁতে যি অদিতিয়ে সদায় নবৌয়েকৰ লগত মান অভি-মান কৰিছিল, নবৌয়েকে নাখালে, নাখাইছিল, সমনীয়া বান্ধবীৰ লগত বিনীতাক চিনাকী কৰাই দি গৌৰৱবোধ কৰিছিল, সেইজনী ননদেক অদি-তিয়ে আজিকালি বিনীতাক দেখিলে বিৰক্তি পোৱা হ'ল, কথাই কথাই গেঙৰি দিয়া হ'ল। এবা কি দিনবোৰ কি হৈ গ'ল। এই কেইবছৰৰ ভিত-ৰতে ইমান পৰিবৰ্ত্তন ঘটিল বিনীতাৰ। পলাশ মৰাতো আজি প্ৰায় দুবছৰেই হৈছে। এই দুটা বছৰৰ ভিতৰতে তাই যে সকলোৰে চকুৰ কুটা দাতৰ হুল যেন হৈ পৰিছে। অতীত আৰু বৰ্ত্ত-মান, কিমান পাৰ্থক্য।

আচলতে বিনীতাই এইবোৰ কথালৈ কোনো দিন মূৰ ঘমোৱা নাই। যদিও শাহুৱেকে আৰু ননদেক অদিতিয়ে তাইক বেয়া ব্যৱহাৰ কৰে, জোনটিক মানুহ কৰাৰ সংকল্পেৰে তাই সকলোবোৰ কৰ্কথনা অত্যাচাৰ সহি যাবলৈ চেষ্টা কৰে। সেয়েহে দিন-টোৰ কৰ্ম ব্যস্ততাৰ পাছত বিছনাত উঠাৰ লগে লগে কোনোদিন তাই টোপনি আনিবলৈ জোৰ কৰিবলগীয়া হোৱা নাই। কিন্তু আজিৰ কথা সুকীয়া, মনত পেলালে তাই দুপৰীয়ালৈ। আজি দুপৰীয়ালৈ অৰূপম আহিছিল তাহাঁতৰ ঘৰলৈ। অৰূপম তাইৰ সহপাঠি, সিহঁতৰ সৰু চহৰখনৰ কোনোবা এটা বেঙ্কলৈ আজি কিছুদিনৰ আগতে ট্ৰেন্সফাৰ হৈ আহিছে। বিনীতা ইয়াত থকাৰ কথা সি জানে। বিনীতাৰ জীৱনত ঘটি যোৱা পৰম দুৰ্ভাগ্যৰ কথা শুনি সি বিনীতাৰ ওচৰলৈ আহিছিল। কলেজত পঢ়ি থাকোঁতে অৰূপমে বিনীতাৰ মনৰ কাষ চাপিবলৈ ইচ্ছা কৰিছিল। কিন্তু অৰূপম আছিল যথেষ্ট মাৰ্জিত আৰু উদাৰ হৃদয়ৰ। পলাশ চলিহাৰ সৈতে বিনীতাৰ আত্মী-য়তাৰ কথা জানিব পাৰি শুভেচ্ছা জনাই আঁতৰি আহিছিল। সেই অৰূপমেই আজি তাইৰ ওচৰলৈ আহিছিল। বিনীতাৰ দুখত চৰম দুখী হৈ অৰূপমে কোৱা কথাবোৰ এতিয়াও তাইৰ মনৰ পৰ্দাত অহৰহ বাজি আছে। অৰূপমে কৈছিল —

'বিনীতা, তোমাৰ দুখত মই সচাঁকৈয়ে শোকা-ভিভূত হৈ পৰিছো। তোমাৰ এই বৈধব্য চেহেৰা মই একেবাৰে সহ্য কৰিব পৰা নাই। তদুপৰি তোমাক ঘৰত ইমান বেয়া ব্যৱহাৰ কৰে, ভাবি-লেও আচৰিত লাগে। যদি তুমি আপত্তি নকৰা মই তোমাক গ্ৰহণ কৰিব বিচাৰো বিনীতা।" উচপ খাই উঠিছিল বিনীতাই। তীব্ৰকণ্ঠেৰে তাই কৈছিল – "এয়া হবই নোৱাৰে অৰূপম। তুমি কি পাগল হৈছা নেকি? এটা সন্তানৰ মাতৃ এগ-ৰাকী বিধৱাক বিয়া কৰাই সমাজৰ চকুত তোমাৰ মান-সন্মান বিসৰ্জন দিব খুজিছা নেকি?

'তুমি ভুল নুবুজিবা বিনীতা। তুমি জানা নাই নাজানো, কলেজত পঢ়ি থাকোঁতে মই তোমাক

মনে মনে ভাল পাইছিলো। কিন্তু তুমি পলাশক লৈ ব্যস্ত থকা বাবে মই তোমাৰ পৰা আঁতৰি আছিলো। আৰু মোৰ অতীতৰ মনৰ মানুহজনী দুৰ্ভাগ্যবশতঃ চৰম দুখত পতিত হৈছে। তেওঁক উদ্ধাৰ কৰা মোৰ পৰম কৰ্ত্তব্য। আৰু সমাজ? সমাজে হঁহা কথাটোত মই কোনো গুৰুত্ব দিব নিবিচাৰো; মোক মাত্ৰ তোমাৰ সন্মতিৰ প্ৰয়োজন।"

কোনোমতে বুজাব পৰা নাছিল তাই অৰূপমক। আঁকোৰগোঁজ অৰূপমে কোনো কথাই মানিব নোখোজে। সেয়েহে- তাই অৰূপমক কৈছিল "তুমি মোক ভাবিবলৈ দিয়া অৰূপম"। অৰূপম যোৱাৰ পাছৰে পৰা তাই ভাবিছে অৰূপমৰ লগত বিয়াত বহাটো তাইৰ উচিত নে অনুচিত হব? এইখন ঘৰতটো তাইৰ প্ৰয়োজন কাহানিবাই শেষ হৈ আহিছে। এৰা অৰূপমৰ লগত তাই বিয়াত বহাত একো আপত্তি থাকিব নোৱাৰে। কালিলৈয়ে অৰূপমক তাইৰ সিদ্ধান্তৰ কথা জনাব। নিজৰ মনতে এটা সিদ্ধান্ত কৰি পেলালে বিনীতাই। কিন্তু পিছমুহূৰ্ত্ততে উছপ্ খাই উঠিল তাই। পলাশৰ কেইটামান কথা তাইৰ মনৰ পৰ্দাত বাজি উঠিল। পলাশে এদিন কৈছিল — "তুমি মোৰ বিনু, চিৰদিন মোৰ। মই তোমাক কোনো দিন পাহৰিব নোৱাৰো। কোনো অজান শক্তিয়েও মোক তোমাৰ কাষৰ পৰা আঁতৰাই আনিব নোৱাৰে। আনকি মৃত্যুৰ পাছতো মোৰ আত্মাই তোমাকে বিচাৰিব।" আৰু আজি এয়া কি কৰিব বিচাৰিছে বিনীতাই? পালাশৰ মৰম ভালপোৱা, বিশ্বাসক বিশ্বাসঘাতকতা কৰি তাই কি অৰূপমৰ পত্নী হব খুজিছে? পলাশৰ মৃত্যুৰ দুবছৰৰ পাছতেই তাই কি পলাশক পাহৰি গ'ল? এক অপৰাধবোধৰ গ্লানিয়ে বুৰাই পেলালে বিনীতাৰ মন। নাই নাই, তাই কেতিয়াও পলাশক পাহৰিব নোৱাৰে। পলাশৰে আদৰ্শ, পলাশৰ স্মৃতি শিৰত লৈ তাই সাহসেৰে জীয়াই থাকিব পাৰিবই লাগিব। সকলোবোৰ প্ৰলোভন, বদান্যতা ত্যাগ কৰি পলাশৰ আদৰ্শৰে তাই জোনটিক মানুহ কৰিব। মনটো দৃঢ় কৰি পেলালে বিনীতাই। পলাশ আৰু তাইৰ একমাত্ৰ সন্তান জোনটিক মানুহ কৰিব লাগিব। কথাটো ভাবি মনটো ফৰকাল লাগি গ'ল বিনীতাৰ। বিনীতাৰ ৰিক্ত হৃদয়খনে যেন মনে মনে কৈ উঠিল "মইও তোমাক পাহৰিব নোৱাৰো - পলাশ। মোৰ মন মন্দিৰত তোমাৰ স্মৃতিৰ চাকিগছিয়েই আজীৱন জ্বলি থাকিব। মই সদায় তোমাৰ বাবে-তোমাৰ বাবেই। তুমি মোক ভুল নুবুজিবা পলাশ, ভুল নুবুজিবা।"

নিজৰ সুখেই যাৰ জীৱনৰ লক্ষ্য, তেওঁ অসৎ, আনৰ প্ৰশংসা পোৱাটোৱেই যাৰ জীৱনৰ লক্ষ্য তেওঁ দুৰ্বল, আনৰ সুখেই যাৰ লক্ষ্য তেওঁহে সৎলোক।

টলষ্টয়

গল্প

## এটি হুমুনিয়াহ অশ্ৰুসিক্ত বেদনাৰ

মিচ্ মৃদুলা দত্ত
উচ্চতৰ মাধ্যমিক স্তৰ

কি বিকট হাঁহি! হোঁ হোঁ, চেওঁ চেওঁ কৰা, এই ভয়ঙ্কৰ হাঁহিয়ে যেন আকাশ পাতাল কঁপাই তুলিব! প্ৰকৃতিৰ এই ভয়ঙ্কৰ অট্টহাস্য! বতাহৰ গতি ক্ৰমে বাঢ়ি যাব ধৰিছে। কি যে মহা দুৰ্যোগ। ৰেলৰ প্লেটফৰ্মৰ এটা······ অৱহেলিত চুকত পৰি আছে ধন। জীৱনৰ যুঁজত সি ভাগৰি পৰিছে। নাই, তাৰ একো নাই। সি সকলো হেৰুৱাইছে। কালৰ নিষ্ঠুৰ বতাহে তাৰ পৰা সকলো কাঢ়ি নিছে। তাৰ মনত আছে······। লুইতৰ বলিয়া বানে যেতিয়া তাহাঁতৰ সাতামপুৰুষীয়া জুপুৰিটো উটুৱাই নিছিল, সিহঁতে কলৰ ভুৰত পথাৰৰ মাজত থকা ওখ টিলাটোৰ ফালে গৈ থাকোতে মাকৰ কোলাৰ পৰা চকুৰ আগতে যেতিয়া তাৰ মৰমৰ জোনালী ভনীজনী পানীত সৰি পৰিছিল। বাপেকে বলিয়াৰ দৰে পানীত জাপ দি লুইতৰ বুকুত নিচিহ্ন হৈ গৈছিল। বাকী ৰ'ল মাত্ৰ সি আৰু তাৰ দুৰ্ভগীয়া মাক কলীবাই।

কিছুদিনৰ পিছতে ধন আৰু মাক কলীবাই সোনাপুৰ গাঁৱলৈ উঠি গৈছিল। বুঢ়ীয়ে বাৰীতে হোৱা দুই এপদ বস্তু বিক্ৰী কৰি কোনো ৰকমে খাই বৈ জীয়াই আছিল। লাহে লাহে ধন ডাঙৰ হৈ আহিবলৈ ধৰিলে আৰু ওচৰৰ ৰতন, যদু, মদনহঁতৰ লগত স্কুললৈ যাবলৈ ধৰিলে। মাকে সকলো কিতাপ যোগাৰ কৰি দিব নোৱাৰিলেও দুই এখন কিতাপ গোটাই দিছিল। এই দৰে প্ৰত্যেক বছৰে পাছ কৰি এদিন সি পঢ়াশালিৰ শেষ পৰীক্ষা দিলে আৰু সেই স্কুলৰ পৰা প্ৰথম স্থান লৈ চহৰৰ স্কুললৈ যাবলৈ ওলাল।

কিন্তু কলীবাইৰ মনত বহুত চিন্তা হ'ল। তাই এতিয়া ইমানবোৰ পইচা পায় ক'ত। তথাপিও ওচৰৰে তাৰ সম্বন্ধীয় দদায়েক এজনৰ পৰা টকা ধাৰলৈ লৈ হাইস্কুলত নামটো লগাই দিলে। তথাপিও ধনে সদায় স্কুলত থাকিব নোৱাৰে। কাৰণ কেতিয়াবা তাঁহাতৰ এসাজ খাবলৈকো নেথাকে। তেতিয়া ঘৰতে পেট-পেলাই থাকিব লগীয়া হয়। সি প্ৰায়ে প্ৰধান মহাশয়ৰ পৰা নানা কৰ্কথনা শুনিব লগীয়া হৈছিল। প্ৰধান মহাশয়ে ইয়াকো কৈছিল যদি স্কুলত পঢ়িবৰ ক্ষমতা নাই, স্কুললৈ নহাই ভাল। তাৰ মনত সিদিনা খুউব দুখ লাগিছিল।

গাঁৱৰ ৰাইজে সোণালী শইচৰে ভৰা পথাৰ দাই নিকা কৰি ঘৰে ঘৰে ন-ধানেৰে ভাত খালে' কিন্তু ন-খোৱা নহ'ল কলীবাই আৰু ধনৰ। পুহ মাহৰ হাড় কঁপোৱা জাৰ মাক পুতেকে এখন ফাটি উৰ্ৱলি যোৱা কম্বলেৰে পাৰ কৰি দিলে। অৱশ্যে ঠান্ডা কি সিহঁতে বহুত আগতেই পাহৰি গৈছিল। লাহে লাহে মাঘ বিহুটোও ওচৰ চাপি-লহি গাঁৱৰ ৰাইজে মিলি উৰুকাৰ দিনা মেজি ভোজ খাবলৈ মনস্থ কৰিলে। ভোজত টকা পইচাৰ আৱশ্যক হোৱাত গাঁওবুঢ়াই যেয়ে যি পাৰে দুই চাৰি টকা দিবলৈ কোৱাত ধনহঁতৰ ঘৰ আৰু বাকী দুই এঘৰৰ বাদে সকলোৱে দিলে। বিহুৰ বাবে ডেকা, বুঢ়া, ল'ৰা-ছোৱালী সকলোৰে মনত ফুৰ্তি, কিন্তু ফুৰ্তি নাই ধন আৰু কলীবাইৰ। কাৰণ সিঁহতে চান্দা দিব নোৱাৰিলে। ভোজৰ দিনা আনবোৰৰ দৰে ধনেও বাৰীৰে মূলা কেইটা-মান লৈ গৈছিল। মূলা কেইটা নিয়া দেখি লগৰ কিছুমানে ফিচিঙা-ফিচিঙ কৰি ইতিকিং কৰিবলৈ ধৰিলে। ধন যেতিয়া আহি ক্ৰমে মেজিৰ ওচৰ পালেহি, তেতিয়া গাঁৱৰে কেইজন মানে চান্দা নিদিয়াৰ বাবে নানা অকথ্য বাক্যৰে মৰ্মা-হত কৰিলে। চান্দা নিদিয়াৰ বাবেই যে তাৰ আৰু মাকৰ স্থান নাই সেই কথা জানি তাৰ অন্তৰত বৰ আঘাট লাগিল আৰু অহা বাটেৰেই ঘূৰি আহিল। সেইদিনা ৰাতি মাক-পুতেকে নিমখ তেলেৰে এমুঠি খাই শোৱা পাটিলৈ গ'ল। কিন্তু ধনৰ টোপনি নাহিল। ইফালে মেজি ঘৰত উখল মাখল লাগিছে। ধনে মনৰ দুখত লগৰীয়াৰ সতে আনন্দ কৰিবলৈ নাপাই চকুৰ লোতকেৰে গোটেই গা তিয়াই দিছিল। পিছদিনা ধনে ৰাতি-পুৱা উঠি গা পা ধুই নিয়মমতে মাকৰ পদযুগলত প্ৰণিপাত কৰিলে আৰু মাকেও আৰ্শীবাদ দিলে যাতে সি পঢ়ি শুনি ডাঙৰ মানুহ হয় আৰু সুখ আৰু আনন্দত দিন নিয়াব পাৰে।

এইদৰে দিনবোৰ অতীত হৈ যাবলৈ ধৰিলে। লাহে লাহে ধনৰ বছেৰেকীয়া পৰীক্ষা ওচৰ চাপি আহিল কিন্তু সি ভালদৰে পঢ়াই নাই। ৰাতিপুৱাৰ সময়ত দুই এটা কাম মাকক কৰি দিওতেই যায়। তাত সি দুমাইল নিলগত থকা চহৰলৈ পঢ়িবলৈ যায়। স্কুলৰ পৰা ভাগৰে জোগৰে আহি টিপ চাকিৰ পোহৰত পঢ়িবলৈ লয়। কিন্তু পঢ়াৰ লগে লগে তাক টোপনিয়ে হেঁচা মাৰি ধৰে। ধনে দেখিলে, তাৰ পৰীক্ষালৈ চাৰি দিনহে বাকী আছে। গতিকে সি ভালদৰে পঢ়াশুনাত মন দিবলৈ ধৰিলে। এটা দুটাকৈ দিনবোৰ পাৰ হৈ গ'ল ধনৰ পৰীক্ষাও শেষ হ'ল।

দুই এদিনৰ পিছতে ধনৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে। ধনৰ লগৰ প্ৰায়েই পৰীক্ষাত উত্তীৰ্ণ হ'ল কিন্তু ধনেহে কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে। সি মনত বৰ আঘাট পালে, আৰু সেইদিনাৰ পৰা পঢ়াশুনাও বাদ দিলে। গাঁৱলৈ আকৌ বসন্ত আহিল। বসন্তৰ পৰশত গছ-লতা পাহাৰ ভৈয়াম সকলো আনন্দত উঠলি উঠিল।

কুলি কেতেকীৰ মোহনীয় মাতত ভোল গ'ল গাঁৱৰ ডেকা-বুঢ়া, মনৰ আনন্দত সকলো উল্লাৱল হৈ পৰিছে। ৰঙালী বিহুৰ আনন্দত মতলীয়া হৈ হাতত ঢোল পেঁপা লৈ গাঁৱৰ ডেকাও ওলাই আহিল। গাঁৱৰ জীয়ৰী বোৱাৰীহঁতে তাঁতত ফুলাম গামোছা সামৰি থলে। উৰুকাৰ দিনা মনোহঁতৰ ঘৰত কলীবাইক ঢেকীত চিৰা খুন্দিবলৈ মাতিলে। কলীবাই গ'ল। নানা আনন্দেৰে হাঁহি ধেমালি কৰি ঢেকী দি থাকোতে হঠাৎ এটা চাব কলীবাইৰ হাতত পৰিল আৰু হাতখনৰ অৱস্থা শোচনীয় হ'ল। লগে লগে মনোৰ মাকে বনদৰব এসোপা আনি কলীবাইৰ হাতত বান্ধি দিলে। কিন্তু কলীবায়ে যন্ত্ৰণাৰ একো উপশম নাপালে। মনোৰ বাপেকে কলীবাইৰ চিকিৎসাৰ বাবে কুৰিটা টকা দিলে। ধনে এই পইচাৰে প্ৰাথমিক চিকিৎসা কৰালে। কিন্তু কোনো ফল নিদিলে। লাহে লাহে অৱস্থা বেয়াৰ ফালে ঢাল ললে। কলীবাইৰ সেই হাতখনৰ পৰা এটা অন্য অসুখ হৈছে বুলি চিকিৎসকে কলে। ধনৰ মনত নানান চিন্তাই বাঁহ ললে। মনোৰ বাপেকে দিয়া টকা কেইটাও শেষ হল।

এদিন সি দেখিলে মাকৰ জ্বৰ বেছি হৈছে। সি ভয়ত আতুৰ হৈ গাঁৱৰ মানুহক সহায়ৰ বাবে হাত আগবঢ়ালে। কিন্তু কোনেও তাক সহায় নকৰিলে। সি তেতিয়া উপায় বিহীন হৈ মাকৰ ওচৰলৈ ঘূৰি আহিল। গোটেই নিশা সি মাকৰ ওচৰত বহি থাকিল। পুৱতি নিশা মাকৰ জ্বৰ বেছি হ'ল। আৰু সেই জ্বৰৰ প্ৰকোপ সহ্য কৰিব নোৱাৰি মাকৰ মৃত্যু হ'ল।

ধনে কান্দি কাটিও মাকক ঘূৰাই নাপালে। এটি কৰুণ হুমুনিয়াহ তাৰ মুখৰ পৰা ওলাই আহিল। চকুত জিলিকি উঠিল দুটোপাল চকুপানী।

---

ভাৰতৰ প্ৰাচীন ধৰ্ম-শাস্ত্ৰত কোৱা হৈছে যে যি কোনো ব্যক্তি বা সমাজে পাব পৰা আটাইতকৈ ডাঙৰ বৰ হল 'অভয়' অৰ্থাৎ ভয় শূন্যতা। ই কেৱল দৈহিক সাহস নহয়, ই হ'ল সৰ্ব্ব প্ৰকাৰ ভয়ৰ পৰা মনৰ মুক্তি। আমাৰ ইতিহাসৰ জনক আৰু যাজ্ঞবল্কই কৈছিল যে প্ৰজাসকলক ভয় মুক্ত কৰাটোৱেই হ'ল জননায়কৰ প্ৰধান কৰ্ত্তব্য।

জৱাহৰলাল নেহেৰু

# প্ৰবন্ধ

## সময়ৰ প্ৰতীক জ্যোতিপ্ৰসাদ আগৰৱালা

শ্ৰীঅঞ্জলী চুতীয়া
স্নাতক ১ম বাৰ্ষিক

> "সুন্দৰেযে ফুলাৰ মন্ত্ৰ আহোৰাত্ৰি মাতে
> সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে "

প্ৰভাতে প্ৰভাতে ফুলি উঠা ফুলকুমলীয়া মনৰ সংবাদ ত্ৰিশ, চল্লিশৰ দশকত এজন শিল্পীয়ে দিব জানিছিল, পাৰিছিল অপূৰ্ব্ব চিত্ৰময়তাৰে সাবলীলতাৰে— সেইজন শিল্পীয়েই হ'ল আলোক সন্ধানী, অসমত নৱসংগীতৰ জন্মদাতা, স্বৰ্গীয় নহয় স্বৰ্গকোঁৱৰ, ৰূপকোঁৱৰ, সংস্কৃতিৰ মুকুট স্বৰূপ, সুৰৰ সম্ৰাট, গীতৰ যাদুকৰ, ভাষা সাহিত্যৰ পথ প্ৰদৰ্শক, একেলেঠাৰিয়ে কবি, সাহিত্যিক, নাট্যকাৰ, সু-অভিনেতা, গায়ক, গীতিকাৰ, স্বাধীনতা সংগ্ৰামৰ এজন আগশাৰীৰ ব্যক্তি, জননীৰ প্ৰকৃত, সন্তান, শঙ্কৰ-মাধৱৰ পাছতেই লেৰেলিব খোজা অসমীয়া সংস্কৃতিৰ বৃক্ষজোপাক সাৰ জাবৰ চপ[...] সঞ্জীবিত কৰিবলৈ উঠিপৰি লগা আমাৰ শ্ৰদ্ধা[...] পাত্ৰ অসমৰ শিৰৰ মুকুট, অসমীয়া জাতিৰ অতি[...] আপোন, হেপাঁহৰ, প্ৰিয়ভাজন, অসম আকাশ[...] পূৱতীৰ ধ্ৰুৱ স্বৰূপ ৰূপকোঁৱৰ জ্যোতিপ্ৰসা[...] আগৰৱালা।

এইজনা অসমীয়া জাতিৰ সেৱকে ১৯০৩ চন[...] জন্মলাভ কৰিছিল। তেখেতৰ পিতৃৰ নাম আছি[...] পৰমানন্দ আগৰৱালা আৰু জন্মদাত্ৰী জননী[...] নাম আছিল কিৰণময়ী আগৰৱালা। স্বাধী[...] চেতিয়া স্বদেশপ্ৰেমী এটি সম্ভ্ৰান্ত পৰিয়ালত জ[...] গ্ৰহণ কৰি, জ্যোতি প্ৰসাদে সৰুৰে পৰাই দেশ[...] প্ৰেমত মতলীয়া হৈ পৰিছিল। সৰুৰেপৰা গুণ[...] মুগ্ধ মহামানৱৰ সান্নিধ্যই জ্যোতিপ্ৰসাদৰ জীৱনৰ[...] কঢ়িয়াই আনিছিল স্বদেশপ্ৰেমৰ আজন্ম ভাৱ[...] পদ্মা আগৰৱালাই লিখাৰ দৰে, ফুলপাহ দেখি[...] লেই তাৰ সৌৰভৰ কথা আৰু জুইকুৰা দেখিলে[...] তাৰ সোণালী শিখালৈ মনত পৰাৰ দৰে, মহা[...] মানৱ মহাত্মাগান্ধীলৈ মনত পেলোৱাৰ লগে লগে[...] তেখেতৰ প্ৰিয়শিষ্য, প্ৰিয়ভক্ত, ৰূপকোঁৱৰ জ্যোতি[...] প্ৰসাদৰ নাম সোঁৱৰিবই লাগিব। মহাত্মাৰ প্ৰভা[...] জ্যোতিপ্ৰসাদৰ গাত কিদৰে প্ৰভাৱিত হৈছিল[...] সেই সকলোবিলাক তেওঁৰ অগ্নিময় গীত, কবিতা[...] আৰু ৰচনাৱলীৰ পাতে-পাতে পোৱা যায়[...] গান্ধীজীৰ সৎ আদৰ্শই, মহান বাণীয়ে আৰু[...] মহৎ উপদেশে, সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদৰ[...] সুন্দৰৰ সন্ধান দিছিল। "যি মূলা বাঢ়ে তাৰ[...] দুপাততে চিন" এই কথাষাৰ এইজনা যুগ[...] পুৰুষৰ গাত আখৰে আখৰে ফলিয়াইছিল[...]

শ্ৰীমন্ত শঙ্কৰদেৱে যেনেকৈ 'ক' ফলা শিকিয়েই "কৰতল কমল" লিখি পণ্ডিতমণ্ডলীৰ মাজত আলোড়নৰ সৃষ্টি কৰিছিল, ঠিক তেনেদৰেই জ্যোতিপ্ৰসাদেও মাত্ৰ চৈধ্যবছৰ বয়সতে শোণিত কোঁৱৰ নাটক লিখি নবযুগত এক নব-আলোড়নৰ সৃষ্টি কৰিছিল। সকুৰে পৰাই কলা-সংস্কৃতিৰ প্ৰতি এইজনা সংস্কৃতি সাধকৰ আছিল গভীৰ শ্ৰদ্ধা। সেয়েহে হয়তু ভগৱানে জ্যোতিপ্ৰসাদৰ বাবে এখন সুকীয়া আসন সাজি ৰাখিছিল। জ্যোতিপ্ৰসাদৰ মূল লক্ষ্য আৰু উদ্দেশ্য আছিল, অসমীয়া ভাষা-সাহিত্যক, অসমীয়া কলা-কৃষ্টিক, অসমীয়া জাতিটোক কেনেকৈ বিশ্বৰ দৰবাৰত পৰিচয় ঘটাব পাৰি। সঁচাকৈ এইজনা সংস্কৃতিসাধকৰ আশাই এদিন বাস্তৱত জিলিকি উঠিছিল। জ্যোতিপ্ৰসাদৰ জীৱন আছিল উদ্দেশ্য-ধৰ্ম্মী। তেওঁৰ মহান উদ্দেশ্যই আছিল কৃষ্টিৰ পথাৰত সংস্কৃতিৰ বীজৰোপন কৰি অসমীয়া সংস্কৃতিক জাকত জিলিকা কৰি গঢ়ি তোলা। সেয়েহে হয়তু খুউব কমসময়ৰ ভিতৰতে নাট্য, কাব্য, সংগীত, জীৱনী, চিন্তাগধুৰ ৰচনা আদি আজিৰ সমাজলৈ থৈ যাব পাৰিলে। কেৱল সেয়ে নহয়, স্থাপত্য নৃত্য আৰু কথাছবিৰ আহি থৈ যোৱাটো মাত্ৰ প্ৰশংসনীয়েই নহয় আমাৰ বাবে অতি গৌৰৱৰ বিষয়। সুদূৰ বিলাতত উচ্চ শিক্ষা লবলৈ যোৱা জ্যোতিপ্ৰসাদৰ পশ্চিমৰ সংগীত চিত্ৰৰ জগতখনে বৰকৈ ৰহণ সানিলে। তেওঁৰ অনিসন্ধিৎসু মনটোৱে পশ্চিমৰ মৌকোঁহ খিনি নিগৰাই পূবৰ অমৃতধাৰাৰ লগত জীন নিওৱাৰ ব্ৰতত ব্ৰতী হ'ল। সেয়ে জ্যোতি সংগীত পূব-পশ্চিমৰ সংমিশ্ৰণ,—এই সুধাখিনি বুকুত সামৰি লৈ তেওঁ জন্মভুমি এই অসমলৈ ঢপলিয়াই আহিলে, জাতিৰ শ্ৰেষ্ঠ সত্যাগ্ৰহী মহাসতী আদৰ্শময় প্ৰকৃত নাৰী জয়মতীৰ জীৱনটোক বিশ্বৰ দৰবাৰত এগৰাকী মহীয়সী, প্ৰতিভাময়ী, নাৰী-ৰূপে থিয় কৰোৱাৰ মানসেৰে। জয়মতী কথা ছবিখন প্ৰস্তুতিৰ আগমুহূৰ্ত্তত জ্যোতিপ্ৰসাদ যি এক গুৰুত্বৰ সমস্যাৰ সন্মুখীন হৈছিল; ভাৱিলে সেইসময়ৰ সমাজব্যৱস্থাৰ প্ৰতি, সেইসময়ৰ নীচ মনোবৃত্তি লৈ জীয়াই থকা মানুহজাকৰ প্ৰতি ক্ষন্তেকলৈ হলেও ঘৃণাভাৱ জন্মে। অভিনেত্ৰা অভিনেত্ৰী বিচাৰি তেওঁ যি গুৰুতৰ সংকটৰ সন্মুখীন হৈছিলে সেইয়া আমাৰ পক্ষে অতি দুখৰ বিষয়। যি কি নহওক সকলো বাধা বিঘিনি হেলাৰঙে নেওঁচি তেওঁৰ যাত্ৰাত জয়ৰ মালা পিন্ধিবলৈ সক্ষম হৈছিল। ১৯৩৫ চনৰ ২০ মাৰ্চ। গুৱাহাটী মহানগৰীত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হ'ল। কাৰণ সেইদিনটোতেই জ্যোতিপ্ৰসাদৰ মহান প্ৰচেষ্টাৰে সফল ৰূপ দিবলৈ লৈছে প্ৰথম অসমীয়া কথাছবি জয়মতীয়ে। সকলোৰে প্ৰবল ইচ্ছা প্ৰবল হেঁপাহক পূৰণ কৰি, গুৱাহাটী ভাস্কৰ মন্দিৰৰ ৰূপালী পৰ্দাত জয়মতীয়ে ভূমুকি মাৰিলে। থিয়েটাৰ ঘৰৰ ভিতৰত সোমায় থকা সকলো দৰ্শক আৰু চিন্তাশীল ব্যক্তিক অভিভূত কৰিলে জ্যোতিপ্ৰসাদৰ জয়মতী কথাছবিয়ে— এক নতুন যুগৰ সূচনা হ'ল। অসম আকাশৰ বুকুত ওলমি থকা কলিয়া ডাঁৱৰ ফালি নৱসূৰ্য্যৰ হেঙুলি ৰহণ বিয়পি পৰিল। অসমীয়েও যেন এটা মিঠা হাঁহি মাৰিলে। জয়মতীৰ সফলতা দেখি সকলোৱে জ্যোতিপ্ৰসাদলৈ শ্ৰদ্ধা জনালে। কেৱল সিমানেই নহয়, বিজ্ঞানৰ জয়যাত্ৰাক অসমৰ শ্যামল ধাৰাৰে এনেদৰে অভিনৱ পূজা আয়োজন কৰাৰ বাবে সকলোৱে আন্তৰিক ওলগ জনালে। শিৱৰ জঁটাত আৱদ্ধ হৈ থকাৰ দৰে বিজ্ঞান আৰু কলাৰ সমন্বয়ত গঢ়ি উঠা সৃষ্টিৰ গঙ্গা এনেদৰে বোৱাই অনা এইজন কলাকাৰক অসমৰ নৱভগীৰথ বুলি স্বীকৃতী নিদি নোৱাৰি নিশ্চয়? বকুলবনৰ কবি আনন্দচন্দ্ৰ বৰুৱাই জ্যোতিপ্ৰসাদক ৰূপ-

কোঁৱৰ আখ্যা দি এক মহান কাৰ্য্য সমাপন কৰিলে।

সংগীতৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আছিল অগ্ৰণী সম্ৰাট। আজি অসমৰ প্ৰবাহমান সংগীতৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ পাছতেই আঙুলিয়াব লাগিব ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাম। জ্যোতিপ্ৰসাদৰ জ্যোতি সংগীত অসমীয়া সমাজলৈ এক মহামূলীয়া অৱদান। যেতিয়া বৃটিছৰ আমোলত পৰি অমাৱশ্যাৰ দৈত্যকায় নিশাত অসমীয়া বৰগীত, লোকগীত লুপ্ত প্ৰায় অৱস্থা হৈছিল, তেতিয়াই কোমলমতীয়া জ্যোতিপ্ৰসাদৰ সংগীত প্ৰতিভাই অসমীয়া নবযুগীয় সংগীতৰ সূচনা কৰিলে। প্ৰাৰম্ভকালত অসমীয়া থলুৱা গীতৰ সুৰেই জ্যোতিপ্ৰসাদৰ মনত সাঁচ বহুৱালে। ঘৰত আৰু সমাজত শুনা আইনাম, বিয়ানাম, নিচুকণীগীত আদিয়ে, বিভিন্ন গীতৰ সুৰ, কীৰ্ত্তনৰ সুৰ আদিয়ে জ্যোতিপ্ৰসাদক অতিশয় আকৰ্শিত কৰিলে। এইখিনিতেই উল্লেখ কৰি থোৱা ভাল হ'ব যে এদিন তেওঁৰ দেউতাকে অৰ্গেন বজাই গুণ গুনাই গীতৰ সুৰত গাইছিল —"তুলসীৰ তলে মৃগপহু চৰে" যন্ত্ৰ সহকাৰে শুনা সেই সুৰৰ মাজেৰেই জ্যোতিপ্ৰসাদে কল্পনা কৰিছিল যুগমীয়া এখনি কল্পনাৰ নতুন নবযুগীয়া সংগীতৰ ধ্বনীয়া ছবি। সেয়ে প্ৰথমে থলুৱা সুৰ সমূহৰ প্ৰকৃতি অধ্যয়ণ কৰি, ৰূপান্তৰ কৰে নবযুগীয় সংগীতলৈ। তাৰপাছত ক্ৰমে হিন্দুস্থানী ৰাগ-সংগীত আৰু পশ্চিমীয়া সংগীতৰ সুৰ কৌশল অধ্যয়ণ কৰি কলাসুলভ ভাৱে সমন্বয় কৰি অভিনৱ অসমীয়া নবযুগীয় সংগীতৰ সৃষ্টি কৰি থৈ যায়। ইয়াত সমন্বয়ৰ অৰ্থ বিভিন্ন সুৰৰ মিশ্ৰণ। ইংৰাজীত যাক কোৱা হয়— Bleneeing on tune বুলি। জ্যোতিসংগীত এক বিশেষ শ্ৰেণীৰ অসমীয়া সংগীতৰূপে পৰিগণিত হৈছে। স্বভাৱতেই ই অসমীয়া জনতাৰ প্ৰতিজনৰে অন্তৰ চুই যোৱা আপোন আপোন লগা। জ্যোতিসংগীতত দেশপ্ৰেম সমাজপ্ৰেমৰ জলন্ত প্ৰমাণ পোৱা যায়। "লুইতৰ পাৰৰে অমি ডেকা ল'ৰা," "মুকুতি মেধৰ মহান মেজিত", "আইক পূজাৰ সময় হ'ল"—বিশ্ব বিজয়ী নজোৱান সকলৰ বাবে কৈ গৈছে—অগ্নি বৃষ্টি আহিব লাগিছে মুক্তিযুজাৰু হুঁচিয়াৰ, এইবিলাক আদৰ্শবান গীতৰ মাজতেই জোতিপ্ৰসাদৰ দেশপ্ৰেমৰ ভাৱ ফুটি উঠিছে।

অভিনয়ৰ ক্ষেত্ৰতো জ্যোতিপ্ৰসাদ আছিল এজন সুদক্ষ ব্যক্তি। অভিনয়ৰ কাৰণেই যেনেকৈ নাটক সৃষ্টি, অভিনয়ৰ কাৰণে ঠিক তেনেকৈ নাটকৰ প্ৰয়োজন। সেয়েহে তেখেতে নিজে নাটক লিখি অভিনয় কৰিছিল। তেখেতে অভিনয় জীৱন আৰম্ভ কৰে বান ৰঙ্গমঞ্চত। চন্দ্ৰধৰদেৱে ক'বৰ দৰে,—বিজুলী বাতি সৰবৰাহ কৰাৰ পৰা তাক বন্ধন কৰা পৰ্য্যন্ত যেনেকৈ তাৰ তৰঙ্গ প্ৰবাহ অনবৰত বৈ থাকে, জ্যোতিপ্ৰসাদৰ মনটোৰ ভিতৰটো সৃষ্টিৰ তেনে এটা তৰঙ্গ অনবৰত বৈ থাকে। সৰু কালৰে পৰাই তেখেতৰ মনে সৃষ্টিৰ প্ৰেৰণা লাভ কৰিছিল। সেয়েহে মৃত্যুৰ সময়লৈকে তেখেতে সৃষ্টি কৰি গ'ল এক সমাহিত সৌন্দৰ্য্যৰ। বান ৰঙ্গমঞ্চতেই অভিনয় জীৱনৰ পাতনি মেলা। জ্যোতিপ্ৰসাদৰ মনটো আছিলে প্ৰৱল বিদ্ৰোহী। বান ৰঙ্গমঞ্চৰ গুৰি ধৰোঁতা সেইসময়ৰ কেইজনমান লোকে ৰঙ্গমঞ্চৰ দৃশ্যপটবোৰ ঢাকাত আঁকাই আনিছিল। তাত আঁকা আছিলে বঙ্গদেশৰ ছাঁ। ড্ৰপচিন খন ঢাকাত আঁকাই দান দিছিলে বিষ্ণু ৰাভাৰ পিতৃ গোপাল চন্দ্ৰ ৰাভাদেৱে। বান ৰঙ্গমঞ্চৰ কোলাৰ সন্তান জ্যোতিপ্ৰসাদে এই বিজতৰীয়া পৰিবেশৰ

বিৰুদ্ধে ঘোৰ প্ৰতিবাদ কৰিছিল। তেওঁ এই-বিলাকৰ ঠাইত নিৰ্ম্মাণ কৰিলে অসমৰ লুইতৰ পাৰৰ হাবি বননি অসমৰ পৰ্ব্বত পাহাৰৰ ৰূপ থকা দৃশ্য। আগৰ ড্ৰপ্‌চিনৰ ঠাইত জ্যোতি-প্ৰসাদে জিলিকাই তুলিলে বিশাল ব্ৰহ্মপুত্ৰৰ বুকুৰ উমানন্দ। উইংচ আদিত লিপিবদ্ধ কৰিলে অসমৰ গছ-লতা, বন-বননি। তাৰ পাছতেই ১৯৩০-৩১ চনত ইন্দ্ৰেশ্বৰ বৰঠাকুৰে নিজহাতে আঁকি দিলে অসমীয়া গাঁৱৰ এখন দৃশ্যপট। মাজত এটি অসমীয়া ঘৰ। জ্যোতিপ্ৰসাদৰ ওঁৰেনিশা চিন্তা হ'ল অসমীয়া জন সংস্কৃতিক কেনেকৈ জীয়াই ৰাখিব পাৰি। যিটো সময়ত অসমীয়া গীত মাতলৈ সকলোৰে পিঠি দিছিল। তেওঁ চিন্তা কৰিলে আমাৰ (অসমীয়া) নিজা গীত, মাত, সুৰ নাইনে?? যিটো সুৰ শুনি প্ৰতিজন অস-মীয়াই চিঞৰি উঠিব—এইটো নিচেই চিনাকী সুৰ, এইটো মোৰেই সুৰ বুলি। যিটো শুনি সকলোৰে ক'ব—এইটো মোৰ অন্তৰৰ মণিকোঠাত সোমাই আছে, ই মোৰ নিজস্ব বৈশিষ্ট্য থকা আৰু ইয়াৰেই মই নিজক অসমীয়া বুলি চিনাকী দিব পাৰিম। জিভাত জুতিলগা খাৰকণে, টেঙাৰ জোলে যেনেকৈ আমাৰ ভোজনলৈ তৃপ্তি আনে, তেনেকৈ আমাৰ মনলৈ কিহে তৃপ্তি আনিব? এই স্বকীয় বৈশিষ্ট্য বিচাৰি, নিজৰ সমলৰে আনন্দৰ বস্তু বিচাৰি, তেখেতে মন দিলে অসমীয়া সংস্কৃতিলৈ। তাৰ মাজতে তেখেতৰ সৃষ্টিকামী দ্ৰষ্টামনে বিচাৰি পালে মুকুতাৰ সন্ধান। সৃষ্টি কৰিলে অসমীয়া নিজস্ব সুধ শোণিত কুঁৱৰী নাটকৰ জড়িয়তে। অসমীয়া সুৰে লাভ কৰিলে তাৰ নিজস্ব মৰ্য্যাদা।

সেই সময়ত সংগীত আৰু নাটক অভিন্ন আছিল। নাটকৰ এক প্ৰধান অঙ্গ সংগীত। সেই নাট-কৰ মাজেদিয়েই তেখেতে সৃষ্টি কৰিলে সংগীতৰ নবযুগ। শিল্পী জ্যোতিপ্ৰসাদে অসম তথা ভাৰ-তৰ কলা কৃষ্টিক আসন্ন মৰণৰ পৰা বচাবলৈ হাতত জ্যোতি শিখা লৈ আগবাঢ়িল পৰাধীনতাৰ শিকলি চিঙি মহা অমানিশাৰ অৱসান ঘটোৱাৰ মহাসংকল্পৰে— সেই মহা ব্ৰতেই তেওঁৰ জীৱন বাটত পোহৰ পেলাইছিল।

জ্যোতিপ্ৰসাদ যে কেৱল গুণী জ্ঞানী শিল্পী অথবা কলা সংস্কৃতিৰ পথ প্ৰদৰ্শকেই আছিল তেনে নহয়, তেখেত আছিল এজন অহিংসবাদী, সত্য-বাদী, ঘোৰ দেশপ্ৰেমিক। — সন্তানৰ শিক্ষা বোলে মাতৃৰ গৰ্ভতে আৰম্ভ হয়, কথাষাৰ কিজানি সঁচা। অভিমন্যুৰ দৰে মাতৃৰ গৰ্ভতে শিক্ষা পাইছিল স্বদেশ প্ৰেমৰ। ১৯১৮ চনতে কিশোৰ জ্যোতিপ্ৰসাদে আহমদাবাদৰ কংগ্ৰেছ সভালৈ যোৱাৰ সৌভাগ্য ঘটিছিল দেউতাক পৰমা-নন্দৰ লগত। মহাত্মা গান্ধী আৰু দেশৰ ভালে কেইজন আগশাৰীৰ নেতাৰ তেজোদীপ্ত বক্তৃতাই বালক জ্যোতিপ্ৰসাদক আপ্লুত কৰিছিল। গান্ধী-জীৰ 'মুক্তি বা মৃত্যু' "এই সংগ্ৰামেই জাতিৰ শেষ সংগ্ৰাম" আদি বাণীয়ে জ্যোতিপ্ৰসাদৰ বিপ্লৱী মনলৈ বিপ্লৱৰ জোৱাৰ নমাইছিল। ১৯২১ চন। গান্ধীজীৰ অসহযোগ আন্দোলনে সমগ্ৰ বিশ্বত আলোড়নৰ সৃষ্টি কৰিলে। অহিংস অসহযোগ আন্দোলনৰ ঢৌৱে অসমৰ আকাশ বতাহ ধূসৰ কৰি তুলিলে। সেই ঢৌৰ তৰঙ্গই অসমৰ তেজপুৰত প্ৰৱেশ কৰাৰ লগে লগে, জ্যোতিপ্ৰসাদক কোনেও ধৰি ৰাখিব নোৱাৰিলে। হাজাৰ হাজাৰ ছাত্ৰ ছাত্ৰীয়ে দেশমাতৃৰ পৰাধীন-তাৰ কলঙ্ক মোচন কৰিবলৈ অহিংস আন্দোলনত জঁপিয়াই পৰিল। এই আন্দোলনত যোগদান দিবলৈ তেজপুৰ হাইস্কুলৰ সমূহ ছাত্ৰ ছাত্ৰী নিৰ্ভীক ভাবে ওলাই আহিল। এই ছাত্ৰ ছাত্ৰী দলটোৰ পৰিচালনাৰ ভাৰ ললে জ্যোতিপ্ৰসাদ

আগৰৱালাই। সেই দৃশ্যপটত জ্যোতিপ্ৰসাদক এনে লাগিছিল, তেওঁ যেন নিজেই ফিৰিঙতি হৈ গোটেই দেশতে আন্দোলনৰ জুই জ্বলাই পৰাধীনতাৰ নাগ পাশৰ পৰা আই ভাৰতীক মোকোলাই আনিব। তেওঁৰ মনৰ গতিক ৰোধ কৰিব পৰা শক্তি যেন তেওঁৰ নিজৰেই নাছিল ? গান্ধীজীৰ প্ৰভাৱবোৰ প্ৰভাৱান্বিতে হৈ জ্যোতিপ্ৰসাদৰ কাপৰ পৰা ওলায় আহিছিল—

শঙ্কা নকৰা নকৰা ভয়
জয় মহাত্মাৰে মহাত্মাৰ জয়,
বিশ্ব বিজয়ী ন জোৱান

এই তেজোদীপ্ত গীত গাই অসম সন্তানক উদ্বুদ্ধ কৰিছিল। তেওঁৰ এই তেজোদীপ্ত গীতৰ আহ্বানত সকলো ওলায় আহি অসহযোগ আন্দোলনত জপিয়াই পৰিছিল। গান্ধীজীৰ আদৰ্শক তেওঁ বাস্তৱত ৰূপায়িত কৰি যি মহান আদৰ্শ দাঙি ধৰিলে সেই দিশলৈ লক্ষ্য কৰিলে জ্যোতিপ্ৰসাদক এজন আচল মানুহ বুলি স্বীকৃতি দিব লাগিব। গান্ধীৰ অগ্নিময় বক্তৃতা শুনি বিদেশী বস্ত্ৰ বৰ্জন কৰিবলৈ উঠি পৰি লাগিল। নিজৰ ঘৰত থকা সকলো বিদেশী বস্ত্ৰ তেওঁ জুই জ্বলাই পুৰি পেলাইছিল। এই অগ্নিসংযোগৰ পৰা মাকে হাতেবোৱা আটক ধুনীয়া গুণাৰ বণকৰা ধুনীয়া কাপোৰখনো সাৰি যোৱা নাছিল। মাকৰ সেই কাপোৰখন হেনো বিদেশী সূতাৰে বোৱা। যেতিয়া তেওঁ বিদেশৰ পৰা স্বদেশলৈ ঘূৰি আহে, বম্বেত ভৰি পেলায়েই যেতিয়া গম পালে অসহযোগ আন্দোলনৰ কথা তেতিয়া তেওঁ পশ্চিমীয়া চাহাবী সাজপাৰ সোপাকে দলিয়াই শুদ্ধ খদ্দৰৰ দেশীয় সাজপাৰ পিন্ধি অসম ওলাইছিলহি। গান্ধীজীৰ আইন অমান্য আন্দোলনত যোগ দিয়েই ১৫ মাহ কাৰাবৰণ খাটিব লগাত পৰিছিল। গোটেই জীৱনটো সংগ্ৰামৰ মাজেৰে অতিবাহিত কৰা জ্যোতিপ্ৰসাদে আকৌ অংশ গ্ৰহণ কৰিব লগা হ'ল ১৯৩৯-৪০ চনৰ পৃথিৱীজোৰা মহাসমৰত। মহাসমৰৰ ছিটিকণি অসমতো পৰিছিল, তাতো তেওঁ অগ্ৰণী ভূমিকা গ্ৰহণ কৰিলে। তেজোদীপ্ত গীতৰ মাজেৰে তেওঁ কৈছিল, ইংৰাজৰ কছাৰী ঘৰত আমি শই শই মৰি হলেও আমাৰ ত্ৰিৰঙ্গ নিচান উৰুৱাবই লাগিব।—দুখৰ বিষয় সেইসময়ত তেখেতৰ নিজ পত্নী আৰু ন'কৈ ওপজা সন্তানক নৰিয়া পাটিত এৰি থৈ জ্যোতিপ্ৰসাদ অনিশ্চয়তাৰ মাজত অনিৰ্দিষ্ট কাললৈ ওলায় যাব লগাত পৰিল। এফালে দেশ স্বাধীনৰ নিচিনা মহান কৰ্ত্তব্য আৰু আনফালে নিজৰ পুত্ৰ পৰিবাৰৰ পাৰিবাৰিক কৰ্ত্তব্য। শিশু, পুত্ৰ কন্যা আৰু ৰোগাগ্ৰস্ত স্নেহৰ পত্নীৰ তেনেকৈ এৰি গোটেই দেশজুৰি চলা বিপ্লৱৰ জুই শিখাৰ আঁৰে আঁৰে জ্যোতিৰ বিপ্লৱী মনটো ফুৰিবলৈ ধৰিলে। মহাত্মাৰ প্ৰিয় শিষ্য জ্যোতিপ্ৰসাদে হিংসাক প্ৰশ্ৰয় নিদিছিলে। সেয়ে হয়তু মাজে সময়ে কেইজনমান নেতাৰ লগত তেওঁৰ মতানৈক্য ঘটিছিল। গান্ধীজীৰ সত্যাগ্ৰহ আৰু অহিংসাই জ্যোতিপ্ৰসাদৰ অন্তৰৰ লক্ষ্য আছিল। জ্যোতিপ্ৰসাদৰ সু-সংস্কৃত মনে সদায় বিচাৰিছিল দুস্কৃতিক বিনাশ কৰি সংস্কৃতিক জয়ৰ ৰবপিৰাত বহুৱাবলৈ। মানৱ জীৱনটোৱেই তেওঁৰ মনত সংস্কৃতিৰ অভিধান। মানুহৰ ভ্ৰান্তি, হিংসা, দ্বেষ, অসূয়া অজ্ঞানতা দূৰ কৰি এই পৃথিৱীত জীৱনক উজ্বল আনন্দময় কৰি তোলাই সংস্কৃতিৰ লক্ষ্য। কিন্তু এই কাঁইটিয়া পথ পাৰ হ'ব পাৰিব সেই দিনাহে যিদিনা সংস্কৃতিৰ স্বৰ্গৰাজ্য ৰচিত হ'ব, গান্ধীজীৰ সপোনৰ ৰামৰাজ্য প্ৰতিষ্ঠা হ'ব। জীৱনৰ মহাশিল্পী গান্ধীজীয়ে পৃথিৱীৰ বুৰঞ্জীত যি সংস্কৃতিক বিপ্লৱৰ পাতনি মেলিলে সেই বিপ্লৱৰ জুইৰে আমি ভাৰতবৰ্ষ তথা সমগ্ৰ বিশ্ব পুৰি সোণ কৰি গঢ়ি তুলিব লাগিব এয়ে আছিল জ্যোতিপ্ৰসাদৰ অন্তৰৰো

অন্তৰৰ কথা। সঁচাকৈ এদিন তেখেতৰ অন্তৰৰ নিভৃত কোণত লুকাই থকা আশাৰ শুকুলা ডাৱৰে অন্তৰত জোঁৰবে তুলি এটি শুভবাৰ্ত্তা কঢ়িয়াই আনিলে। দেশৰ অগণন জনতাৰ মুখত এচেৰেঙা বেলেগ পোহৰৰ প্ৰলেপ পৰিল। যি পোহৰে সকলোৰে অনুজ্বল মুখবোৰ তাৰকামণ্ডলীৰ দৰে জিলিকাই তুলিলে। সকলোৱেই যেন মৃত্যুৰ গৰাহৰ পৰা মুক্তি পালে। —জগতে দেখাকৈ ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা আমাৰ দেশে স্বাধীনতাৰ বৰমাল্য পিন্ধিবলৈ সক্ষম হ'ল। প্ৰবিত্ৰ তেজৰ বিনিময়ত স্বাধীন হোৱা আমাৰ দেশক কেনেকৈ বিশ্বৰ আগশাৰীত জিলিকাই ৰাখিব পাৰি, কেনেকৈ প্ৰতিখন ৰাজ্যই নিজৰ সৌষ্ঠৱ ম্লান হবলৈ নিদিও বিশ্ব নাগৰিক হব পাৰে, বিশ্বৰ মানব হব পাৰে তাৰে সপোন দেখিছিল সপোনকোঁৱৰ জ্যোতিপ্ৰসাদে। গৰলৰ মুখৰ পৰা অসম তথা ভাৰতক উদ্ধাৰ কৰি, জননীৰ দেহত অক্ষয়িত অলঙ্কাৰ পিন্ধাই বিশ্বৰ ভিতৰতে এগৰাকী মহীয়সী মাতৃৰূপে সজাই পৰাই ধুনীয়া কৰি গঢ়ি থৈ, অসমৰ আকাশত সংস্কৃতিৰ নৱ-সূৰ্য্যৰ জন্ম দি, অসমীয়া ভাষা সংস্কৃতিক জগতৰ ভিতৰতে শ্ৰেষ্ঠৰূপে পৰিগণিত কৰি, নবযুগৰ যুগময়ী, কালজয়ী, যুগস্ৰষ্টা জ্যোতিপ্ৰসাদে সকলোকে কন্দুৱাৰ লগতে জননীৰ ৰিহাৰ আঁচল চকুৰ পানীৰে তিয়াই জননীৰ কোলাতে চিৰদিনৰ বাবে বিদায় ললে। তেখেতৰ অজানিতে তেওঁ হৈ ৰ'ল বিশ্ব-নাগৰিক বিশ্বমানব। তেখেতৰ বিপ্লবী মনৰ অমৰ আত্মাই আজিও যেন অসমৰ আকাশে বতাহে চিঞৰিব ধৰিছে—

শঙ্কা নকৰা নকৰা ভয়—
জয় অসমৰ অসমীয়াৰে জয় ॥

জ্যোতিপ্ৰসাদৰ এই অমৰ ধ্বজাই আজিৰ নতুন পুৰুষক আকৌ জগাই তুলিছে—

"লুইতৰ পাৰৰে আমি ডেকা ল'ৰা—
মৰিবলৈ ভয় নাই" ॥

তোমালোকৰ শিক্ষা যদি সততা আৰু পবিত্ৰতাৰ দৃঢ় ভেটিত গঢ়ি উঠা নাই তেন্তে মই ভাৱো, তোমালোকৰ শিক্ষাৰ কোনো মূল্য নাই। তোমালোকে যদি তোমালোকৰ ব্যক্তিগত জীৱনৰ পবিত্ৰতাৰ প্ৰতি আওকাণ কৰা, মই কওঁ তোমালোকৰ জীৱন অথলে গৈছে।

—বাপুজী

# প্ৰাপ্ত বয়স্ক শিক্ষাৰ আঁচনিত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

শ্ৰীঅঞ্জনা গগৈ
স্নাতক ১ম বাৰ্ষিক

ভাৰতৰ গণতন্ত্ৰ সাফল্যমণ্ডিত কৰি গঢ়ি তুলিবলৈ হলে বাধ্যতামূলক শিক্ষাৰ গুৰুত্ব যিমান বেছি প্ৰাপ্ত বয়স্ক শিক্ষাও সিমানেই প্ৰয়োজন। প্ৰাথমিক স্কুলত দুই-এক বছৰ পঢ়ি আক্ষৰিক জ্ঞান লাভ কৰি পিছলৈ চৰ্চাৰ অভাৱত সকলোবোৰ বিদ্যা পাহৰণিৰ ক'লা ঢাকনিৰে ঢাকি পেলোৱা লোকৰ সংখ্যাও এইখন দেশত কম নহব। গ্ৰাম্যাঞ্চলত ক্ৰমবৰ্দ্ধমান আৰু ব্যাপক দৰিদ্ৰতাৰ ফলত নিৰক্ষৰতাৰ সমস্যাও ক্ৰমে জটিল হৈ পৰিছে। কিন্তু গ্ৰাম্যান্নয়নৰ সুদূৰ প্ৰসাৰি আঁচনি সমৃদ্ধিশালী কৰিবলৈ হলে সাক্ষৰতাৰ উপৰিও জনসাধাৰণক কৃষি, বিভিন্ন কুটীৰ শিল্প, হাঁহ-কুকুৰা পোহপাল কৰা, শিশু কল্যান, পৰিয়াল পৰিকল্পনা, সমবায় প্ৰতিষ্ঠান আদি বিষয়ৰ ওপৰত আধুনিক বিজ্ঞান সন্মত নিয়ম প্ৰণালী সম্পৰ্কে সম্যক জ্ঞান দানৰ সু-ব্যৱস্থা কৰা অত্যন্ত প্ৰয়োজন। এই ক্ষেত্ৰত দেশৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষিত যুব সমাজেই ভূমিকা গ্ৰহণ কৰিব লাগিব, আৰু যিকোনো বিষয়তে নিৰক্ষৰ সকলক শিক্ষাৰ ক্ষেত্ৰত সহায় কৰিব লাগিব। সাধাৰণতে নজনা কথা বিলাক শিকাই দিয়াটো আমাৰ কৰ্ত্তব্য।

বৰ্ত্তমান যুগত কেন্দ্ৰীয় চৰকাৰে প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি এখন উচ্চ-আকাংক্ষিত ব্যাপক আঁচনি গ্ৰহণ কৰিছে, আৰু সেই আঁচনি কাৰ্য্যত পৰিণত কৰিবলৈ সকলো ৰাজ্য চৰকাৰক আহ্বান জনাইছে। তাৰ বাবে লাগিব গোটেই দেশৰ ছাত্ৰ সমাজ আৰু শিক্ষিত জন সম্প্ৰদায়ৰ সহায় সহযোগ, লগতে জনসাধাৰণৰ ঐকান্তিকতা।

যি সকল প্ৰাপ্ত বয়স্কলোকে আনুষ্ঠানিক শিক্ষাৰ কোনো সুযোগ নোপোৱাকৈ নাইবা অলপ সাধাৰণ শিক্ষা লাভ কৰি নিজৰ কৰ্মভূমিত প্ৰৱেশ কৰিছে সেই সকল লোকক আনুষ্ঠানিক শিক্ষাই সুযোগ দিয়াটো উচিত হ'ব। প্ৰাপ্ত বয়স্ক শিক্ষাৰ বাবে কাৰ্য্যক্ৰম প্ৰস্তুত কৰোতে শিক্ষাৰ্থী সকলৰ সামাজিক পৰিবেশৰ প্ৰতি মনোযোগ দিয়াটো নিতান্তই প্ৰয়োজনীয় কথা। পৰিবেশৰ লগত নিজকে খাপ-খুৱাই লোৱাৰ সুযোগ দিবৰ বাবেই ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন কাৰ্য্যক্ৰমৰ আৱশ্যক হোৱাটো স্বাভাৱিক।

এই শিক্ষাৰ কাৰ্য্যক্ৰম প্ৰস্তুত কৰোতে আৰু এটা মন কৰিবলগীয়া কথা হৈছে যে যি সকলে কাৰ্য্যক্ৰম যুগুতাবৰ বাবে আগবাঢ়ি আহে তেওঁ লোকৰ বেছি ভাগেই অভিজ্ঞ আৰু জ্ঞান সম্পন্ন লোক বা ছাত্ৰ ছাত্ৰী। গতিকে প্ৰাপ্ত বয়স্ক লোকৰ বাবে পাঠ্যক্ৰম প্ৰস্তুত কৰোতে চাব লাগিব যাতে তেওঁলোকে এই শিক্ষাৰ যোগেদি নিজ নিজ জ্ঞান লাভ কৰি দেশৰ নিৰক্ষৰতা দূৰ কৰিব পাৰে। সেই বাবে তেওঁলোকক কৰ্ম অভিজ্ঞতাৰ বিষয়েও সাময়িক জ্ঞান দিয়াটো উচিত।

সঁচাকৈয়ে প্ৰাপ্তবয়স্ক শিক্ষা যদি পৰিপূৰক হিচাপে আমি প্ৰতিষ্ঠা কৰিব পাৰো তেনেহলে আমাৰ চলিত শিক্ষা ব্যৱস্থাৰ অনগ্ৰসৰতাও ভালে খিনি আঁতৰ কৰিব পৰা যাব। তাৰ উপৰিও এই শিক্ষাৰ জৰিয়তে বাঢ়ি অহা দেশৰ জনসংখ্যা সীমিত কৰি দেশৰ দৰিদ্ৰতা দূৰ কৰাতো সহায় কৰিব পৰা হ'ব বুলি ভবাৰ স্থল আছে। বৰ সুখৰ কথা যে প্ৰাপ্ত বয়স্কৰ শিক্ষাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে বেছি গুৰুত্ব আৰোপ কৰা দেখা পোৱা গৈছে। আৰু প্ৰধান মন্ত্ৰীৰ কুৰি দফীয়া (২০-দফীয়া) আঁচনিতো এই শিক্ষাৰ আঁচনিখন অন্তৰ্ভুক্ত কৰা হৈছে।

সেই হিচাপে চৰকাৰ, শিক্ষিত সমাজ সকলোৱেই ইয়াৰ আৱশ্যকতা উপলব্ধি কৰি সহায় সহযোগ আগবঢ়োৱা নিতান্তই প্ৰয়োজন। মুঠতে ইয়াৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ বাবে ইয়াক আমাৰ জাতীয় শিক্ষা ব্যৱস্থাৰ আপুৰুগীয়া অংগ হিচাবে গণ্য কৰি সেই মতে আগবঢ়াই নিয়াত চৰকাৰৰ লগতে দেশৰ ছাত্ৰ-ছাত্ৰীসকলেও সহায় সহযোগ আগবঢ়োৱাটো প্ৰধান কৰ্ত্তব্য।

মানৱ জীৱন দুষ্প্ৰাপ্য, অথচ ক্ষণভঙ্গুৰ আৰু মায়াময়; হৰিভকতি মোহাচ্ছন্ন জীৱন সমুদ্ৰত ধ্ৰুৱতৰা।

মহাপুৰুষ শঙ্কৰদেৱ

# দুৰ্বৰা, নিয়তি আৰু তেওঁৰ কবিতা

শ্ৰীৱন্তী গগৈ
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

প্ৰতি মানুহৰে দৃষ্টিভঙ্গী বেলেগ। মানুহৰ দৃষ্টিভঙ্গীৰ তাৰতম্যৰ বাবে একেটা বস্তুৱে বিভিন্ন জনক মনত বিভিন্ন ধৰণে ৰেখাপাত কৰে। বহুক্ষেত্ৰত আমাৰ দৃষ্টিভঙ্গীত প্ৰায় এক পক্ষীয় অৰ্থাৎ একেমুখীয়া হোৱা বাবে আমি এটা বিষয়ৰ প্ৰকৃত স্বৰূপ নিৰ্দ্ধাৰণ কৰিব নোৱাৰো। মানুহৰ ভিন্ন ৰুচিৰ দৃষ্টি বহু সময়ত ব্যক্তি কেন্দ্ৰিক হৈ পৰে। এজনৰ মতৰ লগত অন্য এজনৰ মত নিমিলে। তথাপি কওঁ অতিন্দ্ৰীয়বাদী কবি যতীন দুৰৰাৰ কবিতা মোৰ ভাল লাগে।

প্ৰাচীন ভাৰতৰ কবিতাক সংজ্ঞা দিয়া হৈছিল "ৰসাত্মকং বাক্যং কাব্যম" বুলি। সেই অনুক্ৰমে একেষাৰতে কবলৈ গলে ৰস থকাৰ বাবেই হয়তো যতীন দুৰৰাৰ কবিতা মোৰ ভাল লাগে। এই ৰসৰ সংজ্ঞাও অৱশ্যে একেষাৰতে দিয়া টান। নৱৰসৰ ভিতৰত দুৰৰাৰ কবিতাত কৰুণ ৰসেই প্ৰাধান্য লাভ কৰিছে। বিখ্যাত কবি P.B. Shelley য়েও কৈছিল—বিষাদযুক্ত সংগীতেই আমাৰ বেছি আপোন।

"Our Sweetest songs are those
That tell us of our saddest thoughts."

ৰবীন্দ্ৰনাথ ঠাকুৰেও কৈছিল ঃ —

"প্ৰেমৰ আনন্দ থাকে
শুধু অল্প ক্ষণ,
প্ৰেমৰ বেদনা থাকে
সমস্ত জীবন"

করুণ ৰসৰ বাবেই দুৰৰাৰ কবিতাৰ নিৰাশ-বাদৰ সুৰ শুনা যায়। অৱশ্যে সেই নিৰাশবাদ সকলো কবিতাতে সমান নহয়। "শূন্য পৰিচয়তে ইয়াৰ মাত্ৰা বেছি বুলি বহুতে মত প্ৰকাশ কৰে" দুৰৰাৰ কবিতাত উল্লেখযোগ্য কথা হ'ল ইয়াৰ অন্তনিহিত দাৰ্শনিক তত্বহে। ওমৰখায়ামৰ দৰ্শনেৰে আপ্লুত দুৰৰাৰ কবিতাত ওমৰ খায়া-মৰ সমূহ কথাকে সাঙুৰি দুৰৰাই পাৰ্চীৰ পৰা অনুবাদ কৰিলে "ওমৰ তীৰ্থ" অসমীয়া সাহিত্যলৈ ই এক আপুৰুগীয়া অৱদান।

ড০ বাণীকান্ত কাকতিৰ মতে "দুৰৰাৰ জীৱনত এটা ঘটনাই তল ওপৰ লগাব পায়"। কেৱল সেয়ে নহয় যৌৱনৰ প্ৰাৰম্ভণিতে কবিয়ে পালে ব্যৰ্থতা, আৰু সেই ব্যৰ্থতাই কবিৰ অন্তৰ ইমান জৰ্জ্জৰিত কৰিলে যে সি জীৱনলৈ স্থায়ী হ'ল। তেওঁ চাৰিওফালে মাথো শূন্যতা। দুৰৰাৰ মতে জীৱনটো সুখৰ নহয় দুখৰ সম-ষ্টিহে সেয়ে কবিয়ে কৈছে—

"অনাদৰ অৱহেলা যত জগতৰ
সুখ দুখ সকলো সাৰৰি
সকলোকে অন্তৰত প্ৰণাম জনাই
নাওঁ মেলি আহিলোঁ আঁতৰি
সুখ দুখ সকলো পাহৰি।"

"অনাদৰ অৱহেলা সকলো গোটাই লৈ
ৰচোঁ মই জীৱনৰ কুসুম কানন
এয়ে মোৰ কপালৰ বিধিৰ নিষ্ঠুৰ লিখা
এয়ে মোৰ জীৱনৰ কাঁইটীয়া বন।"

Shelley য়েও "Ode to the west wind" অত দুৰৰাৰ দৰে জীৱনৰ কাঁইটনিত পৰি ক্ষত বিক্ষত হৈ চিঞৰিছে—

"Oh lift me as a wave a leaf
And a cloud,
I fell upon thorns of life,
I bleed !

দুৰৰাৰ আন এটা অসমীয়া সাৰ্থক সৃষ্টি হ'ল কথা কবিতা। আজীৱন দুৰাৰোগ্য কেন্সাৰ ৰোগত ভুগি ৰাচিয়াৰ আইভান টুৰ্গেনিভে ৰচনা কৰা "Poems in Prose" ৰ আহিত দুৰৰাৰ কথা কবিতা সৃষ্টি কৰিলে।

১৯৫২ চনত দুৰৰাৰ "বনফুল" নামৰ কবিতা পুথিয়ে সাহিত্য অকাডেমীৰ পুৰস্কাৰ লাভ কৰে। অসম চৰকাৰে তেখেতক সাহিত্যিক পেঞ্চন আগ-বঢ়াইছিল। এটা কথা উল্লেখ নকৰিলে দুৰৰাৰ জীৱনী অসম্পূৰ্ণ হৈ ৰ'ব। সেয়ে হ'ল প্ৰথম খোজতে উজুতি খাই দুৰৰা চিৰ কুমাৰ হৈ ৰ'ল। এয়া হয়তো অসমীয়া কাব্য সাহিত্যৰ বাবে আশীৰ্বাদহে হ'ল। নহলে হয়তো ইমান-খিনি কাব্যসম্ভাৰ তেখেতৰ পৰা সম্ভৱ হৈ উঠিল হেতেন নে নাই সেইবিষয়ে সন্দেহৰ থল নথকা নহয়। তথাপিও দুৰৰাৰ কবিতা অসমীয়া সাহি-ত্যৰ বাবে এজন ইংৰাজ লিখকৰ ভাষাত কবলৈ গ'লে—

"It is closing of a door, end of a Chapter, silencing of a music, Which was sweet to hear but will. Not come again" যতীন দুৰৰাৰ কবিতাত প্ৰতিফলিত হৈছে নিয়তিৰ ক্ৰুৰ নিষ্ঠুৰ ৰূপ। অতীতৰে পৰা আহিছে নিয়তিৰ এই পৰিহাস নিকৰুণভাৱে। এয়া কেৱল কবিৰ ওপৰতে নহয় সমগ্ৰ মানৱ জাতিৰ ওপৰতে নিয়তিৰ প্ৰতিশোধ। ইয়াক অকাতৰে মানি লৈ দুৰৰা

আগবাঢ়িছে নিৰাশাৰ ফালে ।'

প্ৰেমিক দুৰ্ৰবাই নিয়তিৰ হাতত পৰি বিছিন্ন হোৱা বুলি ধৰি লৈছে । সেয়ে নিয়তিৰ হাতৰ পৰা ৰক্ষা পোৱাৰ উপায় নাই বুলি কৈছে । প্ৰিয়তমাৰ ভালপোৱাতো আস্থা হেৰুৱাইছে । এইবোৰ যেন মায়াজাল আৱৰণহে—

'তুমি মোক ভাল পোৱা শুনিলেও হাঁহি উঠে
হব পাৰে ইয়ো এটা সপোনৰ ৰেখা
সপোন শেষ হলে মোহজাল আঁতৰিলে
দুনাই এনুৱা ভাৱে দিবা জানো দেখা ।"

দুৰ্ৰবাৰ কবিতাত আমি ভালপাওঁ নিৰাশবাদ । ভাগ্যবাদতে তেওঁ Hardy ৰ সুৰত সুৰ মিলাব খোজা নাই । কবিৰ মতে মানৱ সভ্যতা উন্নতিৰ উচ্চতম শিখৰলৈ উঠিলেও মানুহে নিয়তিৰ হাত এৰুৱাব নোৱাৰে, সেয়ে ওমৰ তীৰ্থত কৈছে—

"দিন ৰাতিলৈ আন্ধাৰে পোহৰে
আঁকা এইখনি পাশাৰ চাল
মানুহক লৈ পাশাটি খেলিছে
ৰহি নিয়তিয়ে অনন্ত কাল ।"

দুৰ্ৰবাৰ আশাৰ বালিচৰ নিৰাশাত লীন হ'ল। কবিয়ে বুজা নাই কি অপৰাধৰ বাবে তেওঁ এই বেদনাৰ বোজা তাৰ লগা হ'ল । নিজৰ দুখ বিচাৰি উলিয়াব নোৱাৰি কবিয়ে নিয়তিয়েই সকলোৰে মূল বুলি ঠাৱৰ কৰিছে— "নিয়তিয়ে নিজ হাতে যিদিনা
কপালত যিটি লিখিলে আছি
নাই লৰচৰ সেই আখৰৰ
সিদৰে জীৱন চলিব ভাঁহি ।"

Shakespeare য়েও King Lear ত তেনে এটা ভাৱকেই প্ৰকাশ কৰিছে—

As fliest to wanton boys so are we
for the gods;
They kill us for their sports"

মহাকবি হোমাৰেও কৈছিল ঠিক একে সুৰতে
"No man or woman farn
coward or brave can shun his desting

কবি দুৰ্ৰবাৰ ভৱিষ্যতৰ প্ৰতি আশা আকাংখা নাই। নিজৰ ভবিষ্যত নিয়তিৰ হাততে অৰ্পণ কৰিছে। ইয়াতেই কবিৰ নিৰাশাবাদী মনোভাৱ ভালকৈয়ে প্ৰকাশ পাইছে—

"এনেদৰে থাকোতেই হঠাৎ এদিন আহি
কাল পচোৱাই দিব চাকিটি নুমাই,
নিচিনা বাটেদি মোক নজনা দেশৰ পিনে
নিয়তিয়ে হাত ধৰি নিব আগুৱাই ।"

আনহাতেদি কাৰোবাৰ চেনেহৰ পৰা বঞ্চিত হৈ মানৱ বিদ্বেষী ভাৱহে প্ৰকাশ কৰিছে—

"মোৰ এই হিয়াখনি জেতুকাৰ পাতৰ দৰে
সেউজীয়া বননিৰে ঢকা
অন্তৰ জ্বলোৱা ছবি অতীতৰ স্মৃতিলৈ
বুকুৰ তেজেৰে আছে অন্তৰতে আঁকা ।"

দুৰ্ৰবাক নিয়তিয়ে প্ৰেমৰ স্থায়ীত্বকণ নিদিলে। সেয়েহে দুৰ্ৰবাই আক্ষেপৰ সুৰত গাইছে—

"ঢালি দিলা অন্তৰৰ ভকতিৰ ধাৰা
আবেগত গালা কত গান,
কতবাৰ হেপাহৰে সাৱটি ধৰিলা
প্ৰতিমাৰ পালা জানো প্ৰাণ ?"

দুৰ্ৰবাই জীৱনত কি পালে, কি হেৰুৱালে সেইয়া কবিয়ে জমা খৰচ কৰি উলিয়াব বিচৰা নাই, অৰ্থাৎ তেওঁ নিৰ্ব্বিবাদে নিয়তিক মানি লৈছে—

'জীৱনৰ আবেলি বেলিকা

আজি তাৰ নকৰো বিচাৰ
মাৰ যক অন্তৰতে যত
সুখ দুখ আশা নিৰাশাৰ

দুৰৱাৰ কবিতাত এনে ভাৱ দেখা যায়, যেন কবিক নিয়তিয়ে আজন্ম দুখীয়া কবি- সৃজন কৰিছে। কবিয়ে নিয়তিৰ পৰিহাস নিৰ্ব্বিবাদে মানি লৈছে, যেন কবিৰ বাবে অন্য কোনো উপায় নাই—

"কতজনে কতভাৱে আহি কাষলৈ
তোলায় হিয়াত মাথো সকৰুণ তান,
শূন্যতে বিয়পি পৰে শূন্যতে মাৰ যায়
ভাগ্যহীন জীৱনৰ সুৰহীন গান।"

আনহাতে কবি ভৱিষ্যতৰ প্ৰতি আস্থাহীন। কবিৰ মতে মানুহৰ অন্তিম অৱস্থাৰ কথা ভাবি একো লাভ নাই। এদিন নহয় এদিন জীৱনৰ অভিনয় শেষ হ'বই—

"আহিলে মৰণ যাবই লাগিব
আন্ধাৰ পুৰীৰ কোনোবা দেশ
নাই য'ত সুৰ নাই য'ত গান,
অজান দেশৰ ক'তনো শেষ।

কবিৰ মতে বৰ্ত্তমানেই সকলো। যিমান পাৰে সিমান আজিয়েই উপভোগ কৰিব লাগে—

"আজিয়েই দিয়া কালিলৈ কিয়
কোনে জানে মোৰ কালি কি হ'ব
হাজাৰ হাজাৰ বছৰ ধৰি বিয়পা
হয়তো অতীতে সামৰি থব।"

কবি উদাসীন। তেওঁক ধন, যশ, মান একো নালাগে। মানুহৰ গৰ্ব, অহঙ্কাৰ এই সকলোবোৰ দুদিনীয়া। এদিন সকলোবোৰ ধূলিৰ লগত মিলি যাব—

"দূৰতে গৰজা শুনা অনন্ত সাগৰ
পৰ্বতৰ সমান ঢৌ তুলি
বাহু তোলা মৰণৰ শেষ আলিঙ্গনে
চিন চাব নাৰাখে সমূলি।"

কাৰুণ্য দুৰৱাৰ কবিতাত প্ৰধান বৈশিষ্ট্য। আত্মকেন্দ্ৰিক কবি দুৰৱাৰ ব্যক্তিগত হা-হুমুনিয়াহ, ব্যৰ্থ প্ৰেমৰ কৰুণ স্মৃতি আৰু সাংসাৰিক দুখে তেওঁৰ কবিতা প্ৰভাৱান্বিত কৰিছে। আক্ষেপেৰে তেওঁ গাইছে—

"অকলে আপোন মনে বহি নিৰলতে
ৰ'চো মই জীৱনৰ গান
সঙ্গীহীন বিহগৰ আকুল সুৰত
আকাশত ভাহি উঠে তান"

"অন্ধনিয়তিৰ" অন্ধবিশ্বাসৰে চলে মানৱৰ জীৱন ৰস। দুৰৱাৰ সকলো কবিতাতে এই নিৰাশবাদৰ প্ৰাবল্য সমান নহয়। কৰবাত বেছি আৰু কৰবাত কম। তথাপিও দুৰৱাৰ সকলো কবিতাতে এই কাৰুণ্যৰ প্ৰভাৱ নিৰৱচ্ছিন্ন ভাৱে দেখা যায়। দুৰৱাই বনফুলত প্ৰথমতেই লিখিছে—

'কোনোৱেবা চুই যায় কোনোৱেবা চুই যায়
চেনেহ কণিকা বুলি কৰো তাক ভুল,
সপোন আঁতৰি গলে দিঠকে জনাই দিয়ে
বাটৰ কাষৰ মই বননিৰ ফুল।"

জগতৰ শ্ৰেষ্ঠ কবি Shelley, Keats আদিয়েও সমালোচনৰ হাত সাৰিব নোৱাৰিলে। দুৰৱাও তাৰ ব্যতিক্ৰম হ'ব নোৱাৰে। বহুতে দুৰৱাৰ কবিতাবোৰ 'প্ৰেমৰ পেন-পেননি' বুলিহে আখ্যা দিয়ে। এইদৰে আখ্যা দিলেও নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে অহা দুৰৱাৰ কবিতাই জনপ্ৰিয়তা হেৰুওৱা নাই। বহুতৰ প্ৰাণৰ ৰাগিনীৰ ধ্বনি তাৰ মাজত শুনিবলৈ পোৱা যায়। সি ইমান আপোন।

# ॥ কাৰ্য্য-নিৰ্বাহক সমিতি ॥

## শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা ( ১৯৮৪-৮৫ চন )

**সভাপতি :** অধ্যক্ষ শ্ৰীবীৰেন বৰকটকী
— ফেব্ৰুৱাৰী '৮৫ পৰ্য্যন্ত

**পৰবৰ্ত্তী কালৰ সভানেত্ৰী :** শ্ৰীনীলিমা বৰুৱা,
ভাৰপ্ৰাপ্ত অধ্যক্ষা

**উপ-সভানেত্ৰী :** উপাধ্যক্ষা শ্ৰীনীলিমা বৰুৱা
ফেব্ৰুৱাৰী '৮৫ পৰ্য্যন্ত

**পৰবৰ্ত্তী কালৰ উপ-সভাপতি :**
মঃ হাফিজুৰ ৰহমান, ভাৰপ্ৰাপ্ত উপাধ্যক্ষ

**সমাজ সেৱা বিভাগৰ উপদেষ্টা :**
অধ্যাপক মঃ হাফিজুৰ ৰহমান

**ক্ৰীড়া বিভাগৰ উপদেষ্টা :**
অধ্যাপক শ্ৰীঅৰুণ বৈৰাগী

**আলোচনী উপদেষ্টা :**
অধ্যাপক শ্ৰীসোণাৰাম বৰুৱা

**তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ উপদেষ্টা :**
অধ্যাপক চাহাবুদ্দিন আহমদ

**সাংস্কৃতিক বিভাগৰ উপদেষ্টা :**
অধ্যাপক শ্ৰীশিৰীষ কুমাৰ ভট্টাচাৰ্য্য

**সঙ্গীত বিভাগৰ উপদেষ্টা :**
অধ্যাপক শ্ৰীসত্যভূষণ বৰুৱা

**ছাত্ৰী জিৰণি কোঠাৰ উপদেষ্টা :**
অধ্যাপিকা শ্ৰীতৃপ্তি মল্লিকা বৰুৱা

**সাধাৰণ সম্পাদিকা :** শ্ৰীঅঞ্জলী চুতীয়া

**সহঃ সাধাৰণ সম্পাদিকা :** শ্ৰীনীনা শইকীয়া

**ক্ৰীড়া বিভাগৰ সম্পাদিকা :** শ্ৰীপ্ৰীতিৰেখা চিৰিং

**ক্ৰীড়া বিভাগৰ সহঃ সম্পাদিকা :** শ্ৰীঅজন্তা বৰা

**ছাঃ জিঃ কোঃ সম্পাদিকা :** শ্ৰীৰশ্মিৰেখা মহন্ত

**আলোচনী সম্পাদিকা :** শ্ৰীদীপালি বৰুৱা

**সমাজসেৱা বিভাগৰ সম্পাদিকা :** শ্ৰীজুৰি কোঁৱৰ

**সঙ্গীত বিভাগৰ সম্পাদিকা :** শ্ৰীমিনু কোঁৱৰ

**সঙ্গীত বিঃ সহঃ সম্পাদিকা :** শ্ৰীৰুমা বেজবৰুৱা

**তৰ্ক বিভাগৰ সম্পাদিকা :** শ্ৰীইলোৰা বৰুৱা

**শ্ৰেণী প্ৰতিনিধি :**
শ্ৰীবুলু আৰা বেগম : ১ম বাৰ্ষিক স্নাতক
শ্ৰীঅমি দত্ত : ২য় বাৰ্ষিক স্নাতক

# পৰিশিষ্ট

শিৱসাগৰ ছোৱালী কলেজৰ
ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা ঃ
সম্পাদিকাসকলৰ প্ৰতিবেদন

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ

জয়জয়তে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীয়ে মোক ১৯৮৪-৮৫ চনৰ মহাবিদ্যালয়ৰ নিৰ্ব্বাচনত জয়ৰ মালা পিন্ধাই মহাবিদ্যালয় তথা আপোনালোকৰ সেৱা আগবঢ়াবলৈ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা ৰূপে ঠিয় কৰোৱাৰ বাবে অজস্ৰ ধন্যবাদেৰে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

প্ৰতিবেদনৰ আৰম্ভণিতেই দেশৰমাতৃৰ হকে প্ৰাণ আহুতি দিয়া জ্ঞাত আৰু অজ্ঞাত সকলো স্বহীদলৈ মোৰ গভীৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীবৃন্দ আৰু মাননীয় শিক্ষক - শিক্ষয়ত্ৰী মণ্ডলীৰ আশীষ শিৰত লৈ সাধাৰণ সম্পাদিকাৰ নিচিনা এটা গধুৰ দায়িত্ব বহন কৰি মই মোৰ কাৰ্য্যকালৰ মাজেদি কি কৰিলো কি নকৰিলো সেইয়া আপোনালোকৰ বিচাৰ্য্য। দায়িত্ব গ্ৰহণ কৰি ভাবিছিলো মোৰ কাৰ্য্যকালৰ ভিতৰতে শিৱসাগৰ ছাত্ৰী মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ অসুবিধাসমূহ দূৰ কৰিবলৈ চেষ্টা কৰিম। মই ভবা মতে কৰিব নোৱাৰিলো। ইয়াৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। মোৰ কাৰ্য্যকালত পূৰণ কৰিব নোৱাৰা বিভিন্ন অভাৱ অভিযোগসমূহ পৰৱৰ্তী কালৰ সম্পাদিকাসকলে পাৰ্য্যমানে পূৰণ কৰি যাবলৈ এই প্ৰতিবেদনৰ জৰিয়তে বিনম্ৰ অনুৰোধ জনালো। শিৱসাগৰ নগৰৰ মাজ মজিয়াতে প্ৰতিষ্ঠিত হোৱা আমাৰ মহাবিদ্যালয়খন অদ্যপৰিমিত এখন পূৰ্ণ পৰ্য্যায়ৰ মহাবিদ্যালয় ৰূপে প্ৰতিষ্ঠিত নোহোৱাটো সঁচাকৈ অতি পৰিতাপৰ কথা। ভৱিষ্যত গঢ়াৰ আশাৰে ওলাই অহা হাজাৰ হাজাৰ ছাত্ৰীয়ে মহাবিদ্যালয়খনিত অনেক অভাৱ অনুভৱ কৰে। মই আশা ৰাখিছোঁ কলেজ কৰ্তৃপক্ষই অদূৰ ভৱিষ্যতে এই অভাৱসমূহ পূৰণ কৰি ছাত্ৰীসকলৰ মনোবল সুদৃঢ় কৰা লগতে মহাবিদ্যালয়খনিক আটক ধুনীয়াকৈ গঢ়ি তোলাত বিশেষ গুৰুত্ব আৰোপ কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। সকলোৰে দৃষ্টি গোচৰ কৰিবলৈকে আমাৰ মহাবিদ্যালয়ৰ সৰু বৰ অভাৱসমূহৰ এটি চমু আভাস তলত ডাঙি ধৰিলো।

(১) প্ৰথমতে উল্লেখ কৰিব পাৰি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বহুমুখী প্ৰতিভা বিকাশৰ বাবে এটা স্থায়ী আৰু সৰ্ব্বাঙ্গ সুন্দৰ প্ৰেক্ষাগৃহৰ কথা। এটা প্ৰেক্ষাগৃহৰ অভাৱ প্ৰতি গৰাকী ছাত্ৰীয়েই বাৰুকৈয়ে উপলব্ধি কৰে।

(২) ছাত্ৰী একতা সভাৰ বাবে এটি সুকীয়া কোঠা য'ত কাৰ্য্যালয়ৰ কাম চলাব পৰা হয়, য'ত কাৰ্য্যনিৰ্ব্বাহকৰ বৈঠক আদি বহুৱাবৰ সুবিধা থাকে, যাৰ অবিহনে এখন বৈঠকৰ বাবে এটা সম্পূৰ্ণ শ্ৰেণীকেই বৰ্ত্তমান এটা বা দুটা পিৰিয়দৰ বাবে বন্ধ ৰাখিব লগা হয়।

(৩) ক্ৰমবৰ্দ্ধমান ছাত্ৰীসংখ্যাৰ চাহিদা পূৰণ কৰিব পৰাকৈ এটি আহল বহল ছাত্ৰীৰ জিৰণি কোঠা। দূৰ-দূৰণিৰ পৰা অহা ছাত্ৰীসকলৰ বাবে ক্ষন্তেক বহি বিৰতিৰ সময়ত খেলা-ধূলা কৰা, দুই এখন আগশাৰীৰ বাতৰিকাকত, আলোচনী পঢ়াৰ সুবিধা থকা আদৰ্শনীয় জিৰণি কোঠাৰ বৰ প্ৰয়োজন।

(৪) ক্ৰীড়াৰ প্ৰতি আগ্ৰহী ছাত্ৰীসকলৰ অনুশীলনৰ বাবে এখন আহল বহল উন্নত খেলপথাৰৰ অভাৱ সততে অনুভৱ কৰা যায়। উল্লেখযোগ্য যে আমাৰ কলেজৰ ছাত্ৰীসকলে সীমিত সা-সুবিধাৰ মাজতো আন্তঃকলেজ প্ৰতিযোগিতাসমূহত একাধিক বাৰ শ্ৰেষ্ঠ মহিলা দল ৰূপে স্বীকৃতি লভি আহিছে।

(৫) অন্যান্য কলেজ, শিক্ষানুষ্ঠানত স্থায়ী শ্বহীদ বেদী নিৰ্ম্মাণ কৰা হ'ল, কিন্তু আমাৰ কলেজত সেই দিশত অদ্য পৰিমিত কোনো ব্যৱস্থা লোৱা হোৱা নাই। দেশ আৰু জাতিৰ স্বাৰ্থত বিভিন্ন সময়ত নামী অনামী অনেক লোকে, অনেক ছাত্ৰ-ছাত্ৰীয়ে প্ৰাণ আহুতি দিলে। আমাৰ কলেজৰ ছাত্ৰী বিন্দু দাসৰ নামো এই প্ৰসঙ্গত উল্লেখযোগ্য। এই মহান শ্বহীদসকলৰ পুণ্য স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰাটো সকলোৰে কৰ্ত্তব্য, আৰু সেয়েহে এখনি স্থায়ী শ্বহীদ বেদী নিৰ্ম্মাণৰ কাম অনতিপলমে হাতত লোৱা দৰকাৰ।

(৬) বিভিন্ন বিভাগত সন্মান পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰা ছাত্ৰীসকলৰ বাবে প্ৰয়োজনীয় কিতাপসমূহ, বিশেষকৈ প্ৰসঙ্গ গ্ৰন্থসমূহ কলেজৰ গ্ৰন্থাগাৰত নোপোৱাটো বৰ দুখৰ বিষয়। এই ক্ষেত্ৰত কলেজৰ অধ্যক্ষ তথা শিক্ষকসকলৰ তৎপৰতাৰ বাবে আবেদন জনালোঁ।

(৭) এই কলেজত বৰ্ত্তমান পাঠদান কৰা প্ৰায়বিলাক বিষয়তে সন্মান পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰা হ'ল। কেৱল বুৰঞ্জী আৰু গাৰ্হস্থ্য বিজ্ঞান এই দুটা বিষয়তহে বাকী আছেগৈ। অনতিপলমে সেই দুটি বিষয়তো সন্মানৰ পাঠ্যক্ৰম মুকলি কৰাটো ছাত্ৰীসকলে কামনা কৰে।

(৮) বিজ্ঞান শাখা খুলিবৰ বাবে কলেজ কৰ্ত্তৃপক্ষৰ পৰা খৰতকীয়া ব্যৱস্থা

হাতত লৈ উঠি অহা ছাত্রীসকলক বিজ্ঞান শিক্ষা লাভ কৰাত সহায় কৰাটো বাঞ্ছনীয়। শিৱসাগৰ জিলাখনৰ ভিতৰতে মাত্র দুখন কলেজতহে বৰ্ত্তমান বিজ্ঞান শাখা থকা দেখা যায়। ছাত্রীসকলৰ বিজ্ঞান বিষয়ৰ প্রতি ৰাপ স্বাভাৱিকতেই বাঢ়িছে, আৰু বৰ্দ্ধিত সংখ্যাৰ ছাত্রীসকলৰ চাহিদা পূৰাবৰ বাবে সোনকালেই জিলাৰ একমাত্র ছোৱালী কলেজ খনিৰ সংশ্লিষ্ট কৰ্ত্তৃপক্ষই ব্যৱস্থা লোৱাটো আমি বিচাৰোঁ।

এইবিলাকৰ উপৰিও কলেজখনত আনুসঙ্গিক যিবিলাক সমস্যা বা অভাৱ অভিযোগ আছে সেইবিলাক সমাধান কৰাত কলেজ কৰ্ত্তৃপক্ষ, মাননীয় শিক্ষক-শিক্ষয়ত্রীবৃন্দ আৰু ছাত্রী বান্ধৱীসকলে তৎপৰতা অৱলম্বন কৰিব বুলি আমি আশা কৰিলো।

**বাৰ্ষিক উৎসৱসমূহ :-** কলেজৰ বাৰ্ষিক উৎসৱ অৰ্থাৎ মহাবিদ্যালয় সপ্তাহ এইবছৰ ২০ নবেম্বৰৰ পৰা ২৪ নবেম্বৰলৈ পাঁচদিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। সদৰ মহকুমাধিপতি শ্রীদোলাকাষৰীয়াদেৱে ক্রীড়া প্রতিযোগিতা উদ্বোধন কৰি এই উৎসৱৰ কাৰ্য্যসূচী মুকলি কৰে। ছাত্রী বান্ধৱীসকলৰ মাজত উৎসাহ উদ্দীপনা সন্তোষজনক দেখা গৈছিল। কলেজ সপ্তাহৰ পিছতেই ফাতেহা-জোৱাজ-দাহম উৎসৱটি সমূহীয়া ভাৱে জাকজমকতাৰে উদ্‌যাপন কৰা হয়। ২৬ জানুৱাৰী তাৰিখত শ্রীশ্রীসৰস্বতী দেৱীৰ কৰকমলত এপাহি গন্ধপুষ্প দিয়াৰ আয়োজন কৰা হয়। পূজাৰ অন্যান্য কাৰ্য্যসূচীৰ লগতে এখনি কবি-সন্মিলন আৰু গৃহ বিজ্ঞানৰ ছাত্রীসকলৰ উদ্যোগত এখনি আকৰ্ষণীয় প্রদৰ্শনীৰ আয়োজন কৰা হয়।

**অধ্যক্ষ ডাঙৰীয়ালৈ বিদায় সম্বৰ্দ্ধনা :**

আমাৰ কাৰ্যকালৰ ভিতৰতে এই কলেজখনৰ লগত ওতঃপ্রোতঃ ভাৱে জড়িত থাকি ইয়াক এক নিঃকিন অৱস্থাৰ পৰা বৰ্ত্তমানৰ মৰ্য্যদাসম্পন্ন অৱস্থালৈ উন্নীত কৰা আমাৰ সকলোৰে পৰম শ্রদ্ধাভাজন মাননীয় অধ্যক্ষ শ্রীবীৰেন বৰকটকীদেৱে যোৱা ২৮ ফেব্রুৱাৰী তাৰিখে অৱসৰ লয়। অসমৰ এজন লব্ধপ্রতিষ্ঠিত কবি-সাহিত্যিক, সাংবাদিক, স্বাধীনতা যুঁজাৰু শ্রীবীৰেন বৰকটকীদেৱৰ ব্যক্তিত্ব কলেজৰ বাবে এটি গৌৰৱৰ বিষয়। তেখেতৰ বিদায় উপলক্ষে আয়োজিত ৰাজহুৱা সভাখনি বেচ গাম্ভীৰ্য্যপূৰ্ণ আছিল। কলেজৰ শিক্ষক-শিক্ষয়ত্রী, ছাত্রীবান্ধৱী আৰু কৰ্ম্মচাৰীসকলৰ লগতে নগৰৰ গণ্যমান্য ব্যক্তিসকলেও শ্রীবৰকটকীদেৱে কলেজ খনিৰ প্রতি আগবঢ়োৱা বৰঙণিৰ কথা শ্রদ্ধাৰে সুঁৱৰে। বিদায়ী অধ্যক্ষজনলৈ ছাত্রীসকলৰ ফালৰ পৰা নগদ ৪০০০(চাৰি হেজাৰ) টকা আৰু এখনি শৰাই গামোছাসহ প্রদান কৰা হয়; শিক্ষকসকলৰ তৰফৰ পৰাও এখনি এড়ীচাদৰ, এখনি গামোছা আৰু নগদ ৪৫০০টকা ( চাৰিহেজাৰ পাঁচ শ টকা ) তেখেতৰ প্রকাশন পুঁজিলৈ আগবঢ়োৱা হয়। কলেজৰ কৰ্ম্মচাৰীসকলৰ ফালৰ পৰা তেখেতলৈ এটা Tape-recorder উপহাৰ দিয়া হয়। অধ্যক্ষ মহোদয়ে মহাবিদ্যালয়ৰ দুৱাৰমুখৰ ধূলি এমুঠি শিৰত লৈ আমাৰ সকলোকে

এধাৰি অশ্রুৰ মালা যাচি কলেজৰ আৰেঙ্গনিৰ পৰা বিদায় ললে। কলেজৰ শিক্ষক, ছাত্রী আৰু কৰ্ম্মচাৰী সকলো মিলি এক আকৰ্ষণীয় শোভাযাত্রাৰে বিদায়ী অধ্যক্ষ শ্রীবৰকটকীদেৱক তেখেতৰ ঘৰত আগবঢ়াই থৈ অহা হয়। পৰবৰ্ত্তী কালচোৱাত তেখেতৰ মান যশ বাঢ়ক, জীৱনৰ প্রতিটো ক্ষণ কৰ্ম্মময় হওক, জীৱন মধুময় হওঁক এই কামনাৰে পৰেমেশ্বৰৰ ওচৰত প্রার্থনা জনাওঁ।

**শোক প্রকাশ ঃ** যোৱা ৩০ অক্টোবৰ '৮৪ তাৰিখে ভাৰতৰ ৰাজনীতিত ডেৰ দশকৰো অধিক কাল প্রভাৱ বিস্তাৰ কৰি থকা, দেশ-বিদেশত উল্লেখনীয় ভাৱে প্রতিষ্ঠা লাভ কৰা ভাৰতৰ প্রধান মন্ত্রী শ্রীমতী ইন্দিৰা গান্ধীক তেওঁৰেই গাৰক্ষী বাহিনীৰ লোকে গুলীয়াই হত্যা কৰাটো অতি জঘন্যতম আৰু নিন্দনীয় ঘটনা। গোটেই দেশবাসীৰ কাৰণেই শ্রীমতী গান্ধীৰ মৃত্যু এক অপূৰণীয় ক্ষতি। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।

আমাৰ কলেজৰে মুৰব্বী বিভাগৰ মুৰব্বী অধ্যাপক ডঃ সুৰেন্দ্র কুমাৰ গোস্বামী-দেৱৰ যোৱা ১৪ মাৰ্চ তাৰিখে আকস্মিক ভাৱে মৃত্যু হয়। এটি অনুসন্ধিৎসু মনৰ অধিকাৰী, শিক্ষাব্রতী, সদাচাৰী ডঃ গোস্বামীদেৱৰ পুণ্যাত্মাৰ চিৰশান্তিৰ বাবে আমি সকলোৱে পৰেমেশ্বৰৰ ওচৰত প্রার্থনা জনাওঁহক।

শিল্পীজগতৰ এজন বিশিষ্ট ব্যক্তি মোৱাজ্জিন আলিৰ গত ১০ ডিচেম্বৰ তাৰিখে পৰলোক প্রাপ্তি ঘটে। আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্রীয়ে তেখেতৰ আত্মাৰ চিৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্রার্থনা জনায়।

আমাৰ মহাবিদ্যালয়ৰ ছাত্রী একতা সভাৰ পুঁজিৰ পৰা অসম সাহিত্য সভাৰ ন্যাস পুঁজি, বিদেশী বহিস্কাৰ আন্দোলনত শ্বহীদ হোৱা ব্যক্তিসকলৰ পৰিয়ালবৰ্গলৈ যথাসম্ভৱ আৰ্থিক সাহাৰ্য, দান- বৰঙণি আগবঢ়োৱা হৈছে। ইয়াৰোপৰি কলেজৰ ছাত্রীসকলৰ ব্যৱহাৰৰ বাবে অতি প্রয়োজনীয় এটা প্রস্রাৱগাৰ সাজিবৰ বাবেও অলপতে কৰ্ত্তৃপক্ষক ২০,০০০ টকা দিয়াৰ প্রস্তাৱ দিয়া হয়। আশাকৰোঁ কলেজ কৰ্ত্তৃপক্ষই সোনকালেই প্রস্রাৱগাৰৰ নিৰ্ম্মাণ কাৰ্য্য হাতত লৈ ছাত্রীসকলৰ বহুদিনীয়া অভাৱ এটা পূৰণ কৰিব।

সদৌশেষত নিজাববীয়া দু-আষাৰ কোৱাৰ প্রয়োজন অনুভৱ কৰিছোঁ। সাধাৰণ সম্পাদিকাৰ নিচিনা গধুৰ দায়িত্ব এটা লৈ ছাত্রীসকলক কিমান দূৰ সেৱা কৰিব পাৰিলো সেইটো তেখেতসকলেই বিচাৰ কৰিব। এনে গুৰুভাৰ বহন কৰি কাৰ্য্যনিৰ্বাহ কৰাত আমাক ছাত্রীবান্ধৱীসকলে যি সহায় সহযোগিতা আগবঢ়ালে তাৰবাবে সদৌটিলৈ আমাৰ কৃতজ্ঞতা থাকিল। তাৰ ভিতৰতে উল্লেখনীয়ভাৱে সহায় কৰা ছাত্রীসকলৰ ভিতৰত অজন্তা, উৰ্মি,

জুৰি, ৰশ্মি, ইন্দ্ৰানী, বুলুআৰা, নীনা অন্যতম। মাননীয় অধ্যাপক অধ্যাপিকাসকলেও বিভিন্ন সময়ত বিভিন্ন ধৰণে আমাক কাৰ্য্যনিবাহ কৰাৰ ক্ষেত্ৰত দিহা পৰামৰ্শ দি সহায় কৰিলে। সদৌটিলৈ আমাৰ কৃতজ্ঞতা থাকিল।

আমাৰ এই বিদ্যাৰ তীৰ্থক্ষেত্ৰ স্বৰূপ শিৱসাগৰ ছোৱালী কলেজ খনিৰ সৌষ্ঠব বৃদ্ধি হৈ পৰিপূৰ্ণতা লাভ কৰক এই কামনাৰে আমাৰ প্ৰতিবেদন সামৰিছোঁ। জ্ঞাত অজ্ঞাত সকলো ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে — ইতি

শ্ৰীঅঞ্জলী চুতীয়া, সাধাৰণ সম্পাদিকা,
ছাত্ৰী একতা সভা, শিৱসাগৰ ছোৱালী কলেজ।

## সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বান্ধৱী তথা শিক্ষাগুৰু আৰু কৰ্ম্মচাৰীলৈ মোৰ আন্তৰিক ওলগ জ্ঞাপন কৰিলো। লগতে অসমৰ গণ আন্দোলনৰ অমৰ শ্বহীদসকললৈ যাচিলো মোৰ গভীৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি। বিগত বছৰটোৰ সঙ্গীত বিভাগৰ সম্পাদিকা হিচাবে মহাবিদ্যালয়ৰ ছাত্ৰী বান্ধৱীসকলে তেখেতসকলক সেৱা কৰিবলৈ সুযোগ দিয়াৰ লগতে মোক যি উৎসাহ উদ্দীপনা তথা সহায় সহযোগ আগবঢ়ালে তাৰবাবে সেই সকলো ছাত্ৰীবান্ধৱীলৈ মোৰ আন্তৰিক শলাগৰ শৰাই আগবঢ়ালো।

সঙ্গীত বিভাগৰ সম্পাদিকাৰ দায়িত্ব পালন কৰাত মই যিমান দূৰ পাৰোঁ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত কিমান দূৰ কৃতকাৰ্য্য হ'লো সেইয়া আপোনালোকৰ বিচাৰ্য্য। মোৰ এই কাৰ্য্যকাল ছোৱাত মই যদি জ্ঞাতে বা অজ্ঞাতে কিবা দোষ কৰিছিলো তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

মোৰ কাৰ্য্যকালৰ প্ৰথম কাম হিচাপে মাননীয় অধ্যাপক শ্ৰীযুত সুৰেশ ফুকনদেৱৰ দ্বাৰা প্ৰযোজনা আৰু পৰিচালনা কৰা ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যুৱবাণী অনুষ্ঠানত এটা বিচিত্ৰানুষ্ঠান মহাবিদ্যালয়ৰ ছাত্ৰী বান্ধৱীসকলৰ দ্বাৰা পৰিবেশন কৰা হয়। এইখিনি সুবিধা কৰি ছাত্ৰী বান্ধৱীসকলক অশেষ উপকাৰ কৰি দিয়াৰ বাবে মাননীয় ফুকনদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। দ্বিতীয় হ'ল

মহাবিদ্যালয় সপ্তাহৰ সঙ্গীত প্ৰতিযোগিতা। কাৰ্য্যভাৰ গ্ৰহণৰ এক সপ্তাহৰ পিছতেই মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। ইমান কম সময়ৰ ভিতৰতে এনে এটা গধুৰ দায়িত্ব পালন কৰা কিমান কষ্টকৰ হ'ব পাৰে সি সহজেই অনুমেয়। এইবাৰ কলেজ সপ্তাহৰ সঙ্গীত প্ৰতিযোগিতাত বহুতো প্ৰতিযোগীয়ে যোগদান কৰি নিজৰ প্ৰতিভা বিকাশ কৰে। সেই সকলো প্ৰতিযোগীলৈ মোৰ আন্তৰিক হিয়াভৰা শুভেচ্ছা থাকিল। কলেজ সপ্তাহ উপলক্ষে আয়োজন কৰা সঙ্গীত প্ৰতিযোগিতাত সঙ্গীত বিভাগৰ সম্পাদিকা হিচাবে দায়িত্ব পালন কৰাৰ উপৰিও বছৰৰ 'শ্ৰেষ্ঠা গায়িকা' হিচাবে মোক বিবেচনা কৰাৰ বাবে মাননীয় বিচাৰক মণ্ডলীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। বছৰটোৰ শ্ৰেষ্ঠা অভিনেত্ৰী হিচাবে পৰিগণিত হয় শ্ৰীমতী মাধু বৰঠাকুৰ।

মোৰ কাৰ্য্যকালত কলেজ সপ্তাহৰ কাল ছোৱাত বিভিন্ন দিশত বিশেষ ভাবে দিহা পৰামৰ্শ দিয়া অধ্যাপিকা শ্ৰীকুসুম ফুকন, শ্ৰীযুতা অনু শৰ্ম্মা, শ্ৰীনাজৰিন্ আহমেদ, শ্ৰীমতী তৃপ্তি মল্লিকা বৰুৱা আৰু অধ্যাপক শ্ৰীযুত সুৰেশ ফুকনদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ।

এই খিনিতে সঙ্গীত বিভাগৰ অভাৱ অভিযোগৰ বিষয়ে উল্লেখ নকৰিলে মোৰ এই প্ৰতিবেদন অসম্পূৰ্ণ হৈ ৰ'ব। এনেকুৱা এখন মহাবিদ্যালয়ত যি কেইপদ বাদ্যযন্ত্ৰ আছে সি সঁচাকৈয়ে বৰ দুখ লগা। ফলত ছাত্ৰী বান্ধৱীসকলে নিজে বাদ্য যন্ত্ৰ আনি অনুষ্ঠান পৰিবেশন কৰিব লগা হয়। মোৰ আশা মহাবিদ্যালয় কৰ্ত্তৃপক্ষই এই ক্ষেত্ৰত দৃষ্টি নিক্ষেপ কৰিব।

উল্লেখযোগ্য যে এই বছৰ সঙ্গীত বিভাগৰ ফাণ্ডৰ পৰা এটা অনুভাষ যন্ত্ৰ অনা হয়। বাদ্য যন্ত্ৰৰ অভাৱসমূহ মোৰ কাৰ্য্যকালত পূৰাব পৰা নহল, পৰৱৰ্তী কালত হৈ উঠিব বুলি আশা কৰিলো।

মোৰ কাৰ্য্যকালতে আমাৰ কলেজৰ অধ্যক্ষ মহোদয় শ্ৰীযুতবীৰেন বৰকটকীদেৱে তেখেতৰ চাকৰি জীৱনৰ পৰা অৱসৰ লয়। তেখেতক বিদায় সম্ভাষণ জনাবৰ বাবে আয়োজিত ৰাজহুৱা সভাখনিত অধ্যাপিকা শ্ৰীকুসুম ফুকনৰ দ্বাৰা ৰচিত গীতেৰে আৰম্ভ কৰাৰ উপৰিও ইয়াত অধ্যাপিকা শ্ৰীযমুনা বৰগোহাঁই ৰচিত গীত পৰিবেশন কৰা হয়। ছাত্ৰী বান্ধৱীসকলে ভিন্নসুৰী গীত পৰিবেশন কৰে। সেই সভাতে স্বৰচিত গীত পৰিবেশন কৰি মাননীয় শ্ৰীসুৰেশ ফুকনদেৱে সভাৰ আকৰ্ষণ বঢ়ায়।

সদৌ শেষত মোৰ কাৰ্য্যকালত প্ৰতি পদক্ষেপত দিহা পৰামৰ্শৰে সহায় কৰা উপাধ্যক্ষ মঃ হাফিজুৰ ৰহমান আৰু বিভাগীয় উপদেষ্টা অধ্যাপক শ্ৰীযুত সত্যভূষণ বৰুৱা দেৱৰ ওচৰত মোৰ বিনম্ৰ শ্ৰদ্ধা নিবেদন কৰিলো।

শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যলয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনাৰে মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো। নমস্কাৰ—

শ্ৰীমতী মিনু কোঁৱৰ
সম্পাদিকা, সঙ্গীত বিভাগ।

# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ১৯৮৪-৮৫ চনৰ ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাবে অধ্যক্ষা-মহোদয়া, ছাত্ৰী একতা সভাৰ উপদেষ্টাসকল, সদস্যা আৰু ছাত্ৰীসকললৈ মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিছো।

এইবাৰ কলেজ বাৰ্ষিক ক্ৰীড়া সমাৰোহ যোৱা ২০।১১।৮৪ তাৰিখৰ পৰা চাৰি দিনীয়াকৈ পালন কৰা হয়। দুখৰ বিষয় কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত এই ক্ৰীড়া প্ৰতিযোগিতা সমূহত ছাত্ৰীসকলৰ মাজৰ পাৰদৰ্শিতাৰ অভাৱ বিশেষ ভাৱে পৰিলক্ষিত হয়। দুই-এগৰাকী খেলুৱৈৰ বাদে সৰহ সংখ্যক ছাত্ৰীৰে ক্ৰীড়াৰ প্ৰতি উদাসীনতা আৰু প্ৰতিযোগিতাসমূহত যোগদান কৰাৰ প্ৰতি আগ্ৰহ নথকাটো মন কৰিবলগীয়া। যি দুই এগৰাকী ছাত্ৰীয়ে ক্ৰীড়াবিষয়ত অংশগ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱাইছিল তেওঁলোক নিশ্চয় শলাগৰ পাত্ৰ। আশা ৰাখিছোঁ তেওঁলোকে ক্ৰীড়াৰ বিভিন্ন দিশত আৰু আগবাঢ়িবলৈ যত্ন কৰিব। এই বাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ প্ৰতিযোগিতাতো আমাৰ কলেজৰ দলটিয়ে পূৰ্বৰ সুনাম অক্ষুন্ন ৰাখিবলৈ সক্ষম নহ'ল। অৱশ্যে আমাৰ কলেজৰ ছাত্ৰীসকলে ক্ৰীড়াৰ ক্ষেত্ৰত কিছুমান মৌলিক বিষয়ৰ অভাৱ অনুভৱ নকৰাকৈ থকা নাই। সিবিলাকৰ ভিতৰত প্ৰথম হ'ল কলেজৰ নিজা এখন খেলপথাৰ, য'ত অনুশীলনৰ সুবিধা পালেহেঁতেন।

কলেজ সপ্তাহৰ ক্ৰীড়া সমাৰোহ নিয়াৰিকৈ হৈ যোৱাত মাননীয় উপদেষ্টাদ্বয়ে বিভিন্ন দিশত দিহা-পৰামৰ্শ দি যি সহযোগিতা আগবঢ়ালে তাৰ বাবে তেখেতসকললৈ মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো। লগতে যিসকল ছাত্ৰীয়ে কলেজ সপ্তাহ নিয়াৰিকৈ হৈ যোৱাত সক্ৰিয় সহায়-সহযোগ কৰিলে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ যাচিলো। আনহাতে এই বিভাগৰ প্ৰতি কাৰ্য্যতে সহায় কৰা ছাত্ৰী একতা সভাৰ সমূহ সম্পাদিকালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ এই কাৰ্য্যকালত অজানিতে হব পৰা যিকোনো ত্ৰুটি-বিচ্যুতিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। শেষত মাননীয়া অধ্যক্ষা মহোদয়া আৰু শিক্ষকবৃন্দলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম

জনালোঁ। ছাত্ৰীবান্ধৱী তথা ছাত্ৰী একতা সভাৰ সদস্যাসকললৈ কৃতজ্ঞতা প্ৰক
ৰ্কৰিছোঁ।

শুভেচ্ছা
শ্ৰীপ্ৰীতিৰেখা চি
সম্পাদিকা, ক্ৰীড়া বিভ

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

ছাত্ৰী জিৰণীকোঠাটো হৈছে ছাত্ৰীসকলৰ জিৰণিৰ সময় অতিবাহিত কৰা কোঠা। সেয়ে এই কোঠাটো মহাবিদ্যালয়ৰ এটি অবিচ্ছেদ্য অঙ্গ স্বৰূপ। কোঠাটোত সৰু-ডাঙৰ বহু সামগ্ৰীৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হয়। সম্পাদিকা হিচাবে মই জনাবলৈ পাই দুঃখি যে আমাৰ জিৰণীৰ কোঠাটো এইক্ষেত্ৰত আশানুৰূপ নহয়। জিৰণিৰ সময়ছোৱাত যাতে ছা সকলে শাৰীৰিক, বৌদ্ধিক আৰু নৈতিক সকলো দিশতে সৃষ্টিকামী মন এটা গঢ়ি তুলি পাৰে তেনে পাৰিপাৰ্শ্বিকতাৰ এক আদৰ্শ স্থানীয় কোঠাৰ বৰ প্ৰয়োজন।

মই জনাবলৈ পাই সুখী হৈছোঁ যে এই মহা মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱৰ খে ধেমালি প্ৰতিযোগিতাসমূহত বহুতো ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাইছে। সম্পাদিকা হিচা তেওঁলোকলৈ মোৰ অভিনন্দন জ্ঞাপন কৰিলোঁ। বিশেষকৈ মোৰ হিয়াভৰা অভিনন্দন যাচি এইবছৰ আন্তঃক্ৰীড়া প্ৰতিযোগিতাত শ্ৰেষ্ঠা খেলুৱৈৰ স্থান লাভ কৰা শ্ৰীমতী অৰ্পণা গগৈৰ লগতে মই আশা ৰাখিছোঁ। সকলো ছাত্ৰীয়েই যেন খেল-বিভাগত সুনাম অৰ্জন কৰিব পা

পৰিশেষত, খেল-বিভাগৰ উপদেষ্টা অধ্যাপক শ্ৰীযুতঅৰুণ বৈৰাগী আৰু ছাত্ৰী জি কোঠাৰ উপদেষ্টা অধ্যাপিকা শ্ৰীমতী তৃপ্তিমল্লিকা বৰুৱালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো কৰ্মক্ষেত্ৰত মোক দিহা পৰামৰ্শ তথা সহায় সহযোগিতাৰে আগবঢ়াই নিয়াৰ বাবে তেখে সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে মোক বিভিন্ন দিশৰ সহায় সহযোগিতা আগবঢ়ো সকলো ছাত্ৰীবান্ধৱীলৈ মোৰ অভিনন্দন তথা শুভেচ্ছাৰে —

শ্ৰীৰশ্মিৰেখা মহন্ত
সম্পাদিকা, ছাত্ৰী জিৰণী কো

# তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

জয়জয়তে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বান্ধবীলৈ মোৰ আন্ত-ৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। বিগত বছৰটোত তৰ্ক বিভাগৰ সম্পাদিকাৰ পদত থাকি আপোনালোকৰ পৰা মই যিখিনি সহায় সহযোগ পালো তাৰবাবে আপোনা-লোকৰ ওচৰত চিৰকৃতজ্ঞ।

কাৰ্য্যভাৰ হাতত লৈ মই কিমানখিনি অগ্ৰসৰ হব পাৰিলো সেইয়া আপোনালোকে বিচাৰ কৰিব। তথাপি স্বীকাৰ কৰিছোঁ যিমানখিনি কৰিম বুলি মনতে আশা কৰিছিলো তাৰ তুলনাত বিশেষ একো কৰিব নোৱাৰিলো। বিগত বছৰটোত হোৱা অভিজ্ঞতাৰ পৰা এটা কথা স্পষ্টকৈ কব পাৰোঁ যে অন্যান্য মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকল তৰ্ক বিষয়ত পিছপৰি আছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ তৰ্ক বিভাগৰ প্ৰতি আগ্ৰহ বৰ কম। অৱশ্যে এই বছৰটোত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যা-লয় সমূহৰ মাজত আন্তঃকলেজ ভিত্তিত অনুষ্ঠিত কেইবাখনো তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত কে, চি, কাকতি সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা চালেহা ৰহমানৰ লগত মই নিজেও অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাত ব্যক্তিগত ভাৱে মই তৃতীয় শ্ৰেষ্ঠা তাৰ্কিকৰ সন্মান লাভ কৰোঁ। শ্ৰীঅমি দত্তই অৰুণোদয় ৰিডিং ক্লাৱৰ সৌজন্যত শিৱসাগৰ জিলা ভিত্তিত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি তৃতীয় শ্ৰেষ্ঠা তাৰ্কিকৰ সন্মান লাভ কৰিছে।

ইয়াৰোপৰি আমাৰ মহাবিদ্যালয়ৰ হৈ শ্ৰীঅমি দত্ত আৰু মই নিজে গুৱাহাটীৰ বি. বৰুৱা কলেজত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃকলেজ তৰ্ক প্ৰতিযোগিতাত প্ৰথম বাৰৰ বাবে অংশ গ্ৰহণ কৰিছিলো। আগৰ বছৰ কেইটাৰ দৰে এইবাৰো চালেহা ৰহমান আৰু নবাব ওচমিন আৰা বেগমে দেৰগাওঁ মহাবিদ্যালয়ত অনুষ্ঠিত নৰেন্দ্ৰনাথ শৰ্ম্মা সোঁৱৰণী আন্তঃ-কলেজ তৰ্ক প্ৰতিযোগিতাত আমাৰ কলেজৰ হৈ প্ৰতিনিধিত্ব কৰে। যোৰহাটৰ বাহনা কলেজত অনুষ্ঠিত হোৱা আন্তঃকলেজ তৰ্ক প্ৰতিযোগিতাতো আমাৰ কলেজে অংশ গ্ৰহণ কৰিছিল।

পূৰ্বৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ত ৺বৈদ্যনাথ বৰপূজাৰী সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখন আয়োজন কৰা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ পৰা শ্ৰীঅমি দত্ত আৰু

নবাব ওচমিন আৰাই অংশ গ্ৰহণ কৰি ১ম শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰাৰ ওপৰিও শ্ৰীঅগ্নি দত্তই উক্ত প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে। এই প্ৰতিযোগিতা পৰিচালনা কৰাত মোক বিভিন্ন ধৰণে সহায় কৰা সমূহ সম্পাদিকা আৰু স্নাতক ২য় বাৰ্ষিকৰ বাইদেউসকললৈ মোৰ আন্তৰিক ধন্যবাদ জনালো। বিশেষকৈ স্নাতক দ্বিতীয় বাৰ্ষিকৰ ৰুলি বাইদেউৰ সহায় সহযোগখিনি পাহৰিব নোৱাৰিম। দেশৰ প্ৰতিকুল পৰিস্থিতিৰ বাবে এইবাৰ আমাৰ কলেজৰ বাৰ্ষিক উৎসৱ ততাতৈয়াকৈ নিচেই কম দিনৰ ভিতৰতে অনুষ্ঠিত কৰিবলগা হ'ল। তদুপৰি কলেজ সপ্তাহৰ লগত ৺বৈদ্যনাথ বৰপূজাৰী সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিব লগা হোৱাৰ বাবে আৰু ছাত্ৰীসকল পৰীক্ষাৰ বাবে ব্যস্ত থাকিবলগা হোৱাত এইবাৰ কলেজ সপ্তাহত তৰ্ক বিভাগৰ পৰা তৰ্ক আৰু আলোচনা চক্ৰ বিষয়টো বাদ দিব লগা হ'ল। যি কি নহওঁক, কুইজ প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা কলেজ সপ্তাহৰ ভিতৰতে তৰ্ক বিভাগৰ ফালৰ পৰা আয়োজন কৰা হৈছিল। কুইজ প্ৰতিযোগিতা বৰ বেছি উচ্চ মানদণ্ডৰ হোৱা নাছিল। মাত্ৰ ৫টা দলে এই প্ৰতিযোগিতাত যোগদান কৰিছিল। মাননীয় অধ্যাপক হাফিজুৰ ৰহমান, শ্ৰীঅৰুণ বৈৰাগী, আৰু শ্ৰীমনোৱাৰা বেগম বাইদেউৱে তেখেতসকলৰ বহুমূলীয়া সময় খৰছ কৰি উক্ত প্ৰতিযোগিতা পৰিচালনা কৰি দিয়াৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। আকস্মিক বক্তৃতাৰ মানদণ্ড আশাপ্ৰদ। মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় আৰু পৰামৰ্শ দিয়াৰ বাবে আমাৰ কলেজৰ সকলো শিক্ষক শিক্ষয়িত্ৰীৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিশেষকৈ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰোঁতে ছাত্ৰীসকলক দিহা পৰামৰ্শ দি সহায় কৰা বাবে অধ্যাপক শ্ৰীদলীপ কুমাৰ চক্ৰবৰ্ত্তী, শ্ৰীসুৰেশ ফুকন, শ্ৰীঅৰুণ বৈৰাগী, শ্ৰীকুসুম ফুকন, শ্ৰীতৃপ্তিমল্লিকা বৰুৱাৰ প্ৰতি মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। তাৰোপৰি ৺বৈদ্যনাথ বৰপূজাৰী সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখনত কলেজৰ অধ্যক্ষৰ পৰা আৰম্ভ কৰি সকলো ছাৰ-বাইদেউ আৰু অফিচৰ কৰ্ম্মকৰ্ত্তাসকলে তেওঁলোকৰ যি সহায় সহযোগ আগবঢ়ালে তাৰ বাবে মই সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালৰ চমু বিৱৰণী ইমানেই। মোৰ প্ৰতিটো কাৰ্য্যত বাট দেখুৱাই নিয়াৰ বাবে বিভাগীয় উপদেষ্টা অধ্যাপক শ্ৰীচাহাবুদ্দিন আহমদ চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ।

শ্ৰীইলোৰা বৰুৱা

সম্পাদিকা, তৰ্ক বিভাগ।

# সম্পাদকীয় প্ৰতিবেদনঃ সমাজ সেৱা বিভাগ

যোৱা বছৰ আমাৰ মহাবিদ্যালয়ৰ পঞ্চাশ জনীয়া দল এটাই ৰাষ্ট্ৰীয় সমাজ সেৱা আঁচনিৰ তলত এই নগৰৰে পিছপৰা অঞ্চল সমূহত কাম কৰি যি আদৰ্শ দেখুৱালে তাৰ বাবে সেই ছাত্ৰীবান্ধৱী সকলোলৈকে মোৰ ধন্যবাদ থাকিল।

এই আঁচনিৰ তলত ৭/১০/৮৪ তাৰিখৰ পৰা ১৬/১০/৮৪ লৈকে সমাজসেৱাৰ কাম কৰা হৈছিল। ৭ আৰু ৮ তাৰিখে শিৱসাগৰৰ ন-পাম গাৱঁত কাম কৰা হৈছিল। গাওঁখনৰ চাৰিওফালে হাবি-বন কাটি, বাট-পথ মুকলি কৰি গাওঁখন পৰিস্কাৰ কৰা হয়। ইয়াৰোপৰি সেই গাৱঁৰ লোকসকলৰ অৰ্থনৈতিক জৰীপ (পৰীক্ষা) কৰা হয়, আৰু সেই গাৱঁত মুকলি সাংস্কৃতিক অনুষ্ঠান পাতি সেই গাৱঁৰ লোকসকলক বিভিন্ন ধৰণৰ শিক্ষা দিয়া হয়।

৯ তাৰিখে ফুকন নগৰ এল পি স্কুলত কিছু কাম কৰা হয়। ইয়াতে স্কুল ঘৰটো পৰিস্কাৰ কৰি ভগা-ছিগা ঠাইবিলাক মেৰামেতি কৰা হয়। স্কুলখনলৈ সোমোৱা বাট-পথ বিলাক পৰিস্কাৰ কৰা হয় আৰু স্কুলখনৰ চাৰিওফালৰ হাবি-বন কাটি মুকলি কৰা হয়।

১০ আৰু ১১ তাৰিখে হৰিজন ক'লনিত কাম কৰা হয়। এই অঞ্চলত হাবি-বন কাটি, বাট-পথ পৰিস্কাৰ কৰি বীজাণু নাশক দৰব চটিওৱা হয়। এই অঞ্চলৰ হৰিজন লোকসকলৰ ঘৰতো গৈ অৰ্থনৈতিক দিশটো পৰীক্ষা কৰা হয়। ইয়াৰোপৰি হৰিজন প্ৰাইমেৰী স্কুলখন পৰিস্কাৰ কৰা হয়, স্কুলখনৰ ভগা-ছিগা অংশ মেৰামতি কৰা হয়।

১২ তাৰিখে দৈ-কলডিয়া গাঁৱত সমাজ সেৱাৰ কাম কৰা হয়। গাওঁখনৰ বাট-পথ পৰিস্কাৰ কৰা হয়। এই গাঁৱৰ নামঘৰটো ভিতৰে বাহিৰে সকলোবিলাক চাফা কৰি দিয়া হয়। এই অঞ্চলৰ লোকসকলৰ অৰ্থনৈতিক দিশটো জৰীপ কৰা হয়।

১৩ তাৰিখে শিৱদ'ল, বিষ্ণুদ'ল, আৰু দেৱীদ'লৰ চাৰিসীমা পৰিস্কাৰ কৰা হয়, দ'লৰ ভিতৰত অংশ চাফা কৰা হয়, দ'লৰ চৌহদ ঘাহঁ-বন কাটি পৰিস্কাৰ কৰা হয়।

১৪ তাৰিখে ৰজাবাৰী বাগানত সাংস্কৃতিক অনুষ্ঠান পতা হয়। তাত আমাৰ ছাত্ৰীসকলৰ মাজৰ পৰা নৃত্য, গীত প্ৰদৰ্শন কৰা হয়, সেই অনুষ্ঠানত শ্ৰমিকসকলেও যোগদান কৰে।

১৫ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ চৌহদ চফা কৰা হয়। পিছদিনা অৰ্থাৎ ১৬ তাৰিখে কলেজৰে শ্ৰেণী বহা কোঠাবিলাক চফা কৰা হয়, বেঞ্চ-ডেস্ক বিলাক চফা কৰা হয়। ছাত্ৰীনিবাসটো পৰিস্কাৰ কৰা হয়। ছাত্ৰীনিবাসলৈ যোৱা পথটোত নতুনকৈ ইটা জাপি অহা-যোৱাৰ বাবে সুচল কৰি তোলা হয়।

ওপৰত উল্লেখ কৰা বিভিন্ন কাৰ্য্যাৱলীৰে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে ৰাষ্ট্ৰীয় সমাজ সেৱা আঁচনি সফল কৰি তুলিলে।

এইখিনিৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ সমাজ সেৱা আঁচনিত অন্তৰ্ভুক্ত ছাত্ৰীসকলে মহাবিদ্যালয়ৰ অন্যান্য পূজা-পাৰ্বন, উৎসৱ আদিত কাম-কাজ কৰি এইবিলাক সুকলমে পৰিচালনা কৰাত সহায় কৰি আহিছে। মাজে সময়ে মহাবিদ্যালয়ত কিছুমান চাফাই কাম কৰি থকা হয়। ইয়াৰ উপৰিও যোৱা ২৬/১/৮৫ তাৰিখে শিৱদ'ল, বিষ্ণুদ'ল, আৰু দেৱী দ'ল কেইটিও চাফ কৰা হয়।

সদৌশেষত সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাপে মোক আগবঢ়াই দিয়াত ছাত্ৰী বান্ধৱীসকলৰ ওচৰত মই চিৰঋণী। বিভিন্ন সময়ত ছাত্ৰীসকলৰ উপৰিও পূজনীয় শিক্ষাগুৰুসকলে গঠন মূলক দিহা-পৰামৰ্শৰে উৎসাহ যোগালে। তেখেতসকলক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো লগতে মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ মঙ্গল কামনা কৰি প্ৰতিবেদন সামৰিছোঁ। ইতি—

শ্ৰীজুৰি কোঁৱৰ
সম্পাদিকা, সমাজ সেৱা বিভাগ।

# সম্পাদকীয়

দুশ বছৰৰো অধিক কাল শাসন কৰাৰ পিছত বৃটিছসকলে ভাৰতীয় জনসাধাৰণক স্বাধীনতা দি নিজৰ দেশলৈ ৰাওঁনা হ'ল। ভাৰতবাসীয়ে স্বস্তিৰ নিঃশ্বাস পেলালে। আশাৰ নতুন সপোন ৰচিলে। কিন্তু হায়! আজিৰ নতুন পুৰুষৰ সন্মুখত হাজাৰ প্ৰশ্নৰ জোৱাৰ উঠিছে, সন্দেহৰ অৱকাশ হৈছে, প্ৰকৃততে ভাৰতে স্বাধীনতা পালেনে? ভাৰতীয় জনসাধাৰণৰ প্ৰকৃত স্বাধীনতা আছে নে? তথাকথিত চৰকাৰে উপযুক্তভাৱে শাসন কৰিব পাৰিছেনে? ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ কেৱল লিখিতভাৱে থাকিলেই হবনে? ইত্যাদি, ইত্যাদি॥ এনেবিলাক প্ৰশ্নৰ উত্তৰ বিচাৰি প্ৰতিজন সচেতন নাগৰিকেই হতাশ হব লগাত পৰিছে। কাৰণ এইখন দেশ প্ৰকৃততে গণতান্ত্ৰিক ধৰ্ম্মনিৰপেক্ষ দেশ নহয়, এইখন ধনতান্ত্ৰিক, পুঁজিপতি আৰু ক'লা বেপাৰীৰ দেশ, য'ত জনসাধাৰণৰ মৌলিক অধিকাৰসমূহ সংবিধান শুৱনি কৰিবলৈহে মাত্ৰ লিখা হ'ল, নাগৰিকে উপভোগ কৰিবৰ বাবে নহয়।

স্বাধীন ৰাষ্ট্ৰৰ অংগ অসম। আগৰ বৰ অসম আজি আৰু নাই। ৰাজনীতিৰ মেৰপাকত পৰি খণ্ড বিখণ্ড হ'ল। ইয়াৰ পিছতো অসমৰ ৰাজনীতিত যিবিলাক শক্তিয়ে ক্ৰিয়া কৰিছে তাক দেখি অসমৰ জনসাধাৰণ আজি আতংকিত! আই অসমীয়ে আজি চকুলো টুকিছে। সদৌ অসম ছাত্ৰ সন্থাই দেশৰ সংবিধানৰ আধাৰত বিদেশী বহিস্কাৰ আন্দোলনৰ পাতনি মেলিলে। অসমীয়া জনসাধাৰণে স্ব-ইচ্ছাৰে এই আন্দোলনত জপিয়াই পৰিল। জনসাধাৰণৰ মতক উপেক্ষা কৰি অসমত নিৰ্বাচনৰ নামত ভেকোভাওনা পাতি শ শ লোকৰ বিশেষকৈ ছাত্ৰসকলৰ ৰঙা তেজেৰে ফাকু খেলি অসমত এটা তথাকথিত অবৈধ চৰকাৰ গঠন কৰা হ'ল। শঙ্কৰ, মাধৱ, জ্যোতি, বিষ্ণুৰ সপোনৰ অসম কলঙ্কৰ কালিমাৰে

